# আলোচনী

'৯২-৯৩



মঙ্গলদৈ মহাবিদ্যালয়

সম্পাদক
আমিনুল ইছলাম

# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

## বাৰ্ষিক প্ৰকাশ

বিংশতিতম্ সংখ্যা ঃ ১৯৯২-৯৩ চন

তত্বাবধায়ক অধ্যাপক ঃ
ইদ্ৰিছ্ আলি

সম্পাদক ঃ
আমিনুল ইছ্লাম

## ॥ সম্পাদনা সমিতি ॥

উপদেষ্টা :
শিৱকান্ত শৰ্মা, অধ্যক্ষ

সভানেত্ৰী :
উষা বৰা, অধ্যাপিকা

তত্বাবধায়ক :
ইদ্ৰিছ্ আলি, অধ্যাপক

সম্পাদক :
আমিনুল ইচ্‌লাম

সদস্যবৃন্দ :
ডঃ মহেন্দ্ৰ প্ৰসাদ বৰুৱা, অধ্যাপক
বিচিত্ৰ কুমাৰ মেধি, অধ্যাপক
মতিৰাম মেধি, অধ্যাপক
মণিমুগ্ধ বৰঠাকুৰ, অধ্যাপক
ডিম্বেশ্বৰ বৰুৱা, অধ্যাপক
ঘনকান্ত বৰুৱা, উচ্চ বৰ্গৰ সহায়ক
দিব্যজ্যোতি চহৰীয়া, ছাত্ৰ
নলিনী চহৰীয়া
ইক্ৰামুল হক
কামালুদ্দিন আহমেদ
অৱনী মোহন শৰ্মা
জিন্নাত আৰা বেগম
মঞ্জুৰাণী ডেকা
ৰজ্জব আলি

বেতুপাত শিল্পী : বাবুল কলিতা
অংগ সজ্জা : সম্পাদক
সহযোগী : কটকুৰ ৰহমান

মুদ্ৰণ : ৰূপালীম পেপাৰ কনভাৰ্চন
ৰ্‌কচ, মঙলদৈ ।

# কৃতজ্ঞতা স্বীকাৰ

☐ কম সময়ৰ ভিতৰতে আলোচনীখনৰ বাবে এটি মূল্যবান প্ৰবন্ধ লিখি আমাক উৎসাহিত কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীনন্দিতা শৰ্মাৰ ওচৰত কৃতজ্ঞতাৰ পাশত আৱদ্ধ থাকিলো ।

☐ তত্বাবধায়ক অধ্যাপক মঃ ইদ্ৰিছ্ আলি, ডিম্বেশ্বৰ বৰুৱা, প্ৰনৱ শৰ্মা, খগেন নাথ, পৰেশ শৰ্মা, বিচিত্ৰ কুমাৰ মেধি, মতিৰাম মেধি, মনিমুগ্ধ বৰঠাকুৰ, ৰুনজুন দেৱী, মৈত্ৰেয়ী শৰ্মা, আছিৰউদ্দিন, ভূপেন হালৈ, আমানুল হক, উষা বৰা আদি শিক্ষাগুৰুসকল আৰু গ্ৰন্থাগাৰীক জেহিৰ আহমেদৰ দিহা-পৰামৰ্শ সদায়েই মনত থাকিব ।

☐ মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী আৰু ৰূপালীম প্ৰেছৰ কৰ্মকৰ্ত্তাসকল ।

☐ যিসকলৰ লিখনীৰে সমৃদ্ধ হ'ল এই সংখ্যা আলোচনী ; সেই সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

☐ সাংবাদিক বন্ধু শ্ৰীৰাজেন হাজৰিকা আৰু মুকুট শৰ্মাৰ সহায়-সহযোগৰ কথা বাৰু নকৰেই ।

☐ তদুপৰি মনত ৰাখিব লাগিব :

জিলা ছাত্ৰ সন্থাৰ সভাপতি কন্দৰ্প কলিতা, সম্পাদক দিগন্তমণি বৰা, মঙ্গলদৈ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি হৰেণ ডেকা প্ৰমূখ্যে ঈতুল, মদন, কেশৱ, মইজুদ্দিন লগতে মহাবিদ্যালয় ছাত্ৰ বন্ধু— আনিচ, আচাছুল্লা, উমেশ, প্ৰশান্ত, ৰবিন্দ্ৰ, ভট্ট, আফতাব, ফাইজুৰ, তৰুাজুল, জাকীৰ, আব্দুল হামিদ, খালেক, আব্দুল কৰিম, মিছুল, জয়ন্ত, ৰাহুল, মোজাহিদ, মাহমুদ, গনেশ, গৌতম, সুবিজিৎ, চিৰাজ, বসন্ত, ইমদা, ইনামুল, তাজমুৰ, মোজামিল, কুশল, চৰিফুল আৰু তজামুলক । ছাত্ৰী বান্ধৱী— মঞ্জু, মঞ্জুলা, অনামিকা, পাৰ্বিন, ৰবিতা, ৰাজুআৰা, জেচ্‌মিন মিৰ্জা, জ্যোতিমা, ইনোৱাৰা, তুলু, নাচিমা, চেমিমা, হাস্নাআৰা চৰিফুন, এলিজা, ফজলুল ৰহমান, আৰু চামচুল হুদাক ।

☐ পাহৰিব নোৱাৰো :

বিভিন্ন দিশত পৰামৰ্শ দিয়া বাইদেউ আলম আৰা, বান্ধৱী ফৰিদা ইয়াচমিন ( মৰমী ) শিক্ষাগুৰু কোশেশ্বৰ ৰাজবংশী, ৰকতুল, আনোৱাৰ, বাবুল কলিতা আৰু ফজলুল দাক ।

☐ সৰ্বশেষত : যিসকল ছাত্ৰ-ছাত্ৰীয়ে আলোচনী বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচনত জয়-যুক্ত কৰিলে, সেই সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

— সম্পাদক

জননীৰ বীৰ সন্তানসকলক

শ্ৰদ্ধাৰে সোঁৱৰিছোঁ ঃ




"ছহিদ প্ৰণামো তোমাক
লুইতৰ পাৰৰে তুমি ডেকা ল'ৰা
তুমিয়েতো বুকু পাতি দিলা
ভাবতীৰ নুমলি জীক বচাবলৈ
তুমিয়েতো মৃত্যু বৰিলা।"

# "অশ্ৰু – অঞ্জলি"

"মৃত্যুও কেতিয়াবা অসহজ সংবাদ
ঘন কুঁৱলীয়ে ঢকা কলিজাহীন আকাশ"



ছাত্ৰ : ॰মহেশ শৰ্মা
মৃত্যু : ইং ২৯-৩-৯৩



ছাত্ৰ : ॰বাহাৰুল ইচলাম
মৃত্যু : ইং ২৭-১-৯৩



ছাত্ৰ : ॰ [illegible] ৰেজ্জাক
মৃত্যু : ইং ৭-৬-৯৩



ছাত্ৰ : ॰ ইচলাম আলি
মৃত্যু : ইং ১৭-৩-৯৩



ছাত্ৰ : ॰মুনীন্দ্ৰ ডেকা
মৃত্যু : ইং ১-৩-৯৩

আমাৰ মাজৰ পৰা হঠাতে অনন্ত ধামলৈ গতি কৰা এইসকল মহাবিদ্যালয়ৰ ছাত্ৰলৈ আমাৰ অশ্ৰু-অঞ্জলি নিবেদিছোঁ। লগতে যোৱা বছৰটোত দেশ আৰু বিদেশৰ যিসকল মহান ব্যক্তি আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি গ'ল সেইসকলৰ পবিত্ৰ আত্মাক আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

সম্পাদনা সমিতি

# তত্ত্বাৱধায়কৰ একলম

এটা স্তৰত '৯২-৯৩' বৰ্ষৰ মঙলদৈ মহাবিদ্যালয় আলোচনীখনে পোহৰৰ মুখ দেখাৰ সম্ভাৱনাকনো নসাৎ হৈ গৈছিল। তাৰ মূল কাৰণ আছিল পুঁজিৰ নাটনি। আলোচনীৰ বাবে সংগৃহীত ধনেৰে এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰাটো বৰ্ত্তমান সময়ত প্ৰায় সম্ভাব্যাতীত হৈ উঠিছে। কিন্তু সম্পাদক আমিনুল ইছলামৰ লগতে মঙলদৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক নলিনী চহৰীয়া প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সদস্যবৃন্দৰ একান্ত আগ্ৰহ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত শিৱ শৰ্মা দেৱৰ সস্নেহ সহযোগিতাৰ ফলতে অনুষ্টুপীয়াকৈ হলেও আলোচনীখন ছপাই উলিওৱাটো সম্ভৱ হৈ উঠিল। 'ৰূপালীম' ছপাশালৰ স্বত্বাধিকাৰ ফজলুল হক শইকীয়ায়ো নূন্যতম ছপাখৰচৰ বিনিময়তে আলোচনীখন মুদ্ৰণৰ দায়িত্ব গ্ৰহণ কৰি সহায়ৰ হাত আগবঢ়ালে। বিদ্যুৎ যোগানৰ শোচনীয় অৱস্থাই মুখ্যতঃ ছপা কাৰ্য্যৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰাৰ ফলতে আলোচনীখন সংশ্লিষ্টসকলৰ হাতত তুলি দিয়াত অনিচ্ছাকৃতভাৱে বিলম্ব ঘটিল। সেইবাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

বিকণ পুঁজিৰে আলোচনীখন ছপোৱাৰ সিদ্ধান্ত লোৱা হৈছে তাৰে এখন উৎকৃষ্ট মানৰ আলোচনী উলিওৱাটো সম্ভৱ নহয়। তাতে যেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা যথেষ্ট সংখ্যক সুলিখিত প্ৰবন্ধ-পাতিও পোৱা নাযায় আলোচনী এখনৰ মানদণ্ড ৰক্ষা কৰাটো দুঃসাধ্য হৈ পৰে। পুঁজি আৰু লেখনী দুয়োবিধৰে দৈন্য এইবাৰৰ আলোচনীখনৰ বাহ্যিক অবয়ব আৰু পাঠ্যবস্তুত পাঠকে সহজে অনুধাৱন কৰিব পাৰিব। পুজিবৃদ্ধিৰ বাবে কোনো ফলপ্ৰসূ ব্যৱস্থা নহয় মানে, আনহাতে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মানদণ্ড বিশিষ্ট লেখনী পোৱা নাযায় মানে আলোচনীখন চমকপ্ৰদ কৰাৰ বাবে সম্পাদনা সমিতিৰ হাতত কোনো উপায় নাই। সেয়ে এই সুযোগতে দুয়োটা দিশৰ প্ৰতি সংশ্লিষ্ট সকলোৰে মনোযোগ আকৰ্ষণ কৰিলোঁ।

মহাবিদ্যালয় আলোচনীখন শিক্ষানুষ্ঠানখনৰ দাপোন স্বৰূপ। মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ আদৰ্শ মন্দিৰ। ইয়াৰ সকলো আদৰ্শনীয় দিশ ইয়াৰ পাতে পাতে প্ৰতিবিম্বিত হোৱাটো বাঞ্ছনীয়। আশা কৰো আগত দিনৰ সম্পাদনা সমিতি সমূহে তাকে কৰিবলৈ দৃঢ়পৰিকৰ হব!

ইদ্ৰিছ আলি

তত্ত্বাৱধায়ক অধ্যাপক

## সূচীপত্ৰ

সম্পাদকীয়—

* প্ৰবন্ধ *

চৌধাৰীৰ কবিতাত নৰন্যাস : মিছ্ ৰব্বানী ছাহজাদী বেগম ॥ ১ ॥ আধুনিক নাটকৰ জন্মদাতা হেন্ৰিক ইব্‌চেন : শ্ৰীঅৱনী মোহন শৰ্মা ॥ ৪ ॥ কুৰিশতিকাৰ ভয়াবহতা এইড্‌ছ্ : মঃ আব্দুল জেলিল ॥ ৬ ॥ মহাবিদ্যালয় পুথিভঁড়াল সমস্যা আৰু সমাধান : শ্ৰীমহেশ্বৰ শৰ্মা এম-এ ॥ ৮ ॥ অসমীয়া কৃষ্টিত ডাক বচনৰ প্ৰাসঙ্গিকতা : শ্ৰীমতিৰাম মেধি ॥ ১১ ॥ প্ৰদূষণ ৰোধত উদ্ভিদৰ ভূমিকা : শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা ॥ ১৪ ॥ শিলত কটা গুহা এলিফেন্টা : শ্ৰীহেমন্ত কুমাৰ বৰুৱা ॥ ১৮ ॥ পাথৰিঘাটৰ কথা : আব্দুল মজিদ ॥ ১৯ ॥

* কবিতা *

বেদনা : মঃ আছাদ আলি ॥ ২১ ॥ কবিতা : মহাদেৱ নাথ ॥ ২১ ॥ স্বপ্ন ব'হাগ : মিছ্ বিনীতা শৰ্মা ॥ ২১ ॥ নিকা দাপোন : সবিতা দেবী ॥ ২১ ॥ শীতৰ সন্ধ্যা : দীপিকা শৰ্মা ॥ ২১ ॥ এখন চিঠি : শ্ৰীপ্ৰাঞ্জল কলিতা ॥ ২২ ॥ চেতনাৰ প্ৰদীপ্ত সূৰ্য্যা : শ্ৰীদুৰ্গামোহন দাস ॥ ২২ ॥ অপেক্ষা : শ্ৰীদীপাঞ্জলী ডেকা ॥ ২২ ॥ প্ৰহেলিকা : শ্ৰীনিৰুপমা ডেকা ॥ ২৩ ॥ দৃঢ় সংকল্প : মুনু নাথ ॥ ২৩ ॥ উপেক্ষিতা : শ্ৰীঅঞ্জুমনি দেবী ॥ ২৩ ॥ মই কবি মই কবিতা : মঃ আলিমস্তাফা ( ৰাজপুত ) ॥ ২৩ ॥ ইজ্জত হানি নহয় : ফাগুনী যাদব ॥ ২৪ ॥ মুক্তিৰ প্ৰতীক্ষাত : বাবুল কলিতা ॥ ২৪ ॥ ৰাজপথত ৰিঙিয়াই : কুমাৰী শকুন্তলা গোস্বামী ॥ ২৪ ॥ প্ৰেমিকালৈ : প্ৰফুল্ল বৰুৱা ॥ ২৫ ॥ অকলশৰীয়া : মিছ্ পাৰবিন চুলতানা ॥ ২৫ ॥ সেউজী সন্তানৰ চকুলো : চক্ৰধৰ ডেকা ॥ ২৬ ॥ প্ৰাণৰ বতৰা : চৰিফুল ইচ্‌লাম ॥ ২৬ ॥ ভগা ডেউকা : মিচ্ তুলুমণি শৰ্মা ॥ ২৬ ॥ নাম মোৰ বিপ্লৱ : প্ৰসান্ত বেজবৰুৱা ॥ ২৭ ॥ ছুটি প্ৰেমৰ স্তৱক : টংকেশ্বৰ বৰুৱা ॥ ২৭ ॥ নুবুজা মনৰ সপোন : মঃ ফাৰুক আজ্জিজ ॥ ২৮ ॥ চিৰসুন্দৰ বহাগ : শ্ৰীৰবীন্দ্ৰ চহৰীয়া ॥ ২৮ ॥ স্বাধীনতা : নীলকান্ত বৰুৱা ॥ ২৮ ॥ বিচাৰি ফুৰিছোঁ : কৰুণা কান্ত শৰ্মা ॥ ২৮ ॥ প্ৰেম আৰু মৃত্যুৰে : ইদ্ৰিছ আলি ॥ ২৯ ॥ হৃদয়খন ক'ত থম : ডিম্বেশ্বৰ বৰুৱা ॥ ২৯ ॥ হাঁহিবলৈ দিয়া মোক : শ্ৰীদীপালি বৰুৱা ॥ ৩০ ॥

* গল্প *

বন্ধু যেতিয়া সাংবাদিক : শ্ৰীৰঞ্জন দাস ॥ ৩১ ॥ ভাগ্যৰ সপোন : চুকমান আহমেদ ॥ ৩৫ ॥ প্ৰায়চিত্ত : শ্ৰীজ্যোতি কুমাৰ নাথ ॥ ৩৭ ॥ এপাত হালধীয়া থাৰু : শ্ৰীপ্ৰসান্ত বৰুৱা ॥ ৪১ ॥ শেৱালীৰ সুবাস : মঃ তাজনুৰ খণ্ডকৰ ॥ ৪৩ ॥ নাখাওঁ নাখাওঁ নকৰো : শ্ৰীৰাজ শংকৰ ভূঞা ॥ ৪৬ ॥ আত্মহত্যা নে আত্মত্যাগ : শ্ৰীবৱিতা কুমাৰী মাজু ডেকা ॥ ৪৯ ॥

ছাত্ৰ একতা সভাৰ বিষয় ববীয়াৰ সংক্ষিপ্ত খতিয়ান ॥ ৫৩ ॥

ENGLISH SECTION :

Article :

Higher Education in Assam : Dr. Nandita Sarma ॥ 1 ॥

Powe from the Elements : Faizuddin Aahmed ॥ 8 ॥

Poems :

Native Land : Mahananda Barua ॥ 10 ॥ Innate love : Mina Ram Deka ॥ 10 ॥

Reflexion : G. Saikia ॥ 10 ॥

# সম্পাদকীয়

বৰ্ত্তমান যুগ যান্ত্ৰিক সভ্যতাৰ যুগ। আমি কুৰি শতিকা অতিক্ৰম কৰি একবিংশ শতিকাৰ দুৱাৰ দলিত উপস্থিত হওঁ হওঁ। কিন্তু মিচিছিপিৰ পৰা ভল্গা হোৱাংহোৰ পৰা মোৰ ব্ৰহ্মপুত্ৰৰ পাৰলৈ যেনিয়ে চাওঁ কুণ্ডলী পকাই উৰে বিষ বাষ্প। মন্দিৰ মছজিদৰ ভেক্কিবাজিয়ে উত্তপ্ত কৰি ৰাখিছে প্ৰতিটো মুহূৰ্ত্ত। এতিয়া যেনিয়ে চাওঁ মাথোঁ হত্যা, লুণ্ঠন, ধৰ্ষণ ইত্যাদি ইত্যাদি। তেজতেই ডুবি আছে প্ৰতিটো পল অনুপল। চৰকাৰী আৰু বেচৰকাৰী সন্ত্ৰাসবাদে জৰ্জৰিত কৰিছে মোৰ অসম ভূমি। শান্তি ৰক্ষাৰ নামত চলিছে নিবিচাৰে হত্যা, লুণ্ঠন, ধৰ্ষণ .........। হত্যা কৰা হৈছে নিৰ্দোষী যুৱকক। আৰু বাতৰি কাকতত পৃষ্ঠা ভৰাই বিবৃত্তি দিয়া হৈছে, দূৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ গুলীয়া গুলীত মৃত্যু হ'ল। কিন্তু হত্যাই জানো সমস্যাৰ সমাধান আনে? কত আছে এনে উদাহৰণ! এইবোৰ দেখি শুনি কলমৰ গতি স্তব্ধ হৈ যাব বিচাৰে। তথাপি আমি বিচাৰো শান্তি; হত্যা নহয়, স্থায়ী সামাধান। আমি বিচাৰিছো প্ৰাপ্য অধিকাৰ। আমি বিচৰা নাই গণতন্ত্ৰৰ নামত কাৰচাজি।

সম্পাদকীয় দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছতেই অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি আমাৰ বিভাগৰ পৰা এখনি স্ব-ৰচিত কৱিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। ৭২ জন প্ৰতিযোগীৰ যোগদানেৰে প্ৰতিযোগিতাখন বেছ সাফল্য মণ্ডিত হৈছিল।

এটা জাতিৰ কলা সংস্কৃতি; ৰুচি, অভিৰুচি আদিৰ প্ৰকাশ ঘটে সাহিত্যৰ যোগেদি। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ সাহিত্য সৃষ্টিৰ অন্যতম কাৰখানা হ'ল মহা-বিদ্যালয়ৰ আলোচনী খন। এখন সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশৰ হেঁপাহ প্ৰতি গৰাকী সম্পাদকৰে থাকে। কিন্তু এই হেঁপাহ মনতে মাৰ যায় বিভিন্ন কাৰকে যেতিয়া ক্ৰিয়া কৰে। মূলত আৰ্থিক সংকতেই মনত জীপ দি ৰখা আশাবোৰ ধূলিসাৎ কৰি দিয়ে। এখন সুন্দৰ আলোচনী প্ৰকাশৰ প্ৰবল হেঁপাহ মোৰ হৃদয়তো জীয়াই ৰাখিছিলো। কিন্তু মাত্ৰ ৪০,০১২ টকাৰে এখন আলোচনী ছপাই উলিওৱাটো দুঃসাধ্য মাথোন। এই পুঁজিৰ পৰা ২,৭০০ টকা বিভাগীয় যাবতীয় কামৰ বাবে খৰচ কৰা হয়। প্ৰায় ৬০০০ হেজাৰ টকা আলোচনী বিভাগৰ পৰা নি অন্য শিতানত খৰচ কৰে। গতিকে বাকী থকা মাত্ৰ ( ৩১,৫০০'০০ ) টকাৰে, ইয়াতোকৈ সুন্দৰ আৰু বৰ্দ্ধিত কলেৱৰৰ আলোচনী এখন আশা কৰিব পাৰি জানো?

এইখিনিতে উল্লেখ কৰি থোৱাটো ভাল হব যে অভাৱনীয় অৰ্থনৈতিক সংকটৰ গৰাহত পৰি এই সংখ্যা আলোচনী বন্ধ হোৱাৰেই উপক্ৰম হৈছিল। কিন্তু মাননীয় তত্বাবধায়ক মঃ ইদ্ৰিছ্ আলি ছাৰ আৰু বন্ধুবৰ ছাত্ৰ একতা সভাৰ উপসভাপতি শ্ৰীদিব্যজ্যোতি চহৰীয়া, মাননীয় অধ্যাপক খগেন নাথ, প্ৰনৱ শৰ্মাৰ উপদেশ আৰু পৰামৰ্শতহে অন্ততঃ এইখিনি লিখাৰ অৱকাশ পালো।

তথাপি সকলো সমস্যা পৰিহাৰ কৰি আপোনালোক সকলোৰে হাতত তুলি দিবলৈ বিচাৰিছোঁ মহাবিদ্যালয়ৰ মুখপত্ৰখনি। ২৩/১০/৯৩ তাৰিখৰ আলোচনী সম্পাদনা সমিতিৰ সিদ্ধান্ত মৰ্মে আলোচনীখনৰ স্বকীয়া নামকৰণৰ বাবে বিভিন্ন প্ৰক্ৰিয়াৰে আগবাঢ়িও অৱশেষত সাধাৰণ সভাৰ থুল নোহোৱাত আৰু অন্যান্য খেলি মেলিৰ বাবে এই বাৰলৈ স্বকীয়া নামকৰণ সম্ভৱ নহ'ল।

বৰ্ত্তমান অসমৰ চুকেকোণে সঘনাই উচ্চাৰিত শব্দটি হ'ল সাম্প্ৰতিক যুৱ মানসিকতা। এইটো অনস্বীকাৰ্য্য যে সাম্প্ৰতিক যুৱ মানসিকতা অধঃপতনে গৈছে। মদ ভাংৰ উপৰিও ড্ৰাগছৰ দৰে ভয়াবহ মাদক দ্ৰব্যই চানি পেলাইছে অসম ভূমি। মৃত্যুৱেই যেন সেই সকলৰ বাবে স্বৰ্গ। কলুষিত কৰিছে সমাজ আৰু দেশ। দাদাগিৰি আৰু তথাকথিত দমৰ পয়োভৰত ভাল নাগৰিক চলাই টান হৈ পৰিছে। মুঠতে বৰ্ত্তমান অসমীয়া সমাজখনক কলুষিত কৰিছে এটা বিশেষ চামে। মৃত্যু যেন এটা সহজ গান। সাহিত্য সংস্কৃতিৰ বহল পথাৰখনো সেমেকাই তুলিছে, ভয়াবহ মৌনতাই। মনে মনে থাকিব পৰাটোৱেই যেন বাস্তৱ ধৰ্ম; জীয়াই থকাৰ সেন্দুৰীয়া আলি। কিন্তু পাহৰি গলে নহব যে; আমাৰ এই যুৱ শক্তি এক মহান শক্তি। যি শক্তিয়ে মুহূৰ্ত্তৰ ভিতৰতে গোটেই পৃথিৱীত আমূল পৰিবৰ্ত্তন আনি দিব পাৰে। সেয়ে আজি এই মুকলি আহ্বান—নতুন পুৰুষলৈ; আহা আমি সকলোৱে সৃষ্টিৰ কামত হাত দি আগবাঢ়োঁ ভৱিষ্যতলৈ। আগবাঢ়ি আহা সকলো, আমাৰ মাজত ভাঙোন আনিব পৰা শক্তি বোৰক ধ্বংস কৰোঁ। সমগ্ৰ দেশৰ আৰ্ত জনগণৰ চিঞৰ, চবকাৰী বলীয়া ঘোঁৰাৰ পদ শব্দ আৰু বাধাহীন বন্দুকৰ গুলীয়ে তোমাক পথভ্ৰষ্ট কৰিব পাৰে। কিন্তু হতাশ নহবা বন্ধু। পৃথিৱীৰ সমগ্ৰ মেহনতি জনতাৰ মুখত এটি মনালীছাৰ হাঁহি বিৰিঙাই উঠাবলৈ আমিয়েই কঢ়িয়াই আনিব লাগিব সুন্দৰতকৈয়ো সুন্দৰতম এটি নতুন জীৱনৰ প্ৰতিশ্ৰুতি।

এইখন শংকৰ আজানৰ দেশ য'ত সিপাৰত বাজে মন্দিৰৰ শংখধ্বনি, ইপাৰৰ মছজিদত বাজে আজানৰ সুৰ। ইয়াত ভেদাভেদ নাই। আমি এক মানুহ। মানুহৰ জাতি দুটাতকৈ বেছি নহয়। এটা খাবলৈ নোপোৱাৰ দল, আনটো ধনী মহাজন, জমিদাৰৰ দল।

নতুন পুৰুষলৈ স্বাগতম জনাই মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ। ইতি—

ছাত্ৰ ঐক্য জিন্দাবাদ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়।

শ্ৰদ্ধাৰে—

মঃ আমিনুল ইচলাম

সম্পাদক, আলোচনী বিভাগ

বিঃ দ্ৰঃ—৺আব্দুল ৰেজ্জাকে যি প্ৰতিটো কামত সহায়ৰ হাত আগবঢ়াইছিল; সহায় কৰিছিল আলোচনী বিভাগৰ সদস্যৰ দায়িত্ব ভাৰ লৈ। আজি তেওঁক সজল নয়নেৰে সুঁৱৰিছোঁ।

# চৌধাৰীৰ কবিতাত নৱন্যাস

মিছ্ ৰব্বানী ছাহজাদী বেগম
স্নাতক ২য় বাৰ্ষিক ( কলা শাখা )

প্ৰকৃতি ৰাজ্যত নিৰ্দ্দিষ্ট সময়ৰ মূৰে মূৰে ঋতু পৰিবৰ্ত্তন হোৱাৰ দৰে মানৱ পুষ্ট সমাজৰ সকলো অংগলৈও মাজে মাজে পৰিবৰ্ত্তনৰ ঢৌ আহে। আনহাতে ঋতু পৰিবৰ্ত্তনৰ লগে লগে ফুল-পাতৰ সলনি হয় যদিও গা-গছ অপৰিবৰ্ত্তনীয় হৈ থকাৰ দৰে সু-সঙ্গত সু-সংবদ্ধ সমাজ ব্যৱস্থাই কালৰ পৰিবৰ্ত্তন সমূহ আকোঁৱালি লয় যদিও কালৰ সোঁতত উটি ভাঁহি নাযায়। অসমীয়া সাহিত্য জগতৰ কৰ্ণধাৰ ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰ নাথ দুৱৰা আদি হাড়ে হিমজুৱে অসমীয়া সকলে Words-worth, Keats, Shelly আদি বিশ্ব বিখ্যাত কবি সকলৰ সংস্পৰ্শত আমাৰ জাতীয় জীৱনৰ কলা-কৃষ্টি, সাহিত্য সংগীত আদিত পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱ পেলায় আৰু এই সন্দৰ্ভত গঢ় লৈ উঠা ৰোমান্টিক ভাৱ ৰাশিৰে অসমীয়া সাহিত্যত পাশ্চাত্যৰ বোল সানি এক নতুন যুগৰ সূচনা কৰিলে।

ৰঘুনাথ চৌধাৰীদেৱ ৰোমান্টিক যুগৰ এগৰাকী খ্যাতনামা কবি। তেওঁক দিয়া বিহগী প্ৰকৃতি কবি আদি আখ্যা সমূহে কবিৰ একো একোটি স্বকীয় বৈশিষ্ট্যৰ পৰিচয় দাঙি ধৰে। চৰাই আৰু ফুল আছিল তেওঁৰ বুকুৰ কলিজা। কুলি কেতেকীৰ মাত শুনাৰ লগে লগে গোলাপ, গিৰিমল্লিকা দেখা লগে লগে পাঠকৰ অন্তৰত তেওঁৰ কবিতাৰ পদে দোলনি দিয়ে।

"কাৰ পৰশত ফুলিলি বাঁদ্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহি।
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি।"

চৌধাৰী দেৱে প্ৰকৃতিৰ যি বিষয়তে হাত ফুৰাইছে, সেয়ে পাঠকৰ মানস পটত সাঁচ বহুৱাইছে। ডঃ জনছনে গোল্ডস্মিথৰ কবিতা পঢ়ি কৈছিল "whatever he has touched, he adorned"। চৌধাৰীদেৱো ইয়াৰ ব্যতিক্ৰম নহয়। অসমীয়া কাব্য ফুলনিত তেওঁ জীৱন্ত ফুল ৰচনা কৰিছিল। ফুল আৰু চৰাইৰ লগত কবিৰ আত্মীয়তা আছিল নিবিড়। ফুলৰ ৰূপ আছে, চৰাই সুৰ আছে। সেই সুৰে কবিক অধীৰ কৰি তুলিছিল। সেয়ে keats ৰ কাপৰ পৰা নিগৰিত হৈছিল "Odd to a nightingle' ৰ "Thou Was not born for death immortal bird, ফুল, চৰাই, প্ৰকৃতি আৰু শিশু কবিৰ

এক ব্যাপক অনুভূতিৰ অন্তৰ্গত বিষয়। সেয়ে হ'ল ৰোমান্টিক অনুভূতি। ঊনবিংশ শতিকাৰ ইউৰোপীয় সাহিত্যত এই অনুভূতিয়ে বিশেষকৈ প্ৰসাৰ লাভ কৰিছিল। ৰোমান্টিক অনুভূতিৰ মূল উৎস আছিল বিপ্লৱ। মানুহৰ মনৰ সংৰক্ষনশীল মনোবৃত্তি আৰু এনেকুৱা সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যি বিক্ষোভ আৰু বিদ্ৰোহৰ ভাৱ জাগি উঠিছিল, সিয়ে সেই যুগৰ সাহিত্যত মুক্তি লাভ কৰিছিল। এয়ে ৰোমান্টিক সাহিত্য। ৰোমান্টিচিজিম ( Romanticism ) ৰ গুৰু আছিল ফৰাছী দাৰ্শনিক জিন্‌জেক্ ছ ৰুছো। তেওঁৰ ৰচিত গ্ৰন্থ 'কনট্ৰাক্ট চোচিয়েল, এমিল' 'নিউ হেলহ'চ,' কনফেছন আদি নৱ জাগৰণৰ বাইবেল আছিল।

ৰুছোৰ ভাৱধাৰা অনুসৰণ কৰি ইংৰাজ কবি ৱৰ্ডছৱৰ্থে নানা তৰহৰ প্ৰকৃতি বিষয়ক কবিতা লিখি উলিয়ালে। তেওঁৰ কবিতাত এক সহজ সৰল জীৱনৰ আকাঙ্খা ফুটি উঠিছিল আৰু জীৱন সম্বন্ধে ৰুছোৰ 'এমিল' গ্ৰন্থৰ আৰ্হিত Lucy ৰচনা কৰিছিল। 'জনকোলাহলৰ আঁতৰত শান্তি সুৰমাৰ মাজত আলফুলকৈ বাঢ়ি অহা লুচি হ'ল কবিৰ প্ৰাণৰ দয়িতা—

'A violet by a mossy stone
Half hidden from the eye,
Fair as a star when only one
Is shining in the sky,

সুনীল গগনৰ অকলশৰীয়া তৰাৰ দৰে শেলুবৈ শিলনিৰ বুকুত লুচিৰ এক উজ্জ্বল আৰু মধুৰ জীৱন। প্ৰকৃতি জীয়ৰী Lucy কিহৰ গুণত সৰ্ব্বগুণ সম্পন্ন হৈ উঠিছিল তাৰ অনুপম বৰ্ণনা Education of Nature কবিতাত আছে। নিজৰ সক্ৰিয় অনুভূতি সমূহ পৰিচালনা কৰি লুচিয়ে মুকলি জীৱন যাপন কৰিছিল। প্ৰকৃতি আয়ে যেন তেওঁৰ 'মৰমৰ বাছাক' আপোন মনে সকলো শিক্ষা দিছিল। হৰিণাৰ নাচোনৰ লয়লাস, নিজৰাৰ উদাত্ত সুৰ, তৰালিৰ উন্মুক্ত জীৱন, মেঘালীৰ মধুৰ মূৰ্চ্ছনা এই সকলোৱে লুচিৰ শিক্ষাৰ বাহন। প্ৰকৃতিয়ে লুচিৰ জীৱনৰ প্ৰেৰণা আৰু নিয়ন্ত্ৰণ (Law & impulse)। ৰুছো আৰু ৱৰ্ডচৱৰ্থৰ প্ৰকৃতিপ্ৰীতি ৰোমান্টিক কবিতাৰ এক বিশিষ্ট অঙ্গ। চৌধাৰীৰ কবিতাতো প্ৰকৃতিৰ অপৰূপ দৃশ্যই তেওঁক আপোন পাহৰা কৰা পৰিলক্ষিত হয়—

"মোহন মূৰতিখনি প্ৰাণভৰি চাওঁ
চকুৰ নপৰে ছেদ তৰা লাগি ৰওঁ।"

তেওঁৰ সাদৰী, কেতেকী আৰু দহিকতৰা আদি কবিতাত কবিৰ নৈসৰ্গত হোৱা স্বতঃস্ফূৰ্ত আবেগৰ ঢৌ। চিৰকুমাৰ চৌধাৰী দেৱে আজীৱন প্ৰকৃতিৰ বেহুৰূপ চাই কৰি আৰু প্ৰকৃতিৰ মাজত প্ৰেমিক প্ৰেমিকাৰ সম্বন্ধ গঢ়ি তুলিছে। তেওঁৰ কবিতা সমূহ প্ৰিয় বিহঙ্গিনীলৈ লিখা ধৰণৰ প্ৰেমপত্ৰ—

'ই জীৱনে নেপাওঁ সি সুখ
মিলন মাধুৰী পাব।'

Wordsworth ৰ কবিতাত গ্ৰাচামিয়াৰ, ডাভডেলৰ বা বতাহৰ উমান পোৱাৰ নিচিনা বৰ্ণনাত ৰঘু চৌধাৰীও জাতে পাতে অসমীয়া। চৌধাৰীৰ কবিতাত অসমৰ কেঁচা মাটিৰ গোন্ধ আছে যত কেতেকীৰ মাতত পিপিনী বোৱাৰীৰ হাতৰ মাকো হাততে ৰয়, জীয়ৰী ছোৱালীৰ যঁতৰৰ মহুৰা যঁতৰতে থাকে। তেওঁৰ বসন্ত বন্দনাত মন্দিৰৰ উপেক্ষিত ৰবাৰ ফুলেও নিজৰ সামান্য পৰিমল যাঁচি দিয়ে, তেওঁৰ বহাগী ছোৱালীক ময়ূৰ গোমচেং মেখেলা পিন্ধায়, ৰচকী পখীলাই বিহাত বুটা তুলি দিয়ে।

ৱৰ্ডচ ৱৰ্থে প্ৰকৃতি ৰূপ বৰ্ণনাক ভাৱৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছিল; যাৰ সংস্পৰ্শত তেওঁ পাইছিল পাৰমাৰ্থিক সত্তা। কিন্তু চৌধাৰীৰ প্ৰকৃতি বৰ্ণনাত এনে পৰম সত্তাৰ বিপৰিতে ৰূপৰ পূজাহে কৰিছে। কীটচৰ নিচিনা তেওঁৰ ৰূপৰ অতীত বেদনা কথাৰে সত্যতা নাই। "What imagination sizes as beauty must be truth." সত্যই সুন্দৰ ; সুন্দৰেই সত্য। A thing of beauty is a joy forever.

'সুন্দৰৰ আৰাধনা জীৱনৰ খেলা। 'সত্যম্ শিৱম্ সুন্দৰমৰ ৰূপপিয়াসী কবিসকলৰ এয়ে জীৱন দৰ্শণ।

সৌন্দৰ্য্যৰ আকৰ্ষণ ৰোমাণ্টিক কবিতাৰ এক বিশেষ লক্ষণ। যুক্তিবাদ তেওঁলোকৰ ঘোৰ পৰিপন্থী। কীট্‌চে কৈছিল— নিউটনে ৰামধেনুৰ ওপৰত কাড় মাৰিছে। সৌন্দৰ্য্যৰ কাঁড় অপূৰ্ব্ব চানেকীৰ আকাৰ এই ৰামধেনু। পদাৰ্থ বিজ্ঞানৰ হাতত ই অপদাৰ্থ বিষয় হৈ পৰিল। এই যুক্তিত সৌন্দৰ্য্যৰ আত্মাই ধৰা নিদিয়ে। উদ্ভিদ তত্বজ্ঞ সকলে উদ্ভিদৰ ৰূপ কাটি ছিঙি টুকুৰা টুকুৰ কৰে। সেয়ে ৰোমাণ্টিক কবি সকলে দিঠক নেওঁচি কল্প লোকৰ গজদন্ত মিনাৰত বাস কৰিব বিচাৰে

"Ever let the fancy Rome
Pleasure never is at home.
— Keats

চৌধাৰীও তেনে এক কল্পলোকৰ অধিবাসী। আশৈশৱ মাতৃহীন কবিয়ে এনে এখন সুন্দৰ ৰাজ্য কল্পনা কৰে য'ত তেওঁৰ পুন্যশীলা মাতৃদেৱীয়ে চিৰকাল বিচৰণ কৰি আছে। তেওঁৰ ধাৰণাত চিৰ শান্তি ধাম তেওঁৰ হাতৰ লাখুটি ডালৰ দৰেই সচাঁ।

কবি চৌধাৰী প্ৰেমৰ পূজাৰী, সৌন্দৰ্য্যৰ উপাসক, তেওঁ দেখে সৌন্দৰ্য্যৰ দিব্য আভৰণ আৰু বিচাৰে হিয়া ভৰা অকপট প্ৰেম। প্ৰকৃতিৰ বুকুত সৌন্দৰ্য্যৰ কণিকাবোৰ ভাঁহি ফুৰিছে। সৌন্দৰ্য্যৰ মহামেলা চাই কবিৰ অন্তৰ আনন্দত অধীৰ হৈ পৰিছে। তেওঁ যেন এই আনন্দ সাগৰত চিৰকাল সাতুৰি নাছুৰি থাকিব। 'হেপাহ' কবিতাটো সকলো সৌন্দৰ্য্য প্ৰেমিকৰ এটি অতি হেঁপাহৰ কৱিতা। গিৰিমল্লিকাতো সেই একে ৰূপ—

> নন্দনৰ ৰূপ জ্যোতি পৰিমল সুধা, কৰি আহৰণ বিশ্ব বিজয়িনী ৰূপে মোহিলা নিতম্ব দেশ বিজন প্ৰান্তৰ।

গিৰিমল্লিকা তেওঁৰ জীৱনৰ চিৰ বাঞ্চিত, চিৰ কল্পিত প্ৰেমনিধি। পূৰ্ণিমাৰ জোনৰ দৰে গোলাপ ফুলৰ ৰূপ লাৱন্যয়ো কৱিক হাত বাউল দি মাতিছে। গোলাপ ফুল সকলো সৌন্দৰ্য্যৰে মূৰ্ত্ত প্ৰকাশ, পৃথিৱীৰ সকলো ৰূপ মাধুৰীৰ আধাৰ। এই ৰূপৰ জোৱাৰে আৰৱ পিয়াৰী বহৰা ৰাণীৰ মুখৰ সৌন্দৰ্য্য বঢ়াই 'বাদচা-হেৰেম' গুলজাৰ কৰিছে। ফুলে ফুলে নিহিত হৈ থকা অপৰূপৰ ৰূপত চৰাইৰ গীতে সোণত সুৰগা চৰায়। ফুল চৰাইৰ ৰূপ আৰু সুৰ সেয়ে কৱিৰ জীৱনৰ দুৰ্ল্লভ মাধুৰী। ৰোমাণ্টিক কৱিৰ কল্পনা বাগীয়ে বাস্তৱৰ অনুভূতি নাশ কৰে। He is in The world ; but not of The world. সংসাৰ তেওঁৰ আলহী ঘৰ, জীৱন তেওঁৰ তীৰ্থ যাত্ৰা, লক্ষ্য তেওঁৰ সৌন্দৰ্য্যৰ পূজা আয়োজন। গুৱাহাটিৰ উপ-কণ্ঠৰ বিজন প্ৰান্তত ব্ৰহ্মপুত্ৰৰ বিৰাট চাপৰিত কৱিয়ে ৰূপ তীৰ্থ তৈয়াৰ কৰিলে। ইয়াতেই পাতিলে বহাগীৰ বিয়া। কৱিৰ কল্পনা কুঁৱৰী 'মানস প্ৰতিমাই গোলাপ গিৰিমল্লিকা কেতেকী দহিকতৰা ৰূপে আত্ম প্ৰকাশ কৰিছিল আৰু ইয়াতে কৱিয়ে জীৱনত হেৰোৱা মাণিক বিচাৰি পাইছিল। প্ৰিয়তমা প্ৰকৃতিৰ আত্মাৰ লগত নিজৰ আত্মাৰ মিলন ঘটাই প্ৰকাশ কৰিছিল পোৱা নোপোৱাৰ সুখ-দুখ হৰ্ষ বিবাদ। অনুভূতিৰ তীব্ৰতা আৰু কল্পনাৰ সাৱলীলতা ৰক্ষা কৰি চৌধাৰী দেৱে ৰচনা কৰা গোলাপ, গিৰিমল্লিকা, বহাগীৰ বিয়া, পুৱতি তৰা, অঞ্জলি, মলয়ৰ পখী, কেতেকী, দহিকতৰা, ফুলশয্যা আদি অসমীয়া কাব্য সাহিত্যৰ গৌৰৱময় অধ্যায়। প্ৰতিটো কৱিতাই অসমীয়া লিৰিক কৱিতাৰ বিতোপন নিদৰ্শন, একো একোটা মৌলিক চিত্ৰ। তেওঁৰ কেতেকী, দহিকতৰা ৰোমাণ্টিক যুগৰ মনোৰম সৃষ্টি।

# আধুনিক নাটকৰ জন্মদাতা হেন্‌ৰিক ইবচেন

শ্ৰীঅৱনী মোহন শৰ্ম্মা
স্নাতক ১ম বাৰ্ষিক ( কলা )

ইউৰোপৰ নাট্য সাহিত্যৰ চৰম অৱনতি ঘটিছিল ঊনবিংশ শতিকাৰ মাজ ভাগত। নিস্প্ৰাণ আৰু নিঃশক্তীয়া হৈ পৰা ইউৰোপীয় নাট্য সাহিত্যৰ এনে অৱস্থাৰ প্ৰকৃত কাৰণ জনা নগলেও এটা কথা কব পাৰি যে মূলতঃ ইয়াৰ নাটসমূহ অতি প্ৰাচীন। গতিকে সেই সময়ৰ প্ৰয়োজন আছিল মানৱ কেন্দ্ৰিক, বাস্তৱ ভিত্তিক, সমাজমুখী নতুন নতুন নাটকৰ। ইংলেণ্ডত কলৰিজ, ব্ৰাউনিং আৰু টেনিচন আদি কবিয়ে নাট্য সৃষ্টিত হাত দিছিল। সেইবোৰ আছিল কাব্য নাট। কাব্য নাট্য সমূহত পুৰণি নাট্য ৰীতিতে নতুন প্ৰাণ সঞ্চাৰ কৰিবলৈ প্ৰয়াস কৰিছিল। কিন্তু তেতিয়াৰ সমাজখনে কামনা কৰিছিল নতুন ভাৱ চিন্তাৰ পৰা নতুন নাটকৰ জন্ম কথা।

ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰে পৰা বৈজ্ঞানিক চিন্তাধাৰাই বাস্তৱতাক নিৰীক্ষণ কৰিবলৈ মানুহক শিকালে। ই এনে এক পদ্ধতি হৈ পৰিল যে অতিশয় সূক্ষ্ম কথা এটাকো পৰ্য্যবেক্ষণৰ দ্বাৰা তন্নতন্নকৈ বিশ্লেষণ কৰিবলৈ ধৰে। আগৰ যুগত মানুহে বিশ্বাসৰ দ্বাৰা পৰিচালিত হৈছিল, কিন্তু বৰ্ত্তমানৰ বৈজ্ঞানিক চিন্তাধাৰাই এই কথা সু-স্পষ্ট ভাবে দেখুৱাই দিলে যে সমস্ত সৃষ্টিক সামগ্ৰিক ভাৱে নকৈ আমি পৃথককৰণ নকৰো, তেতিয়া হলে বাস্তৱতাক প্ৰকৃত ৰূপত পোৱা নহব। বৈজ্ঞানিক চিন্তা প্ৰবাহৰ সমান্তৰাল ভাৱে ইউৰোপত আৰু এবিধ চিন্তাৰ জোৱাৰ সৃষ্টি হ'ল। তেতিয়াই সৃষ্টি হ'ল আধুনিক নাটকৰ। আধুনিক নাটকৰ জন্মদাতা নৰৱেৰ হেন্‌ৰিক ইবচেন। এওঁৰ বাস্তৱবাদী নাট সমূহৰ যোগেদি আধুনিক জগতৰ চিন্তা মানসত এক প্ৰৱল জোকাৰণি সৃষ্টি কৰাৰ উপৰিও নাটকৰ ৰচনা-নীতি নাটকৰ ভাষা আৰু নাট্যমঞ্চৰ কলা কৌশললৈ অভূতপূৰ্ব পৰিবৰ্তন আনে। নতুন চিন্তা, চেতনা সমস্যা আৰু নতুন ভাৱ ধাৰাৰে ইউৰোপৰ মঞ্চ জগতত আলোড়ণ সৃষ্টি কৰা নাট্য সাহিত্য আৰু অভিনয়ৰ ক্ষেত্ৰত ইবচেনে নতুন যুগৰ সূচনা কৰে।

নৰৱেৰ স্কিয়েন চহৰৰ এক উচ্চ মধ্যবিত্ত পৰিয়ালত হেন্‌ৰিক ইবচেনৰ ১৮২৮ খৃঃৰ ২০ মাৰ্চত জন্ম হয়। ১৯৩৬ খৃঃত দেউতাক আৰ্থিক অনাটনত পৰাত ইবচেনৰ দুখৰ শৈশৱ আৰম্ভ হয়। এইদৰে তেওঁ জীৱনৰ অধিক অংশ কাল দৰিদ্ৰতাৰ মাজতে কটায়। ইবচেনৰ জীৱন আছিল আৰ্থিক অনাটন আৰু সাহিত্যিক ব্যৰ্থতাৰে ভৰপূৰ। সেয়ে ১৬ বছৰ বয়সতে ৫০ মাইল দূৰৰ গ্ৰীমষ্টেডৰ ফেক্টৰী এটাত শিক্ষা নৱীচৰ কাম কৰিবলৈ লয়। তাত তেওঁৰ খুব অকলশৰীয়া আৰু নিৰানন্দময় ভাৱে মূৰত বোজাৰ সৃষ্টি কৰিছিল। সেয়ে ইবচেনে সাহিত্য সৃষ্টিত আত্ম নিয়োগ কৰিবলৈ ধৰে। ১৮৫০ চনত তেওঁৰ নাটক 'কেটেলিয়া' (Katilinar) প্ৰকাশ পায়। এই নাটকৰ যোগেদি

তেওঁ দুজন বন্ধু লগ পায়, যাৰ সহায়ত তেওঁ গ্ৰীমষ্টেডত ছয় বছৰ কটোৱাৰ পিচত 'অচ্‌লৈ' ( Oslo ) লৈ যাবলৈ সুজোগ পায়। তেওঁ বিশ্ববিদ্যালয়ত পঢ়িবলৈ বুলি 'অচল'লৈ গৈছিল, তাত কিন্তু বিভিন্ন কামত ব্যস্ত হৈ পৰে। তাত ইব্‌চেনে 'বাৰ্গেন নেচনেল থিয়েটাৰ' (Bergon Natinoal theatre)ৰ প্ৰতিষ্ঠাতা অল বুল (Ole Bull) ক লগ পায়। বুলে ইব্‌চেনক মঞ্চ পৰিচালকৰ সহকাৰী পদ এটি দিয়ে। তাত থকা সময়ছোৱাত তেওঁ অতিশয় যত্ন সহকাৰে নাট্য কৌশল আৰু মঞ্চ কৌশল আয়ত্ত কৰে। ইয়াৰ উপৰিও ভালে কেইখন গীতি নাটক ৰচনা কৰে। 'অচল'ত ইব্‌চেনে চুছানা থৰিচেনক বিয়া কৰায়।

১৮৫৭ চনত ইব্‌চেনক অচল'ৰ "নৰৱেয়ীয় থিয়েটাৰ"ৰ অধীক্ষকৰ পদত নিযুক্তি দিয়ে। এই পদত থাকি লেখা মেলা কৰিবলৈ আজৰি নোপোৱাত আৰু স্বাস্থ্যৰ কিছু অৱনতি ঘটাত ইব্‌চেনে সেই পদৰ পৰা ১৮৬২ চনত পদত্যাগ কৰে।

১৮৬২ চনত নৰৱেৰ চৰকাৰে আৰ্থিক সাহায্য আগবঢ়োৱাত তেওঁ বিদেশলৈ অধ্যয়নৰ বাবে যায়। তেতিয়ালৈকে তেওঁ মুঠ ন-খন মূল্যবান নাটক ৰচনা কৰে। ইয়াৰ ভিতৰত Love's Comedy উল্লেখযোগ্য। ১৮৬৩ চনত ইব্‌চেনৰ The pretenders' নাটক প্ৰকাশ, পায়। ১৮৬৬ চনত Brand আৰু ১৮৬৮ চনত 'Peer cynt' নামৰ দুখন উল্লেখযোগ্য নাটক প্ৰকাশ পায়। ইয়াৰ পিছতেই ১৮৬৮ চনত 'The League of youth' নামৰ নাটক এখন প্ৰকাশ পায়। এই নাটকত গদ্য ব্যৱহাৰ কৰি সমগ্ৰ ইউৰোপীয় নাট্য সাহিত্যলৈ ইব্‌চেনে সফল আৰু সুন্দৰ নাটকীয় গদ্যৰ পৰম্পৰা এৰি থৈ যায়। ইয়াৰ উপৰিও ১৮৭৭ চনত The pillars of Societyৰ জৰিয়তে নতুন নাটকীয় কৌশল আৰু গদ্য ভাষাই আত্ম প্ৰকাশ কৰাৰ লগতে ইউৰোপীয় নাট্য সাহিত্যলৈ নতুন জোৱাৰ আনে।

ইব্‌চেনৰ নতুন বাস্তৱবাদে শক্তিশালী ৰূপত আত্ম প্ৰকাশ কৰিলে 'Doll's House আৰু Ghost নাটকৰ জৰিয়তে। মানুহক ব্যক্তি স্বাধীনতাৰ পৰা বঞ্চিত কৰি ৰখাৰ বহু দিনীয়া পৰম্পৰাৰ ওপৰত এই দুখন নাটকে অভূতপূৰ্ব ভাৱে আঘাত হানে। পুতলা ঘৰ নাটকৰ নায়িকা নোৰাই স্বাধীনতা বিহীণ পুতলা ঘৰ সদৃশ নিজৰ ঘৰখনত পুতলাৰ দৰে স্বামীৰ দণ্ডিত নাচিবলৈ অমান্তি হয় আৰু গৃহ ত্যাগ কৰে। নোৰাই স্বামীক ত্যাগ কৰি হাতত বেগটো লৈ যেতিয়া গুচি যায়, যাওঁতে কোঠাৰ দুৱাৰখন বন্ধ কৰা শব্দৰ প্ৰতিধ্বনিয়ে যেন গোটেই ইউৰোপতে জনজনি তুলিছিল। ইব্‌চেনে যে নোৰাক তেওঁৰ পুতলা ঘৰখনৰ পৰা মুক্ত কৰিলে, এই কথাটোৱে গোটেই সভ্য জগততে প্ৰৱল জোকাৰণিৰ সৃষ্টি কৰিছিল।

'ঘোষ্টচ' নাটকত ইব্‌চেনে উত্তৰাধিকাৰী সূত্ৰে পোৱা দোষ বা গুণ আৰু স্ত্ৰীসংগীৰ ৰোগৰ বিষয়বস্তু উত্থাপন কৰিছে। এই নাটকখন শ্ৰেষ্ঠত্বৰ এক উজ্জ্বল নিদৰ্শণ।

১৮৮৪ত তেওঁৰ The wild Duck প্ৰকাশ হয়। এই নাটকৰ লগে লগে তেওঁৰ ৰচনাত দুটা নতুন বৈশিষ্ট্যই প্ৰকাশ লাভ কৰে — অনুকম্পা আৰু প্ৰতীকবাদ। কাব্যিক পৰিমণ্ডলেৰে আবৰা এই নাটকত তেওঁ ভ্ৰান্তি আৰু আদৰ্শৰ বিশ্লেষণ দাঙি ধৰিছে। The lady from the sea ১৮৮৮ চনত আৰু ১৮৯০ত Hedda Gobler প্ৰকাশ পায়। হেডা গোবলাৰ প্ৰকাশ হোৱাৰ পিছত ইব্‌চেন নৰৱেলৈ উভতি আহে। বিদেশতে কটালে যদিও ৰোমান বুৰঞ্জীৰ পৰা বিষয়বস্তুলৈ লিখা দুখন নাটকৰ বাহিৰে ইবচেনৰ সকলো নাটকৰে পটভূমি নৰৱে। শেষ বয়সত লিখা তেওঁৰ Master Builder ( ১৮৯২ ) নাটকত নিৰাশাবাদৰ বিচাৰ বিশ্লেষণ কৰি চাইছে। এইখনৰ পিছত Little Eyo f আৰু John Gabriel Berkman নামেৰে দুখন নাটক লিখে। ইব্‌চেনৰ শেষৰ নাটকখন হৈছে When we Dead Awaken. এই নাটক হৈছে মানুহক সুখৰ পৰা বঞ্চিত কৰা সকলৰ বিপক্ষে প্ৰতিবাদ ধ্বনিৰ এক মুক্ত আহ্বান।

এইজনা মহান ব্যক্তিৰ ১৯০৬ চনত পক্ষাঘাত ৰোগত অচল'ত আঠসত্তৰ বছৰ বয়সত মৃত্যু হয়। □

বিঃ দ্ৰঃ বিভিন্ন প্ৰৱন্ধৰ পৰা আলাম লৈ লিখা হৈছে। — লিখক

# কুৰি শতিকাৰ ভয়াবহতা এইড্‌ছ্

মঃ আব্দুল জেলিল
স্নাতক ৩য় বাৰ্ষিক ( বিজ্ঞান শাখা )

কুৰি শতিকাৰ আটাইতকৈ ভয়ংকৰ ৰোগটো হৈছে এইড্‌ছ্ ( AIDS )। বৰ্তমান বিশ্বৰ প্ৰায়বোৰ দেশতে আতংকৰ সৃষ্টি কৰিছে এই এইড্‌ছ্ বেমাৰে, যি কেঞ্চাৰতকৈও ভয়াবহ। বৰ্ত্তমান চিকিৎসা বিজ্ঞানী সকলৰো মূল চিন্তা হৈছে এই এইড্‌ছ্ বেমাৰ। এই বেমাৰটো পৃথিৱীত মহামাৰীৰ দৰে হৈ পৰিছে। সেই কাৰণে ইয়াক সংক্ৰামক ৰোগ বুলি কোৱা হয়। মানুহৰ দেহত বহুতো সংক্ৰামক ৰোগ হয় যদিও এইড্‌ছ্ হ'ল আটাইতকৈ মাৰাত্মক সংক্ৰামী ৰোগ।

এইড্‌ছ্ বেমাৰে পশ্চিমীয়া দেশবোৰত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বৰ্তমানে ই ভাৰতৰ দৰে দুখীয়া বা উন্নয়নশীল দেশবোৰতো ব্যাপক হাৰত বিয়পিব লাগিছে। অৰ্থনৈতিক ভাৱে সৱল দেশবোৰে ব্যয়বহুল চিকিৎসাৰে কিছু পৰিমানে হলেও ইয়াৰ লগত ফেৰ মাৰিব পাৰিছে। কিন্তু অৰ্থনৈতিক ভাবে দুৰ্বল দেশবোৰত এইড্‌ছ্ ৰোগীৰ অৱস্থা শোচনীয় হৈ পৰিছে। সম্প্ৰতি আমাৰ দেশতো ই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বিশেষকৈ মহানগৰী সমূহত ইয়াৰ ভয়াবহতা বাঢ়িছে। ভাৰতবৰ্ষৰ উল্লেখযোগ্য এইড্‌ছ্ ৰোগী থকা মহানগৰী হৈছে বোম্বাই। উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ লগতে অসমতো এইড্‌ছ্ ৰোগী চিনাক্ত কৰা হৈছে।

আফ্ৰিকাৰ দেশবোৰত পৃথিৱীৰ ভিতৰতে এইড্‌ছ্ ৰোগীৰ সংখ্যা বেছি বুলি জনা গৈছে। আফ্ৰিকাৰ কেইখনমান চহৰত প্ৰতি ৫ জন লোকৰ ভিতৰত এজনকৈ এইড্‌ছ্ ৰোগী আছে বুলি চিনাক্ত কৰা হৈছে। বৰ্ত্তমান আটাইতকৈ বেছি এইড্‌ছ্ ৰোগী থকা অঞ্চলটো হৈছে জাম্বিয়া, য'ত শতকৰা ৭০ জন মানুহ এইড্‌ছ্ ৰোগত আক্ৰান্ত। আমেৰিকাতো ইয়াৰ প্ৰভাৱ যথেষ্ঠ। বিশেষকৈ আমেৰিকাৰ নিউয়ৰ্ক চহৰত এই ৰোগীৰ সংখ্যা বেছিকৈ পোৱা যায়। নিউয়ৰ্ক চহৰত প্ৰতি দুশজন মানুহৰ ভিতৰত এজন এই এইড্‌ছ্ ৰোগত আক্ৰান্ত।

AIDS শব্দটোৰ ইয়াৰ প্ৰত্যকটো আখৰে একোটাকৈ শব্দ বুজায়। Acquired Immune Deficiency Syndomre ইয়াৰ অৰ্থ হ'ল ৰোগ প্ৰতিৰোধ ক্ষমতা কমাৰ লক্ষণ।

এইড্‌ছ্ ৰোগ সাধাৰণতে বহুতো লক্ষণৰ দ্বাৰাহে চিনাক্ত কৰা হয় সেয়ে ইয়াক Syndrome বোলা হয়। এইড্‌ছৰ বীজাণুটোক HIV ( এইছ আই ভি ) বা Human Immune Virus ( হিউমেন ইমিউন ভাইৰাছ ) বোলে। এইড্‌ছ ৰোগ প্ৰথম ১৯৮১ চনত চিনাক্ত কৰা হৈছিল। আৰু ১৯৮৩ চনত এইড্‌ছ্ ভাইৰাছ এটা চিনাক্ত কৰা হৈছিল। ইয়াৰ

পিছত এইড্‌ছ্‌ৰ ওপৰত আৰু বহুতো গৱেষণা চলে আৰু ইয়াৰ নতুন ষ্ট্ৰেইন আৱিষ্কাৰ হয়।

মানৱ শৰীৰত এনে কিছুমান কোষ আছে যিবোৰে শৰীৰটোক বহুতো বেমাৰৰ পৰা ৰক্ষণাবেক্ষন দিয়ে। মানৱ দেহত বেমাৰৰ জীৱাণু প্ৰৱেশ কৰিলে এই কোষবোৰে ধ্বংস কৰি মানৱ দেহক বেমাৰৰ পৰা ৰক্ষা কৰে। এই গোটেই পদ্ধতিটোক ইমিউন ছিষ্টেম বোলে। ইয়াৰ অৰ্থ হ'ল শৰীৰৰ প্ৰতিৰক্ষা। এই প্ৰতিৰক্ষা ব্যৱস্থাৰ এই অংশ হৈছে তেজত থকা শ্বেত ৰক্ত কণিকা।

এইড্‌ছ্‌ৰ বীজাণু মানুহৰ শৰীৰত প্ৰৱেশ কৰিলে মানৱ শৰীৰৰ উক্ত প্ৰতিৰক্ষা কোষবোৰক অকামিলা কৰি দিয়ে। বিশেষকৈ মানুহৰ শৰীৰত থকা $T_4$ কোষবোৰক ই নষ্ট কৰি দিয়ে। ফলত এই প্ৰতিৰক্ষী কোষবোৰে মানৱ দেহক প্ৰতিৰক্ষা দিয়াত অসমৰ্থ হয়। আৰু মানুহৰ দেহত বিভিন্ন বেমাৰে সহজতে আক্ৰমণ কৰে। ই ক্ৰমান্বয়ে শৰীৰৰ স্নায়ু কলা আদি ধ্বংশ কৰি গৈ থাকে। ফলত মানুহজনক মৃত্যু মুখলৈ ঠেলি দিয়ে। এই বেমাৰে আক্ৰমণ কৰোতে বিশেষকৈ জ্বৰ কলেৰা মেলেৰিয়া আদি বেমাৰে দেখা দিয়ে।

**এই ৰোগ বিয়পাৰ লক্ষণ ঃ**

এইড্‌ছ্‌ ৰোগৰ বীজাণু এজন আক্ৰান্ত ব্যক্তিৰ পৰা আন এগৰাকী ব্যক্তিলৈ জৈৱিক সম্পৰ্কৰ দ্বাৰা বিয়পি পৰে। সাধাৰণতে মূখ্য দুটা কাৰণত এই ৰোগ বিয়পিব পাৰে। যৌন সম্পৰ্কৰ দ্বাৰা অথবা তেজৰ দ্বাৰা। ইয়াৰ উপৰিও আন বহুতো কাৰণতো এইড্‌ছ্‌ ৰোগ বিয়পিব পাৰে। যেনে ১) একেটা বেজীৰে এজন আক্ৰান্ত মানুহক বেজী দি পাছত আন এজন নিৰোগী মানুহক সেই একেটা বেজীৰে বেজী দিলে ২) এই ৰোগত আক্ৰান্ত মানুহৰ মুখ গহবৰ চুই চুমা খালে এই ৰোগ সংক্ৰমিত হব পাৰে ৩) আক্ৰান্ত মাতৃৰ পৰা গৰ্ভস্থ শিশুৰ সংক্ৰমণ হব পাৰে। আমি সাধাৰণতে ভৱাৰ দৰে এই ৰোগ নিবিয়পে। আমাৰ সমাজত কিছুমান ভুল ধাৰণা আছে সেইবোৰ হ'ল— ১) একেলগে থাকিলে ২) একেলগে খালে ৩) কৰ-মৰ্দন কৰিলে ৪) একেলগে খেলিলে আক্ৰান্ত ৰোগীৰ পৰা ৰোগ বিয়পে। আচলতে সেয়া আমাৰ ভুল ধাৰণা মাথোন। উক্ত কাৰণবোৰৰ বাবে এইড্‌ছ্‌ ৰোগীক অৱহেলা কৰাৰ কোনো প্ৰয়োজন নাই।

**এইড্‌ছ্‌ ৰোগ চিনাক্তকৰণৰ মূখ্য লক্ষণবোৰ ঃ**

১। বহুদিন অসুখত ভোগা যেনে জ্বৰ, মেলেৰিয়া, কলেৰা আদিত ভোগা।

২। শৰীৰৰ ওজন শতকৰা ১০ ভাগতকৈ বেছিকৈ কমা।

৩। বহুদিন ধৰি চলা ডায়েৰীয়া।

৪। আমেৰিকাৰ ৰোগীবোৰৰ ক্ষেত্ৰত নিউমোনিয়া হোৱা আৰু আফ্ৰিকাৰ ৰোগীবোৰৰ ক্ষেত্ৰত অতিকৈ ক্ষীণোৱা।

**এইড্‌ছ্‌ ৰোগৰ পৰা হাত সাৰি চলিবলৈ মানিব লগা নিয়ম ঃ**

১। যৌন ক্ৰিয়াত লিপ্ত হওতে খুব সাৱধান হব লাগে।

২। বেশ্যা বা বেশ্যাগামী পুৰুষৰ লগত সম্পৰ্ক ৰাখিব নালাগে।

৩। কেতিয়াবা তেজ লব লগা হলে তেজ দিয়া মানুহজনক ভালদৰে পৰীক্ষা কৰি লব লাগে।

৪। যিকোনো অচিনাকি ব্যক্তিৰ লগত মুখ-গহ্বৰ চুই চুমা খাব নালাগে।

৫। বেজি লওতে সাৱধান হব লাগে। যিকোনো চিকিৎসালয়ত বেজি লব নালাগে। বেজি লওতে ডিচপজেবল চিৰিঞ্জ ব্যৱহাৰ কৰিব লাগে।

( সহায়লৈ )

# মহাবিদ্যালয় পুথিভঁড়াল : সমস্যা আৰু সমাধান

শ্ৰীমহেশ্বৰ শৰ্ম্মা এম, এ
গ্ৰন্থাগাৰ সহায়ক

অতি প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষ জ্ঞান-চৰ্চাৰ বাবে আগবঢ়া আছিল। বিদেশী পণ্ডিত সকল জ্ঞান-চৰ্চাৰ বাবে ভাৰতবৰ্ষলৈ আহিছিল আৰু তেওঁলোকৰ ভ্ৰমণ টোকাত পুথিভঁড়াল ব্যৱস্থাৰ উল্লেখ আছে। পুথিভঁড়ালৰ জন্ম বৃত্তান্ত তেনেই সংক্ষিপ্ত। অসমৰ পুথিভঁড়াল সমূহৰ অৱস্থা অতি দুখ লগা।

পুথিভঁড়াল সমূহক ঘাইকৈ তিনিটা শাখাত ভাগ কৰা হয়। ১) ৰাজ-দৰবাৰস্থ/ৰাজকীয়/বিশেষ পুথিভঁড়াল ২) শিক্ষানুষ্ঠান সমূহৰ পুথিভঁড়াল ৩) ৰাজহুৱা পুথিভঁড়াল।

ভাৰতৰ প্ৰাচীনতম শিক্ষানুষ্ঠান 'তক্ষশীলা' আৰু 'নালন্দাত' পুথিভঁড়ালৰ যে ব্যৱস্থা আছিল তাৰ উল্লেখ আছে। পুথিভঁড়ালৰ প্ৰধান উপাদান হ'ল পুথি। প্ৰাচীন পুথিভঁড়াল সমূহত পুথি সমূহ সযতনে সংৰক্ষণ কৰা হৈছিল। বৰ্তমান যুগত পুথিৰ উপৰিও পুথিভঁড়াল সমূহত ৰেকৰ্ড, কেছেট, গ্ৰামোফোন আদি ৰখাৰ ব্যৱস্থা হৈছে।

শিক্ষানুষ্ঠানৰ পুথিভঁড়াল বুলিলে ঘাইকৈ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁড়াল সমূহকে বুজা যায়। আধুনিক শিক্ষা পদ্ধতিত এই পুথিভঁড়াল সমূহৰ প্ৰয়োজনীয়তা দিনক দিনে বৃদ্ধি পাই আহিছে। শিক্ষানুষ্ঠানৰ পুথিভঁড়াল সমূহৰ উপৰিও আজিকালি গাৱেঁ ভূঞে নগৰে চহৰে পুথিভঁড়াল গঢ়ি উঠিছে আৰু এই সমূহে শিক্ষা বিস্তাৰত যথেষ্ট অৰিহণা যোগাই আহিছে।

অসমৰ আঠাই কেইখন বিশ্ববিদ্যালয় চৰকাৰী আৰু ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয় সকলো উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়তে একোটাকৈ পুথিভঁড়াল আছে। উচ্চ আৰু উচ্চতৰ বিদ্যালয় সমূহত একোজন শিক্ষক/শিক্ষয়িত্ৰী তত্বাৱধানত একোটা পুস্তক ভাওাৰ খোলা হয় আৰু ছাত্ৰ-ছাত্ৰী সকলক প্ৰয়োজনীয় কিতাপ পত্ৰৰ যোগান ধৰা হয়। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁড়াল একোজন পুথিভঁড়াল বিজ্ঞান বিষয়ত ডিগ্ৰী প্ৰাপ্ত লোকৰ অধীনত থাকে। এই পুথিভঁড়াল সমূহৰ যোগেদি ছাত্ৰ ছাত্ৰী সকলক প্ৰয়োজনীয় কিতাপ পত্ৰৰ যোগান ধৰা হয়। ইয়াৰ উপৰিও শিক্ষক সকলকো পাঠ দানৰ আৰু অন্যান্য লাগতিয়াল কিতাপ দিয়াৰ ব্যৱস্থা আছে। এই পুথিভঁড়াল সমূহত পাঠ্য পুথিৰ উপৰিও তথ্য মূলক (Reference) পুথি, দুষ্প্ৰাপ্য আৰু আপুৰুগীয়া ( Rare ) পুথি আৰু

অন্যান্য লাগতিয়াল পুথি ৰখাৰ ব্যৱস্থা আছে। ছাত্ৰ-ছাত্ৰী সকলে এক নিয়ম নীতিৰ মাজেৰে কিতাপ ধাৰে লোৱা (Issue) আৰু ওভতাই দিয়াৰ (Return) ব্যৱস্থা আছে। স্নাতক পৰ্য্যায়ত গুৰু পাঠ্যক্ৰমৰ (Major) ছাত্ৰ-ছাত্ৰী সকলে ওপৰঞ্চি হিচাপে কিতাপ ধাৰে লোৱাৰ স্বকীয়া ব্যৱস্থাও আছে। এক নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত কিতাপ সমূহ ধাৰে লোৱা আৰু ওভতাই দিয়াৰ নিয়ম বান্ধি দিয়া থাকে।

মহাবিদ্যালয় পুথিভঁড়াল সমূহত পুথি আমদানি কৰা আয়ৰ উৎস হ'ল প্ৰধানকৈ তিনিটা : ১) ছাত্ৰ-ছাত্ৰী সকলৰ পৰা লোৱা মাচুলৰ ধন ২) ৰাজ্য চৰকাৰৰ পৰা পোৱা সাহায্য ৩) বিশ্ববিদ্যালয় অনুদান আয়োগৰ (University Grant Commission) পৰা পোৱা অনুদান। এই অনুদান সমূহ নিৰ্দিষ্ট নীতি নিয়মৰ মাজেদিহে মহাবিদ্যালয় সমূহে লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও কিছুমান লোকৰ দানৰ ধনেৰেও পুথি আমদানি কৰা ব্যৱস্থা আছে। তাৰোপৰি কিছুলোকে কিতাপআকাৰেও দান দিয়া দেখা যায়।

মহাবিদ্যালয় পুথিভঁড়াল সমূহৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় পাঠ্যপুথি যোগান ধৰাৰ উপৰিও উপযুক্ত পঢ়াকোঠাৰ (Reading Room) ব্যৱস্থা কৰি দিয়া আৰু তাত প্ৰয়োজনীয় বাতৰি কাকত আলোচনী আদিৰ যোগান ধৰাৰব্যৱস্থা আছে। এই ব্যৱস্থা শিক্ষক কৰ্মচাৰী সকলকো দিয়াৰ ব্যৱস্থা আছে। মহাবিদ্যালয় বিশেষে ছাত্ৰ সহায়ক পুঁজিৰ (Student Aid Fund) পৰা দুখীয়া ছাত্ৰ-ছাত্ৰীক পুথি যোগান ধৰাৰ নিয়ম আছে। কিছুমান মহাবিদ্যালয়ত পুথিভঁড়ালীৰ উদ্যোগত প্ৰদৰ্শণী, আলোচনা সভা আদিৰ আয়োজন কৰা দেখা যায়।

যিহেতু পুথিভঁড়াল সমূহৰ পুথি যোগানৰ আয়ৰ উৎস সীমিত সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় পাঠ্যপুথি যোগান ধৰাত অসুবিধা হয়। সঠিক ভাৱে আৰু সঠিক সময়ত সাহাৰ্য্য আৰু অনুদান নোপোৱা, অধিক হাৰত মূল্য বৃদ্ধি বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰী সংখ্যা আদি কাৰণত পুথি যোগানত ব্যাঘাট ঘটে। তাৰোপৰি শিক্ষা পদ্ধতি সলনি, সঘনাই হৈ থকা পাঠ্যক্ৰম সলনিৰ ফলত পুথিভঁড়ালৰ অধিক সংখ্যক পুথি অলাগতিয়াল হৈ পৰে। ছাত্ৰ-ছাত্ৰীৰ পৰা মাচুলৰ ধনেৰে বাতৰি কাকত, আলোচনী আৰু পুথিভঁড়ালৰ প্ৰয়োজনীয় সা-সজুলী ক্ৰয় কৰি আনিব লগা হোৱা হেতু প্ৰয়োজন অনুপাতে কিতাপ ক্ৰয় কৰাত অসুবিধা হয়।

প্ৰায় ভাগ মহাবিদ্যালয় পুথিভঁড়ালৰ অৱস্থা অতি পুতৌ লগা। নূন্যতম সা-সুবিধাৰ পৰা ই বঞ্চিত। অধিক সংখ্যক পুথিভঁড়ালতে প্ৰয়োজনীয় সংখ্যক কিতা-পত্ৰৰ অভাৱ। অধিক সংখ্যক পুথিভঁড়ালতে পঢ়া কোঠা নাই। প্ৰয়োজনীয় কৰ্মচাৰীৰ অভাৱ কৰ্ত্তৃপক্ষৰ হেয় মনোভাৱ ছাত্ৰ-ছাত্ৰীৰ উদাসীনতা আদি এশ-একুৰী সমস্যাত ই জৰ্জৰিত। তাৰোপৰি কিছু সংখ্যক মহাবিদ্যালয়ত স্থায়ী গৃহ নাই আৰু প্ৰয়োজনীয় সা-সজুলীৰ অভাৱ। পুথিভঁড়ালৰ কৰ্মচাৰী সকলে নানা সমস্যাৰ মাজেৰে কাম কৰি যাব লগা হয়।

মহাবিদ্যালয়ত পুথিভঁড়ালৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। ই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক সমানে জ্ঞান আহৰণত সুবিধা প্ৰদান কৰে। শিক্ষাদান আৰু শিক্ষা গ্ৰহণত এই পুথিভঁড়াল সমূহে সহায় আগবঢ়ায়। তাৰোপৰি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাত ইয়াৰ বৰঙণি আছে।

আমাৰ শিক্ষা পদ্ধতিত বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত পুথিভঁড়াল সম্পৰ্কে জ্ঞান দিয়াৰ ব্যৱস্থা নাই। ফলত বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰে পুথিভঁড়াল সম্পৰ্কে জ্ঞানৰ অভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ পুথিভঁড়ালৰ প্ৰতি অজ্ঞতা আৰু হেয় মনোভাৱ কৰ্তৃপক্ষৰ উদাসীনতা আৰু অৱহেলাৰ বাবে ইয়াৰ সমস্যা বৃদ্ধি পাই গৈছে। মহাবিদ্যালয়ত পঢ়ি থাকি আধাতে শিক্ষা সামৰা পৰীক্ষা সমূহত অকৃতকাৰ্য্য হোৱা ছাত্ৰ-ছাত্ৰীসকলে পুথিভঁড়ালৰ পৰা লোৱা কিতাপ ওভতাই দিয়াত চৰম অৱহেলা কৰা দেখা যায়। ফলত পিছৰ

চাম ছাত্ৰ-ছাত্ৰীক কিতাপ যোগানত ব্যাঘাট ঘটে। অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সঠিক সময়ত কিতাপ পুথি-ভঁড়ালত জমা নিদিয়া আৰু বছৰ বছৰ ধৰি ব্যৱহাৰ কৰাৰ ফলত কিছু সংখ্যক পুথি ব্যৱহাৰৰ অনুপযোগী হৈ পৰে। ফলত কিতাপ বিতৰণ কৰাত কৰ্মচাৰী সকল বিপাঙত পৰিব লগা হয়।

বিভিন্ন সমস্যাৰ মাজেৰে আৰু সীমিত সংখ্যক কৰ্মচাৰীয়ে কাম কৰাৰ উপৰিও কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অবাঞ্চিত কাৰ্য্য কলাপৰ বাবে কৰ্মচাৰী সকলক বিমোৰত পেলায়। পুথিভঁড়াল সম্পৰ্কীয় যিকোনো কথাৰ বাবে কৰ্মচাৰী সকল কৰ্তৃপক্ষৰ ওচৰত জবাবদিহি হব লগা হয়। কেতিয়াবা নিজে দোষী নহৈও এজন কৰ্মচাৰীয়ে মানসিক অশান্তি আৰু আৰ্থিক দণ্ড ভোগ কৰিব লগা হয়। ছাত্ৰ ছাত্ৰী সকলৰ ক্ষেত্ৰত জৰিমনাৰ ব্যৱস্থা থাকিলেও ইয়াক কঠোৰ ভাবে মানি চলা এটা দুঃসাধ্য কাম হৈ পৰে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে নিয়ম শৃঙ্খলা মানি চলিলে আৰু ছাত্ৰ নেতা সকলে আগ ভাগ ললে এই সমস্যা সমূহ বহু পৰিমাণে লাঘব কৰিব পৰা যায়। ছাত্ৰ-ছাত্ৰী সকলে এই কথা মনত ৰখা ভাল যে তেওঁলোকৰ অজ্ঞতা বা অৱহেলাৰ বাবে এজন নিৰ্দোষী কৰ্ম-চাৰীয়ে মানসিক অশান্তি বা শাস্তি ভোগ কৰিব লগা নহয়।

এখন মহাবিদ্যালয়ৰ সুস্থিৰ শৈক্ষিক পৰিবেশ অটুত ৰখাৰ ক্ষেত্ৰত পুথি-ভঁড়াল সমূহে অকলে কৃতকাৰ্য্য হব নোৱাৰে। ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী আৰু কৰ্তৃপক্ষৰ যুটীয়া প্ৰচেষ্টাতহে ই সম্ভৱ হৈ উঠে। এই ক্ষেত্ৰত পুথি-ভঁড়াল কৰ্মচাৰী সকলৰ এক বিশেষ ভূমিকা আছে।

শেষত ছাত্ৰ-ছাত্ৰী সকলৰ সজাগতা শৃঙ্খলা বদ্ধতা ছাত্ৰ নেতা সকলৰ সু নেতৃত্ব আৰু শিক্ষক কৰ্মচাৰীৰ সহ-যোগিতা কৰ্তৃপক্ষৰ সঠিক আৰু সুদৃঢ় কাৰ্য্য ব্যৱস্থা গ্ৰহণ, চৰকাৰৰ আৰ্থিক অনুদান সঠিক সময়ত প্ৰদানৰ জৰিয়তে এই সমস্যা সমূহ লাঘব কৰিব পৰা যাব বুলি বিশ্বাস কৰিব পাৰি। এই ক্ষেত্ৰত পুথিভঁড়াল সমূহৰ কৰ্মচাৰী সকলৰ কৰ্মনিষ্ঠা আৰু সকলোৰে সহযোগি একান্ত আৱশ্যক।

## মহৎলোকৰ অমৃত বাণী

১। স্বাধীনতা আৰু সত্যৰ বাবে কৰা সংগ্ৰামত ধুনীয়া পোছাক পিন্ধাৰ কোনো প্ৰয়োজন নাই।
—ইব্‌চন

২। যুদ্ধ-বিলোপৰ আমিও সমৰ্থক, আমিও যুদ্ধ নিবিচাৰো, কিন্তু কেৱল যুদ্ধৰ মাধ্যমেৰেহে যুদ্ধ বিলোপ সম্ভৱ হব আৰু বন্দুকৰ পৰা মুক্তি পাবলৈ হ'লে বন্দুক তুলি লোৱাটো অৱশ্যই প্ৰয়োজন।
- মাও চে তুং

৩। প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আবিষ্কাৰ কৰিব বাবে তেওঁ সকলো কৰিবলৈ সাজু।
—চাৰ জগদিশ বসু।

৪। প্ৰকৃত সাধুতা হৈছে লগৰ মানুহক ভাল পোৱাটো আৰু প্ৰকৃত জ্ঞান হৈছে পৃথিৱীৰ মানুহক জনাটো।
— কন ফুচিয়াচ।

সংগ্ৰাহক : শ্ৰীৰমেশ ডেকা
২য় বৰ্ষ (কলা)

# অসমীয়া কৃষ্টিত ডাক বচনৰ প্ৰাসঙ্গিকতা

শ্ৰীমতিৰাম মেধি
প্ৰবক্তা, ভূগোল বিভাগ

অসমীয়া সমাজত 'ডাক'ৰ বচনৰ প্ৰভাব অপৰিসীম। সমাজৰ দৈনন্দিন জীৱনত এই বচনবোৰ সকলো স্তৰতে আজিও পথ প্ৰদৰ্শক হৈয়ে আছে। বিশেষকৈ গঞা বাইজৰ কথা বাতৰাত এই বচনবোৰ সততে ব্যৱহৃত হয়। লগে লগে অসমীয়া কৃষ্টি আৰু সংস্কৃতিত এই বচনবোৰে তাৎপৰ্য্যপূৰ্ণ ভাবে আগভাগ লৈ আহিছে।

কোনো এটা ক্ৰিয়া বা কামৰ বাৰম্বাৰ আচৰণ বা আবৃত্তি কৰাকে কৃষ্টি বোলা হয়। মানৱ সমাজত পৰম্পৰাগত ভাবে চলি অহা গীত-মাত, আচাৰ-ব্যৱহাৰ, পোচাক-পৰিচ্ছদ, জীৱন ধাৰণৰ প্ৰণালী, পূজা-পাৰ্ব্বন উৎসৱ আদি কামবোৰকেই কৃষ্টি বুলি কোৱা হয়। এই কৃষ্টিবোৰৰ সংস্কৃত আৰু মাৰ্জ্জিত ৰূপটোকে সংস্কৃতি বুলিব পাৰি।

অসমীয়া সাংস্কৃতিক জীৱনত ডাকৰ বচনবোৰ অতি তাৎপৰ্য্যপূৰ্ণ ভাবে ব্যৱহৃত হৈছে। সাংস্কৃতিক জীৱনৰ অৰ্থনৈতিক আৰু বৌদ্ধিক উন্নতিৰ স্তৰ বুলি পণ্ডিতসকলে কয়। অসমীয়া গ্ৰাম্য সমাজখনৰ নৈতিক আৰু বৌদ্ধিক ছয়োটা স্তৰতে প্ৰভাব বিস্তাৰ কৰা মৌলিক ৰূপত চলি অহা কেইফাকিমান ডাকৰ বচনৰ প্ৰাসঙ্গিকতাৰ বিষয়ে আলোচনা কৰাই হৈছে এই নিবন্ধৰ মূল লক্ষ্য। বৰ্ত্তমান বিজ্ঞানৰ যুগতো এই বচনবোৰ আমাৰ সমাজৰ বিভিন্ন স্তৰত কিয় ব্যৱহৃত হয় ইত্যাদি ··।

বৰপেটা নগৰৰ দক্ষিনে প্ৰায় সাত মাইল দূৰত অৱস্থিত লেহিডঙৰা নামৰ গাৱঁতেই 'ডাক' নামৰ এজন জ্ঞানী পুৰুষৰ জন্ম হৈছিল বুলি প্ৰবাদ আছে। ৰজা বিক্ৰমাদিত্যৰ সভাৰ পণ্ডিত মিহিৰ মুনি হেনো এই ডাক পুৰুষৰ পিতৃ। এই মিহিৰ মুনিৰ ঔৰষত লেহিডঙৰাৰে এজনী কুমাৰণীৰ গৰ্ভত ডাকৰ জন্ম হয়। কথিত আছে যে ডাক জন্মিয়েই হেনো মাকক উপদেশ দিবলৈ আৰম্ভ কৰিছিল। অসমীয়া সমাজত সন্তান ভূমিষ্ঠ হলে প্ৰসূতী থকা ঘৰত তুহৰ জুই ৰখা নিয়ম। সেই তুহ জুই জ্বলাবলৈ গৈ প্ৰসূতী ৰখীয়া এগৰাকী তিৰোতাই জুই জ্বলাব নোৱাৰি হতাশ হোৱাত কেঁচুৱা ডাকে হেনো মাত লগালে - "দীঘলকৈ দিবা ফুক, তেহে দেখিবা জুইৰ মুখ"। লগতে নৰজাত সন্তান কিদৰে প্ৰতিপাল কৰিব লাগে সকলো কথাৰ মাকক দিহা দিলে। উপজিয়েই মাকক ডাক দি উপদেশ দিছিল বাবেই হেনো শিশুৰ নাম 'ডাক' ৰাখিছিল বুলি জনসাধাৰণৰ বিশ্বাস। ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰত এই 'ডাক'ৰ জন্ম কাহিনী অন্য ধৰণে উল্লেখ থাকিলেও ডাকে নিজে ডাকবচনত "কুমাৰণী আই মোৰ" বুলিয়েই উল্লেখ কৰিছে। অৱশ্যে কোনো কোনোৱে ডাক নামৰ কোনো ব্যক্তিয়েই নাই বুলি কব খোজে তেওঁলোকৰ মতে অতীতত বহুকালৰ সঞ্চিত জ্ঞানেৰে সমৃদ্ধ প্ৰবচনবোৰ কোনো এগৰাকী ব্যক্তিৰ নামত প্ৰচাৰ কৰি দিয়া হৈছিল—তেৱেঁই 'ডাক'। কিন্তু এইজনা ডাকৰেই পানীত পৰি

মৃত্যু ঘটে। প্ৰবাদমতে লগৰীয়াৰ সতে ব্ৰহ্মপুত্ৰত গা ধুই থাকোতে কোনোবা ঈৰ্ষাপৰায়ণ লগৰীয়াই পানীত হেঁচা মাৰি ধৰাত হোনো ডাকৰ মৃত্যু হয় আৰু সেই কাৰণেই আজিও ডাক মৰি ব্ৰহ্মপুত্ৰত ডাক হৈ থকা বুলি কয়। যিয়েই নহওঁক ডাক বচনবোৰ কিন্তু অমৰ হৈ সমাজত ৰৈ গ'ল।

বৰ্তমানে পৰিবেশ সংৰক্ষণ আৰু সচেতনতাৰ বাবে বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে বিভিন্ন আলোচনা হৈছে—আমি থকা ঘৰ কেনেকুৱা পৰিবেশত বান্ধিব লাগে, গছ-গছনি কই সেউজ পৰিবেশৰ মাজত কেনেকৈ স্বাস্থ্য সন্মতভাবে বসবাস কৰিব লাগে ইত্যাদি। এই সম্পৰ্কে ডাকে কিন্তু তাহানিতে আমাক কৈ গৈছে—

"পূবে হাঁহ পশ্চিমে বাঁহ
উত্তৰে গুৱা, দক্ষিণে ধুৱা"।

অৰ্থাৎ গৃহস্থই ঘৰখনৰ সুন্দৰ পৰিবেশেৰে সজাবলৈ থকা ঘৰৰ উত্তৰ দিশত তামোল-পানৰ বাৰী, দক্ষিণ দিশটো মুকলিকৈ ৰাখি পূৱপিনে এটি পুখুৰী খন্দোৱা উচিত। পশ্চিম পিনে প্ৰয়োজনীয় বাঁহ ইত্যাদি কলে ঘৰখন অতি সুন্দৰ হয়। সেইদৰে গছ-গছনি ৰোৱাতো যে মানুহৰ উত্তম কাম-বিলাকৰ ভিতৰত এটা তাকো ডাকৰ বচনত কৈছে—

বৃক্ষ ৰোপণত অধিক ধৰ্ম্ম,
মথ মণ্ডপ গুৰুৰ কৰ্ম্ম।
যেই দিয়ে তাকহে পায়,
পৰ জনমত সুখত খায়।

কিন্তু ডাকৰ মতে থকা ঘৰৰ পূৱে তেতেঁলী গছ আৰু পশ্চিম দিশত ঔগছ ৰোৱা সমুলি নিষেধ, এনে কৰিলে গৃহস্থিৰ অমঙ্গল হব পাৰে।

পূবে তেতেঁলী, পশ্চিমে ঔ
সেই ঘৰ গিৰী উঠিল নে নৌ।

সেইদৰে ঘৰৰ পদুলীৰ মুৰত তুলসী, সিজু আদি গছ কলে বহুতো বেমাৰ আজাৰৰ পৰা হাত সাৰিব পাৰি। সেই কাৰণেই হবলা আজি কালি নগৰে চহৰেও সিজু, তুলসী আদি গছ টাবত সজাই ঘৰৰ দুৱাৰ মুখতে সৌন্দৰ্য্যবৰ্দ্ধক হিচাপে ৰখা দেখা যায়। উপযুক্ত পৰিবেশ সৃষ্টি কৰি থকা ঘৰটি যে পূৱা-পশ্চিমাকৈ সাজিব লাগে সেই বিষয়েও ডাক বচনত উল্লেখ আছে—

'পূবা পশ্চিমাকৈ সাজিবা ঘৰ
অকাল মৃত্যুক নাহিকে ডৰ।
পূবে ভঁৰাল, পছিমে গৰাল,
উত্তৰে চৰু, দক্ষিণে গৰু।

যিহেতুকে দক্ষিণ-দুৱৰী ঘৰত ৰ'দ সদায়ে পৰে, সেয়ে অধিক স্বাস্থ্য সন্মত বুলি কোৱা হয়। সেইদৰে ধানৰ ভঁড়াল পূব দিশত বান্ধিব লাগে। পশ্চিম দিশত হাঁহ পাৰ' ইত্যাদিৰ গৰাল, উত্তৰ দিশত পাকঘৰ আৰু দক্ষিণ দিশত গোহালি ঘৰ বন্ধাটো উচিত বুলি ডাকে কৈছে। ঘৰখন সুন্দৰকৈ পাতি লোৱাৰ পিছত তামোল পানৰ বাৰিখন যে অপৰিহাৰ্য্য বা বাৰী-খন যে সৌন্দৰ্য্যবাৰ্দ্ধক সেইবিষয়ে কৈছে-

কত জনমৰ মুৰত পুত্ৰৱতী নাৰী,
কত জনমৰ মুৰত তামোল-পানৰ বাৰী।

লগতে তামোল গছবোৰ কেনেকৈ ৰুব লাগে, ডুডাল তামোল গছৰ মাজত কিমানখিনি ব্যৱধান হব লাগে এই সম্পৰ্কে ডাকে কৈছে—

লাগে তামোল নালাগে
নালাগে তামোল লাগে।
সাতত পাতল পাঁচত ঘন,
ছয়ত তামোল নদন-বদন।

বাৰীখনত তামোল গছবিলাক যদি ইডালৰ গাত সিডাল লগাকৈ ৰোৱা হয়, তেনেহলে তামোল গছে হেনো ঠোক নধৰে। তেনেকৈ তামোল গছ ৰোওতে ডুডাল তামোলৰ মাজত সাত-হাত ব্যৱধান হলে পাতল হয়, পাঁচহাত হলে ঘন হয়, কিন্তু ছয়হাত ব্যৱধান হলে তামোল বাৰীখন নদন-বদন হয়। বাৰীখনত পানবগোৱা গছ দেখিবলৈ অতি শুৱনী হয় আৰু বাৰীত তামোল নাৰিকল গছৰ লগত পানগছ থাকিলে সম্ভ্ৰান্ত পৰিয়ালক যে বুজায় ডাক বচনত তাকে কৈছে—

গছৰ শোভন ডাব নাৰিকল,
বাৰীৰ শোভন পান,
গাৰৰ শোভন ভাল মানুহ
আগে ধৰে মান।

তামোল পানৰ দৰে অসমীয়া সমাজত কলগছ বা কলৰ ব্যৱহাৰ অতি গুৰুত্বপূৰ্ণ। বিশেষকৈ বিয়াসবাহ, উৎসৱ পাৰ্বন, তিথি সংক্ৰান্তি সকলোতে কল আৰু কলগছ অপৰিহাৰ্য্য। সেয়ে, মানুহে ঘৰখন পতাৰ আৰম্ভ কৰাৰ লগে লগে এজোপা হলেও কলগছ ৰোৱে। আজি কালি বৈজ্ঞানিক পদ্ধতিৰে কলগছ ৰোৱা বা ৰাসায়নিক

সাৰ প্ৰয়োগৰ নিৰ্দ্দেশনা আছে যদিও সাৰৰ প্ৰয়োগিক দিশত অজ্ঞ খেতিয়কে ডাক বচনত কোৱা মতেহে কলগছ কৰ বিচাৰে। ডাকে কৈছে

'এহাত এমুঠন কলৰ পোত,
তেহে চাবা কলৰ গোট'।
আঠিয়াত গোবৰ, মনোহৰত জাবৰ,
পুৱাত খাই, মালভোগত চাই।

সেইদৰে কোন মাহত কলগছ কৰ নেপাই তাৰ নিৰ্দ্দেশনাও ডাকে দিছে। ভাদ মাহত অতিবৃষ্টিৰ ফলত কলগছ মৰি যোৱাৰ সম্ভাৱনা থাকে, সেয়ে ভাদ মাহত কলগছ ৰোৱাতো নিসিদ্ধ বুলি কৈছে —

ভাদত কল কৰি ৰোপন,
সবংশে মৰিল লঙ্কাৰ ৰাৱন।

অসমৰ গ্ৰাম্য সমাজৰ আটাইতকৈ বেছি ডাক বচনৰ প্ৰভাৱ পৰিছে কৃষি-কৰ্ম্মত। আধুনিক কৃষিত বিজ্ঞানসম্মত পদ্ধতি বা ৰাসায়নিক সাৰৰ প্ৰয়োগ আদিৰ বহল প্ৰচলন হৈছে যদিও কৃষি আৰু কৃষকৰ বাবে ডাকৰ বচন বেদৰ বাণী সদৃশ হৈয়ে আছে।

ডাকে বোলে বাপু শুনা উপায়;
বাণিজ্যৰ ফল কৃষিতেহে পায়।
যিজনে সদায় কৃষিক কৰে;
সমস্ত সম্পদ পাইবা ঘৰে।

এইবচন সাৰোগত কৰিয়েই যেন কৃষকে খেতি কৰিছে সেইটো ধাৰণা নোহোৱা নহয়। আমাৰ কৃষকে আহু আৰু শালি দুয়োবিধ ধানৰে খেতি কৰে। শালি ধানৰ খেতিৰ বাবে পানী অপৰিহাৰ্য্য। সেয়ে, শালিখেতিত পানী ৰখাৰ সম্পৰ্কে ডাকে উপদেশ দিছে—

আহিন কাতিত ৰাখিবা পানীক,
ৰজাই যেনেকৈ ৰাখে ৰাণীক।
ঘন ঘনকৈ দিবা আলি,
তেহে খাবা নানান শালি।

আকৌ কোনবিধ ধানৰ বাবে কিমান পানী থাকিলে ভাল হয় বা ধানৰ কঠিয়া ৰূলে কেনেকৈ কৰ লাগে ডাক বচনত কৈছে—

আহু কৰা খোজত বুৰি,
শালি কৰা বেগত জুৰি,
যেবে দেখা আঠুৰ ওপৰ পানী,
তেবে গোছ দিবা হাতক ছানি।

খেতি চপোৱাৰ পিছত চহকী কৃষকৰ গৃহস্থলী সম্পৰ্কেও এইদৰে কৈছে—

পুহত আহু জেঠত শালি
তেবেসে জানিবা গৃহস্থালী।
ওপৰে যিমান, তলে সিমান, তাকে বোলে ছিৰি,
ন সাঁচি পুৰণি খায়, তাকে বোলে গিৰি।

মাটি ভালদৰে চহালে যে নানাবিধ খেতি কৰিব পাৰি তাৰ আভাযো দিছে

যোল চাহে মূলা, তাৰ অৰ্দ্ধেক তুলা,
তাৰ অৰ্দ্ধেক ধান, বিনা চাহে পান।

বানপানী খেতিৰ বাবে সৰ্ব্বনাশৰ কাৰণ; কিন্তু বানে নামাৰি পলস পেলাই যোৱা মাটিত যে উৎকৃষ্ট খেতি হয় সেইকথাও এইদৰে দোহাৰিছে—

কথাৰ ৰস পায় যদি কৰ জানে
কৃষি ৰস পায় যদি নামাৰে বানে,
ভোজনৰ ৰস পায় যদি পৰশে আই
নাৰৰ ৰস পাই যদি নিয়ে বাই।

এনেদৰেই ডাকৰ বচনবোৰে অসমীয়া সমাজৰ প্ৰতিটো স্তৰতে প্ৰভাৱ পেলাইছে। সেয়েহে আমাৰো বিশ্বাস হয় ডাক নামৰ যদি প্ৰকৃততে কোনোবা পুৰুষ আছিল তেনেহলে তেওঁ মহাজ্ঞানী গবেষক আছিল। নহলে নিশ্চয় এনে বচনবোৰ কোনোবা যুগৰ বিদগ্ধ পণ্ডিত সকলৰ ৰচনাকে বুজাব।

কোনো এটা জাতিৰ ভেটি হ'ল ভাষা সাহিত্য আৰু কলা-কৃষ্টি। গতিকে অসমীয়া জাতিটোক জাকত জিলিকা কৰিব লাগিলে প্ৰত্যেকেই ভাষা সাহিত্য আদিৰ ক্ষেত্ৰত সজাগ হব লাগিব আৰু উন্নতিৰ বাবে যত্ন কৰাতো প্ৰয়োজন হব। ডাকৰ বচনবোৰো যিহেতুকে অসমীয়া সমাজৰ প্ৰতিটো স্তৰতে আছে যেনে বেহা বেপাৰ, কৃষি, ৰাজকৰ্ম্ম আদিত পথ প্ৰদৰ্শকৰ ভূমিকা লৈছে, সেয়েহে এইবোৰ সম্পূৰ্ণ ৰূপে সংৰক্ষন কৰি বিজ্ঞান সম্মতভাৱে আলোচনা কৰিলে ভাষা সংস্কৃতিৰ ক্ষেত্ৰত অধিক মূল্যায়ন হব। ইয়াৰ লগে লগে ভাষা আৰু সাহিত্যবো অধিকতাৰ উন্নতি হব বুলি ধাৰণা কৰিব পাৰি। □

গ্ৰন্থপঞ্জী ঃ

১। 'ডাকে বোলে শুনা উপায়'—শ্ৰীঅতুল চন্দ্ৰ বৰুৱা ৩য় তাঙৰণ ১৯৬৯ চন।
২। 'দৰঙী কলা-কৃষ্টীৰ চমুকথা'—শ্ৰীৰজনী কান্ত বৰুৱা ১ম প্ৰকাশ ১৯৮৩ চন।
৩। ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ, মঙলদৈ মহাবিদ্যালয় ১৯৭৬ চন।
৪। ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি—ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ১ম প্ৰকাশ, ১৯৭৮

# প্ৰদূষণ ৰোধত উদ্ভিদৰ ভূমিকা

শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

আমি এতিয়ালৈ যিমানবোৰ সমস্যাৰ সন্মুখীন হৈ আহিছো তাৰ ভিতৰত প্ৰদূষণৰ সমস্যাটো বিশেষ ভাবে উল্লেখযোগ্য । অদূৰ ভবিষ্যতত পৃথিৱীত প্ৰাকৃতিক ভাৰসাম্য হেৰুৱাৰ এটা উপক্ৰম বৰ্ত্তমান সময়ত অনুভূত হৈছে । আমাৰ সুস্থ জীৱন ধাৰণৰ ক্ষেত্ৰত অন্ন, বস্ত্ৰ, আশ্ৰয়ৰ আৱশ্যকতাৰ লগত নিৰ্ম্মল বায়ু, বিশুদ্ধ পানী, উৰ্ব্বৰা মাটি আদিৰ মহামিলন অতীব প্ৰয়োজন । এই সকলোৰে সমতা ৰক্ষা কৰাত কিন্তু উদ্ভিদেহে মূল ভূমিকা গ্ৰহণ কৰে । চিৰন্তন সত্যটো হ'ল — উদ্ভিদৰ ছত্ৰছায়াতেই আমাৰ অস্তিত্ব । সেয়ে উদ্ভিদৰ সংৰক্ষণ আৰু ইয়াৰ সম্প্ৰসাৰণ অতি গুৰুত্বপূৰ্ণ ।

আমাৰ প্ৰায়োগিক দিশত উদ্ভিদৰ প্ৰভাৱ তিনি ধৰণে পৰিস্ফুট হয়— উৎপাদনমূলক, সৌন্দৰ্য্যবৰ্দ্ধক আৰু ৰক্ষণমূলক ।

উৎপাদনমূলক দিশটোৱে খাদ্য-সম্ভাৰ যোগোৱাৰ উপৰিও আমাৰ আৰ্থ সামাজিক দিশত নানাভাৱে সহায় কৰে ।

উদ্ভিদৰ সৌন্দৰ্য্যবৰ্দ্ধক গুণটোৱে আমাৰ মনত বিমল আনন্দৰ সমাবেশ ঘটাই মানসিক খাদ্যৰ যোগান ধৰে ।

ৰক্ষণমূলক দিশটোৱে বিশেষকৈ প্ৰদূষণ ৰোধত আগভাগ লয় । তাৰোপৰি বায়ুমণ্ডলৰ গেছীয় ভাৰসাম্য ৰক্ষা কৰি নিৰ্মল বায়ু প্ৰদান কৰা, জলবায়ু নিয়ন্ত্ৰণ, বানপানী তথা খৰাং অৱস্থা প্ৰতিৰোধ কৰা, মাটিৰ গুণাগুণ অক্ষুন্ন ৰখা আদিৰ ক্ষেত্ৰত উদ্ভিদৰ প্ৰভাৱ অতুলনীয় । আকৌ বন্যপ্ৰাণীৰ আশ্ৰয়, নানাবিধ উদ্ভিদৰ ঔষধিগুণৰ প্ৰভাৱ আদিয়েও উদ্ভিদৰ ৰক্ষণমূলক দিশটোকে বুজায় ।

জীৱ-জন্তুৰ নিশ্বাস, পচন আদি প্ৰাকৃতিক প্ৰক্ৰিয়া ইন্ধন প্ৰজ্জ্বলন, কল-কাৰখানাৰ ধোঁৱা আদি বিভিন্ন উৎসৰ পৰা বায়ুত কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমাণ বাঢ়িগৈ আছে । বৈজ্ঞানিকসকলে ইতিমধ্যে মত প্ৰকাশ কৰিছে যে সূৰ্য্যৰ অৱলোহিত ৰশ্মি (Infra red rays) শোষণ কৰাৰ ক্ষমতা কাৰ্বন-ডাই-অক্সাইডৰ আছে । এইবোৰ প্ৰক্ৰিয়াৰ প্ৰভাৱত ক্ৰমবৰ্দ্ধমান ৰূপত যদি কাৰ্বন-ডাই-অক্সাইডৰ পৰিমান বায়ুত বাঢ়ি গৈ থাকে তেনেহলে পৃথিৱীৰ উত্তাপ নিঃসন্দেহে বৃদ্ধি হব আৰু উত্তাপ বাঢ়িলেই মেৰু অঞ্চলৰ বৰফ গলি সমুদ্ৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি কৰিব । তেতিয়া নদীবোৰ প্লাৱিত হৈ সমভূমি অঞ্চল জলমগ্ন কৰিব । আনহাতে বৰ্দ্ধিত তাপশক্তিয়ে ঘূৰ্ণিবতাহৰ সৃষ্টি কৰিব ।

বায়ুত কাৰ্বন-ডাই-অক্সাইড বাঢ়ি গলে নিৰ্ম্মল বায়ুৰ অভাৱত প্ৰধানকৈ আমি শ্বাস-প্ৰশ্বাসলৈ জীয়াই থকাটোৱে অসম্ভৱ হব ।

সেয়ে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়িবলৈ নিদিয়াৰ ঐকান্তিক প্ৰচেষ্টা আমি সদায় অক্ষুন্ন ৰাখিব লাগে। উদ্ভিদে এই ক্ষেত্ৰত মূখ্য ভূমিকা গ্ৰহণ কৰে; উদ্ভিদ অবিহনে কাৰ্বন-ডাই-অক্সাইডৰ বৃদ্ধিত বাধা দিয়া সম্ভৱ নহয়। সেউজীয়া উদ্ভিদে সালোক সংশ্লেষণ প্ৰক্ৰিয়াত কাৰ্বন-ডাই-অক্সাইড গ্ৰহণ কৰে আৰু লগে লগে বায়ু মণ্ডলত অক্সিজেন এৰি দি বায়ু নিৰ্মল কৰি ৰাখে। পৃথিৱীৰ বুকুত গছ-গছনিৰ বৃদ্ধিয়ে এহাতে কাৰ্বন-ডাই-অক্সাইডৰ বৃদ্ধিৰ ভয়াবহতাৰ পৰা আৰু আনহাতে আমাক অক্সিজেন নাটনিৰ পৰা ৰক্ষা কৰিব। সেয়ে উদ্ভিদৰ উপকাৰী দিশবোৰ পাহৰি আমি উদ্ভিদ হনন কাৰ্যাত লিপ্ত হলে আত্ম ধ্বংসক আহ্বান কৰা হব।

জলবায়ুৰ পৰিবৰ্তন, অতিবৃষ্টি অনা-বৃষ্টি ইত্যাদি আমাৰ আন এটা প্ৰধান সমস্যা। এই সমস্যাবো জন্মলগ্নত জড়িত আছে অৰণ্যহনন। বিজ্ঞানী সকলে মত দৰ্শাইছে যে শতকৰা ২০ (বিশ) ভাগ অৰণ্য ধ্বংস হলেই প্ৰকৃতিৰ ভাৰসাম্য নাইকিয়া হয়। তাবোপৰি বনভূমিয়ে তাৰ স্বাভাৱিক প্ৰতিৰোধ ক্ষমতা হেৰুৱাই পেলায়। ভূমিস্খলন ৰোধৰ ক্ষেত্ৰত উদ্ভিদে সদায় মূখ্য ভূমিকা লৈ আহিছে।

আমাৰ আন এটা বৰ্ত্তমানৰ সমস্যা হৈছে কৃষি কৰ্মত ব্যৱহৃত ৰাসায়নিক পদাৰ্থৰ পৰা হোৱা প্ৰদূষণৰ সমস্যা। আমাৰ বৰ্দ্ধিত জনসংখ্যাৰ ভৰণ-পোষণৰ চিন্তাত পৰম্পৰাগত ভাবে ছলি অহা কৃষিকৰ্মৰ আধুনিকীকৰণ আৱশ্যক হৈছে জনবিস্ফোৰণৰ কুফলত অপৰিকল্পিত ভাবে গঢ়া বাসস্থান বা নানা প্ৰকল্পৰ বৃদ্ধিত বছৰি বহু খেতি মাটি ধ্বংস কৰা হৈছে। ফলত কৃষি উপযোগী মাটিৰ পৰিমাণ কমি গৈছে। লগে লগে আমি কম মাটিত অধিক খেতিৰ পৰিকল্পনা কৰিছো। উন্নত জাতৰ শস্য সৃষ্টিৰ উপৰিও অধিক ফচলৰ বাবে আমাৰ কৃষি মাটিত ৰাসায়নিক সাৰৰ প্ৰয়োগ ঘটোৱা হৈছে। তাবোপৰি ব্যৱহাৰ কৰা হৈছে নানাবিধ কীটনাশক পদাৰ্থ, শস্যৰ বিভিন্ন ৰোগ তথা অপতৃণ ধ্বংসৰ বাবে কেতবোৰ ৰাসায়নিক দ্ৰব্য। আমাৰ সীমিত জ্ঞানে ইয়াৰ সঠিক প্ৰয়োগত অপৰাগ হোৱাৰ ফলত সৃষ্টি কৰিছে প্ৰদূষণ আৰু তেতিয়াই হৈছে হিতে বিপৰীত। কিন্তু অকল উদ্ভিদৰ প্ৰয়োগতে এই সমস্যাৰ আমি সমাধান পাওঁ। বৈজ্ঞানিক ভাবে পৰ্য্যালোচনা কৰি দেখা গৈছে যে আমাৰ মাটিত বহু কেইবিধ উদ্ভিদে এই সাৰৰ কাম কৰে য'ত প্ৰদূষণৰ আশংকা লেশ মাত্ৰও নাথাকে। উদাহৰণ স্বৰূপে উৰহী জাতীয় উদ্ভিদৰ কথা কব পাৰি। দেখা গৈছে যে আমি ব্যৱহাৰ কৰা অধিক সংখ্যক সাৰেই হ'ল- নাইট্ৰ'জেন জাতীয়। আমাৰ বায়ুত যদিও অধিক পৰিমাণত নাইট্ৰ'জেন থাকে উদ্ভিদে পোনে পোনে তাক গ্ৰহণ কৰিব নোৱাৰে। কিন্তু মাটিত থকা কেই-বিধমান বেক্টেৰিয়াৰ বায়ুৰ নাইট্ৰ'জেন মাটিত সংস্থাপিত কৰাৰ ক্ষমতা আছে। Rhizobium নামৰ এনে এবিধ বেক্টেৰিয়াই উৰহী গোত্ৰৰ উদ্ভিদৰ শিপাত সোমাই কিছুমান টেমুনাৰ সৃষ্টি কৰে আৰু বায়ুৰ পৰা নাইট্ৰ'-জেন আহৰণ কৰি তাক নিৰ্দ্দিষ্ট পাচক ৰসৰ সহায়ত পৰিবৰ্ত্তন কৰি সাৰত পৰিণত কৰে। উৰহী জাতীয় শস্য চপোৱাৰ পিছত তাত বৈ যোৱা শিপাৰ টেমুনাবোৰে মাটিৰ উৰ্ব্বৰা শক্তি বঢ়ায় আৰু পৰবৰ্ত্তী শস্যক সাৰৰ যোগান ধৰে।

ধাননি পথাৰত বিয়পি থকা নীল হৰিৎশেলাই নামৰ উদ্ভিদেও বায়ুৰ নাইট্ৰ'জেন গ্ৰহণ কৰি সাৰৰ কাম কৰাব পাৰে। কিছুমান দেশত ধাননি পথাৰত নীল হৰিৎশেলাইৰ খেতি কৰি সাৰৰ কামত লগোৱাৰ কথা পোৱা যায়।

মেটেকাত জিবাৰিলিন (Gibberellin) নামৰ বৃদ্ধি কাৰক পদাৰ্থবিধ থকাৰ বাবে উদ্ভিদ-সাৰ হিচাপে মেটেকাক ব্যৱহাৰ কৰি সুফল পোৱা গৈছে। এইদৰে উদ্ভিদক সাৰ হিচাবে ব্যৱহাৰ কৰা প্ৰক্ৰিয়াত আমাৰ যথেষ্ট লাভ হয়—ফচল বাঢ়ে, প্ৰদূষণ কমে আৰু মাটিৰ গুণগত মান অক্ষুন্ন থাকে।

পথাৰত কীট পতঙ্গৰ পৰা শস্য

ৰক্ষা কৰাৰ অৰ্থত আৰু ভঁড়ালত সংৰক্ষণ কৰাৰ সময়তো সাধাৰণতে আমি নানাবিধ ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ কৰো। আমাৰ জ্ঞানৰ অপৰি-পক্কতাৰ ফলত যদি এই ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰত তাৰতম্য ঘটে তেনেহলে সংৰক্ষিত শস্যও প্ৰদূষিত হব। এই ক্ষেত্ৰতো উদ্ভিদে আমাৰ ত্ৰানকৰ্ত্তাৰ ভূমিকাত অংশ লব পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ Stored Products Insects Research and Development Laboratory' ত হেলেন ছি এফ চু নামৰ বিজ্ঞানী এজনে জালুকৰ গুৰি আৰু জালুকৰ পৰা এলকহলেৰে বাহিৰ কৰা ৰস বা আৰক প্ৰয়োগ কৰি ধান আৰু লেচেৰা মাহৰ ছবিধ মান পোক নিধন কৰাত সম্পূৰ্ণ সফল হৈছে বুলি সেই দেশৰ 'Agricultural Research' নামৰ আলোচনীত প্ৰকাশ পাইছে আৰু উদ্ভিদ সৃষ্ট এই উপাদানে প্ৰদূষণ ৰোধত সহায় কৰিছে।

'National Research Council,' United States ত চলোৱা এটা গৱেষণাৰ পৰা জনা গৈছে যে ধান, চাউল আদি শস্যৰ লগত নিম গছৰ পাত মিহলাই ৰাখিলেও পোক পৰুৱাই সহজে অনিষ্ট নকৰে।

পাত খাই জীৱন ধাৰণ কৰা পতঙ্গই নিম গছৰ গুটিৰ আৰক ঘঁহি থোৱা ছয়াবিন বা তেনে শস্যৰ পাত সাধাৰণতে নাখায় বুলি মাৰ্কিন বিজ্ঞানী এজনে সমীক্ষা এটাত প্ৰকাশ কৰিছে। নিম গুটি তিয়াই ৰখা পানী শস্যত ছতিয়ালে কীট-পতঙ্গৰ পৰা বহুপৰিমাণে হাত সাৰিব পাৰি।

David Morgan আৰু John Butterworth নামৰ বিজ্ঞানী দুজনাই মত দৰ্শাইছে যে নিম গছৰ গুটিৰ পৰা উলিওৱা Azadirachtin নামৰ পদাৰ্থবিধ DDT ৰ সলনি ব্যৱহাৰ কৰিব পাৰি আৰু Azadirachtin ৰ ব্যৱহাৰত প্ৰদূষণ সৃষ্টি নহয়। সেয়ে Azadirachtin অধিক ফলদায়ক।

আমাৰ দেশৰ লক্ষ্ণৌ চহৰত অৱস্থিত 'Indian Taxicological Institute' ত গৱেষণা কৰি পোৱা গৈছে যে নিম গছৰ পাতে বায়ুৰ পৰা দূষিত গেছ শোষণ কৰাৰ উপৰিও কিছু পৰিমাণে ধূলি শোষণ কৰে, ফলত বায়ু নিৰ্মলহৈ থকাত নিম গছে এটা বিশেষ ভূমিকা লয়।

অলপতে নিউইয়ৰ্কৰ এটা কোম্পানীয়ে নিম গছৰ পৰা তৈয়াৰ কৰা 'Margosan-O' নামৰ দ্ৰব্যবিধ নানাবিধ শস্য, নাৰ্চাৰী, বাগিছা আদি উদ্ভিদৰ ক্ষেত্ৰত প্ৰদূষণ সৃষ্টি নকৰা কীটনাশক দ্ৰব্য হিচাপে ব্যৱহাৰ কৰাৰ পৰামৰ্শ আগবঢ়াইছে।

আমেৰিকাৰ আন এটা সমীক্ষাত নিম গছৰ পৰা তৈয়াৰী Limnoids নামৰ পদাৰ্থবিধে পোক পৰুৱাৰ মাজত প্ৰজনন লিপ্সা হ্ৰাস কৰে বুলি প্ৰমাণ কৰিছে, ফলত পোক-পৰুৱাৰ বংশ বৃদ্ধিত বাধা পৰে।

প্ৰদূষণ মুক্ত প্ৰাকৃতিক কীটনাশক পদাৰ্থৰ ভিতৰত ৰেজিনযুক্ত Rotenone লেখত লবলগীয়া। ইয়াক Lonchocarpus utilis আৰু Derris elliptica নামৰ উদ্ভিদৰ শিপাৰ পৰা পাউদাৰ হিচাপে তৈয়াৰ কৰা হয়। মহ, মাখি পইতাঁচোৰা আদি নানাবিধ শস্য অনিষ্টকাৰী কীট পতঙ্গ ধ্বংসৰ বাবে ইয়াক ব্যৱহাৰ কৰি সুফল পোৱা গৈছে। Rotenone ৰ আন এটা গুণ হ'ল মাছ ধৰিবলৈ যদি ইয়াক পুখুৰী বা বিল আদিত চতিয়াই দিয়া হয় তেনেহলে মাছ পানীৰ ওপৰলৈ ভাঁহি উঠে আৰু তেতিয়া মাছ সহজে ধৰিব পাৰি। এই মাছ ভক্ষণ কৰিলেও মানুহৰ একো অনিষ্ট নহয়।

Pyrethrum নামৰ আন এবিধ উদ্ভিদ-সৃষ্ট কীট নাশক দ্ৰব্য Chrysanthenum Cinerariifolium নামৰ উদ্ভিদৰ পৰা তৈয়াৰ কৰিছে। এইবিধ দ্ৰব্যই শস্য অনিষ্টকাৰী কিছুমান কীট পতঙ্গ নাশ কৰিব পাৰে। এই-বিধ পদাৰ্থৰ আন এটা গুণ হ'ল ই শীতল ৰক্তী প্ৰাণীক সহজে ধ্বংস কৰে কিন্তু মানুহ বা আন উষ্ণৰক্তী প্ৰাণীৰ একো ক্ষতি নকৰে। DDTৰ দৰে ইও মেলেৰিয়াৰ জীৱাণু বিস্তাৰত বাধা দিব পাৰে। ফলত পৰিবেশ তন্ত্ৰ প্ৰদূষিত নহয়।

প্ৰদূষণ সূচনাৰ আগলি বতৰা দিয়াৰ ক্ষেত্ৰতো উদ্ভিদে আমাক সহায় কৰে। মছ জাতীয় কেইবিধমান

উদ্ভিদে বায়ুত প্ৰদূষণ কৰাক কিছু ৰাসায়নিক পদাৰ্থৰ উপস্থিতিৰ বিষয়ে জানিব দিয়ে। Tyler আৰু Rubling (১৯৭৯) নামৰ বিজ্ঞানী দুজনাই মছৰ শোষিত পদাৰ্থৰ বিশ্লেষণ পৰীক্ষা কৰি এই কথাৰ প্ৰমাণ কৰিছে।

পৰিবেশ অনুভূতিশীল কপৌজাতীয় (Orchid) উদ্ভিদেও প্ৰদূষিত হবলৈ ধৰা বায়ুৰ পৰিবৰ্ত্তিত লক্ষণৰ বিষয়ে আগলি বতৰা দিয়াৰ ভূমিকাত অৱতীৰ্ণ হয়। প্ৰদূষিত পৰিবেশত কপৌফুল জাতীয় গছৰ চৰিত্ৰৰ কিছু পৰিবৰ্ত্তন হোৱা দেখা যায়।

এইদৰে পৰ্য্যালোচনা কৰি বুজা যায় যে প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত উদ্ভিদৰ প্ৰয়োজন শীৰ্ষত। তথাপি আমি ভুল কৰো। ব্যক্তিগত স্বাৰ্থত গছ-গছনিৰ হনন আমাৰ অবিবেচনাৰ ফল আৰু তাৰে প্ৰতিক্ৰিয়াৰ নিমজ্জিত হব ধৰিছে আমাৰ ভৱিষ্যত। প্ৰদূষণৰ ভয়াবহতাৰ প্ৰতি শঙ্কিতহৈ পৃথিবীৰ প্ৰায় দেশ সমূহে নিৰ্দ্দিষ্ট আইন-আঁচনি প্ৰনয়ণ কৰি এখন নিকা পৃথিবীৰ সৃষ্টিত প্ৰচেষ্টা হাতত লৈছে।
আনকি সকলোৱে লগহৈ বুজা-বুজিৰে প্ৰদূষণ ৰোধৰ এক উমৈহতীয়া চিন্তাৰ প্ৰায়োগিক দিশত বৰ্ত্তমান অগ্ৰসৰ হবলৈ লৈছে। আমাৰ দেশতো এই বিষয়ত কাৰ্য্যকৰী ব্যৱস্থা ৰূপায়ন কৰাৰ অৰ্থত চৰকাৰী-বেচৰকাৰী বহু সংস্থাৰ সৃষ্টি হৈছে। ইতিমধ্যে কিছুবছৰ আগতে ভাৰতবৰ্ষত 'ৰাষ্ট্ৰীয় আবাদী ভূমি উন্নয়ন নিগম' নামৰ প্ৰতিষ্ঠানটো গঢ়ি তেওঁলোকৰ দায়িত্বত দেশৰ ছন পৰা মাটিত বনাঞ্চল সৃষ্টি কৰিবলৈ দিয়া হৈছে। এই পটভূমিতে সামাজিক বনানীকৰণৰ প্ৰয়োজনীয়তা স্বীকৃত হৈছে।

আমাৰ প্ৰাণ সঞ্জীৱনী এনেহেন মহান উদ্ভিদৰ সংৰক্ষণ তথা সম্প্ৰসাৰণত ব্ৰতীহৈ প্ৰদূষণ নিমূলকৰণৰ প্ৰতি এক জনজাগৰণৰ্ বচনাত আমি প্ৰত্যেকে অংশ লোৱা উচিত।

( ছাঁলৈ লিখা প্ৰবন্ধ )

## মহৎলোকৰ বাণী

- মানৱ সমাজত সাহিত্য কলা এবিধ বৰ চোকা অস্ত্ৰ। ইয়াৰ নিপুণ ব্যৱহাৰেদি কেতিয়াবা জাতি ভাঙিব পাৰি আৰু কেতিয়াবা জাতি গঢ়িব পাৰি। —প্ৰসন্নলাল চৌধুৰী
- পৰিশ্ৰম বিমুখতাতকৈ মাৰাত্মক বস্তু একো নাই। ইয়াৰ ফলত অভ্যাস নষ্ট হয়। অভ্যাস এৰা সহজ কিন্তু অৰ্জন কৰা টান। — ভিক্তৰ হুগো
- জুয়ে শুকান খৰি পুৰি চাই কৰাৰ দৰে ঈষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়। —হজৰত মহম্মদ
- "নিজক সদায় আনন্দত ৰাখিবা। আনন্দময় উৎসাহী আৰু শক্তি মানৱ কাৰণেহে এই জগতখন দুৰ্বলিৰ কাৰণে নহয়"। —এমাৰ্ছন
- "সত্যৰ মুখামুখি হবলৈ ভয় নকৰিবা। সত্য সদায় ভয়ঙ্কৰ। যি কাপুৰুষ, তেওঁহে কেতিয়াও সত্যৰ মুখা মুখি হব নোৱাৰে।" — হোমেন বৰগোঁহাঞি

# শিলত কটা গুহা এলিফেণ্টা

শ্ৰীহেমন্ত কুমাৰ বৰুৱা
প্ৰাক্তন ছাত্ৰ, মঙলদৈ মহাবিদ্যালয়

পশ্চিম ভাৰত শিলত কটা গুহা মন্দিৰৰ বাবে বিখ্যাত। খৃষ্টপূৰ্ব প্ৰায় দ্বিতীয় শতিকাৰ পৰা খৃষ্টীয় দ্বাদশ শতিকাৰ ভিতৰত নিৰ্মিত বহুতো গুহা বোম্বাইৰো ওচৰে-পাজৰে দেখিবলৈ পোৱা যায়। এইবোৰৰ ভিতৰত কানহেৰী আৰু কান্দিভেলিৰ বৌদ্ধ ধৰ্মীয় শিলত কটা মন্দিৰ। এলিফেণ্টা, মন্দপেশ্বৰ আৰু যোগেশ্বৰীৰ হিন্দু ধৰ্মীয় মন্দিৰবোৰ আছে।

বোম্বাই চহৰৰ ওচৰত আৰব সাগৰৰ মাজত এটা পাহাৰীয়া দ্বীপ। ইয়াত এটি গুহামন্দিৰ আছে। এই গুহাটোৰ নামেই এলিফেণ্টা। ইয়াত যাবলৈ হলে Gate way of Indiar ওচৰৰ পৰা জাহাজত যাব লাগে। এঘণ্টাৰ বাট।

এই দ্বীপটোৰ পুৰণি নাম আছিল ঘৰপুৰী। পাছলৈ ইয়াৰ মুখ্য শিলটোৰ নামেৰে এই ঠাইখনৰ নাম এলিফেণ্টা ৰখা হয়। কিন্তু বৰ্ত্তমান বোম্বাইত এই ঠাইখনৰ নাম ভিক্টোৰিয়া গাৰ্ডেন বুলি যনা যায়। এলিফেণ্টাৰ বিষয়ে জনাৰ সমল বৰ কম। চতুৰ্থ শতিকাৰ কিছুসংখ্যক এবাৰ মুদ্ৰা ইয়াত পোৱা গৈছে। তথাপিও ৬৩৫ খৃঃত বাদামীৰ চালুক্যৰজা দ্বিতীয় পুলকেশীয়ে কংকণৰ মৌৰ্য্য শাসনকৰ্তাক এই দ্বীপত নৌযুদ্ধত পৰাজিত কৰাৰ আগৰ এলিফেণ্টাৰ বুৰঞ্জী পোৱা নাযায়।

ইয়াত তিনিটা গুহা আছে (শিলত কটা মন্দিৰ)। এইবোৰৰ ভিতৰত এটা শিৱৰ নামত। ইয়াত তেওঁৰ বিভিন্ন মূৰ্ত্তি আছে। আন দুটা কোনো এজন মুখ্য দেৱতাক লক্ষ্য কৰি বনোৱা নহয়। তথ্যৰ পৰা জনা যায় যে মুখ্য গুহাটো খৃঃ সপ্তম শতিকাৰ মাজ ভাগত বনোৱা হৈছিল। মুখ্য গুহাটো চাৰিখন দুৱাৰে সৈতে শিলৰ খুটাৰ ওপৰত এটা সৰু মন্দিৰ। ইয়াৰ স্তম্ভবোৰত পহৰাৰত সৈনিকৰ মূৰ্ত্তি খোদিত কৰা হৈছে। এইটো গুপ্ত আৰু চালুক্য শিল্পকলাৰ অদ্বিতীয় নিদৰ্শন। ডাঙৰ শিলত মনোমোহা দেৱতাৰ মূৰ্ত্তি প্ৰহৰীৰ মূৰ্ত্তি আৰু স্তম্ভবোৰৰ চাৰিওকালে থকা আসন বোৰে চালুক্য শিল্পকলাৰ নিদৰ্শন ডাঙি ধৰে। ইয়াত অঙ্কিত পাহাৰ মেঘ আৰু তিৰোতাৰ কেশ বন্ধনে গুপ্ত কলাৰ স্মৃতি ৰোমন্থন কৰাই। শিলৰ স্তম্ভবোৰত শিৱৰ অনুগ্ৰহ মূৰ্ত্তি, ৰুদ্ৰ-মূৰ্ত্তি আৰু মহেশ্বৰ মূৰ্ত্তি খোদিত কৰা হৈছে। পিছফালৰ বেৰৰ মাজত বৃহত মহেশ্বৰ মূৰ্ত্তিৰ কাৰুকাৰ্য্যই চালুক্য আৰু গুপ্ত কলাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। মাজত শিৱৰ শান্ত মূৰ্ত্তিয়ে ত্ৰানকৰ্তাৰ নিদৰ্শন, বাওঁফালৰ ৰুদ্ৰমূৰ্ত্তিয়ে ধ্বংস নিদৰ্শন আৰু সোঁফালৰ নাৰীশ্বৰ মূৰ্ত্তিয়ে সৃষ্টি কৰ্ত্তাৰ নিদৰ্শন।

কাষৰ বেৰৰ অন্যান্য মুখ্য স্তম্ভবোৰত যোগীশিৱ নটৰাজ, অৰ্ধনাৰীশ্বৰ, গঙ্গাধৰ, অন্ধকালুৰ মৰ্দন, আৰু ৰাৱণনুগ্ৰহ শিৱৰ মূৰ্ত্তি আছে।

চোতালৰ মাজত শিলত কটা ঘূৰনীয়া ঠাইখিনিয়ে শিৱৰ বাহন নন্দীৰ মূৰ্ত্তিৰ ঠাই বুলি ধাৰণা কৰিব পাৰি।

কাষৰ গুহাটো এটা সৰু মন্দিৰ আছে আৰু এটা প্ৰদক্ষিণ পথ আছে। এই গুহাৰ এটা স্তম্ভত মনোমোহা অষ্টমাতৃক (আঠোটা দেবী) মূৰ্ত্তি আছে। লগতে তেওঁলোকৰ পহৰা দি থকা কাৰ্ত্তিক আৰু গনেশৰ মূৰ্ত্তিও আছে। এলিফেণ্টাৰ বিষয়ে বৰ্ত্তমানলৈ পোৱা তথ্য সমল এই খিনিয়েই আছে। □

(সহায়লৈ লিখা হৈছে।)



# পাথৰিঘাটৰ কথা

আব্দুল মজিদ
কাৰ্য্যালয় সহায়ক

দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত পাথৰিঘাট এখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই। ই মঙ্গলদৈ চহৰৰ পশ্চিম প্ৰান্তত ১৪ কিলোমিটাৰ দূৰত অৱস্থিত। পাথৰিঘাটৰ পুৰণা নাম আছিল পথৰুঘাট। পথৰুঘাট নামটো হৈছিল পথৰু নামৰ এজন মানুহৰ নামেৰে। উক্ত পথৰুনামৰ মানুহজনৰ ঘৰৰ সঠিক বিবৰণী দিব পৰা নগ'ল। মঙ্গলদৈৰ পৰা খেৰাবাৰীলৈ যিটো গড়কাপ্তানী বিভাগৰ কেঁচা ৰাস্তা গৈছে উক্ত ৰাস্তাটো অতীততে নিৰ্মিত যদিও নদীৰ ওপৰত কোনো দলং আদিৰ ব্যৱস্থা নাছিল। নদী পাৰ হব লাগিলে নাৱঁৰ বাহিৰে অন্য উপায় নাছিল। সেই সময়ত পাথৰিঘাটৰ দ্বিগজ নদী পাৰ হোৱাত যাত্ৰীসকলক সহায় কৰিছিল উক্ত পথৰু নামৰ লোকজনে এক অনা দুই অনা পইচাৰ বিনিময়ত তেখেতৰ সৰু চুচি নাওখনিৰে। বৰ্ত্তমান পাথৰিঘাটৰ দ্বিগজ নদীৰ ওপৰত থকা কাঠৰ দলঙৰ গুৰিত যিটো ঘাট আছে সেই ঘাটতে পথৰুনামৰ মানুহজনে পথ যাত্ৰীবোৰক নাৱেৰে ইপাৰ সিপাৰ কৰিছিল। সেয়েহে উক্ত ঠাইখিনিৰ নাম ৰখা হৈছিল পথৰুঘাট। এতিয়া পথৰুঘাটৰ পৰিৱৰ্ত্তে অলপ শুৱলাকৈ পাথৰিঘাট নামেৰে নামাকৰণ কৰা হৈছে।

পাথৰিঘাটৰ অন্তৰ্গত গাওঁ ব্যাসপাৰা, বৰকলিয়াঝাৰ, তুৱাই, নিৰনচুবা, বৰকুমাৰপাৰা, ঘোপা, পিপিৰাকুছি. দাহি, পাতিদৰং, কৈকৰা, আঠকুৰীয়াপাৰা, ঘিলাকুৰী, বৰমপুৰ, চেঙাপাৰা, খতৰা ইত্যাদি গাওঁৰ হিন্দু মুছলমান ৰাইজে ঐতিহাসিক যুগৰ পৰা একত্ৰিতভাবে মিলাপ্ৰীতিৰে আনুষ্ঠানিক বা ব্যক্তিগত কাৰ্য্যবোৰ কৰাৰ উদাহৰণ আমি পাই আহিছো।

১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে পাথৰিঘাটৰ অন্তৰ্গত ওপৰত উল্লিখিত গাওঁবাসী কৃষক ৰাইজে ইংৰাজৰ বিৰুদ্ধে যি আন্দোলন কৰিছিল সেই আন্দোলন হৈছিল বৰ্দ্ধিত হাৰত খাজানা নিদিবলৈ কৰা আন্দোলন। ১৮২৬ চনৰ পৰা ইয়াণ্ডাবু সন্ধিৰ মৰ্মে অসমত ইংৰাজে ৰাজত্ব কৰিছিল। তেতিয়াৰ পৰাই অসমীয়া ৰাইজক বিভিন্ন প্ৰকাৰে অৰ্থনৈতিক দিশত শোষণ কৰিবলৈ লৈছিল। সেই পৰিপ্ৰেক্ষিতত উক্ত আন্দোলন অসমৰ কৃষক ৰাইজৰ মাজত

গঢ়ি উঠিছিল। সেই সময়ত অত্যাচাৰী শোষণকাৰী ইংৰাজ শাসক সকলে দৰং জিলাৰ মঙ্গলদৈ চহৰক সদৰ হিচাপে লৈ শাসনৰ সুবিধাৰ্থে পাথৰিঘাটত এটি চাবডিপুটি চাৰ্কোল অফিচ স্থাপন কৰিছিল। ইংৰাজ শাসকে পাথৰিঘাটৰ ৰাইজৰ জনমতৰ বিৰুদ্ধে প্ৰতিখন হালৰ বাৰ্ষিক খাজানা পাঁচসিকিৰ পৰিবৰ্তে পাঁচ টকালৈ বৃদ্ধি কৰিছিল। তহচিলদাৰৰ জৰিয়তে বৰ্দ্ধিত হাৰত খাজানা দিবলৈ ৰাইজক নোটিচ জাৰি কৰে। বৰ্দ্ধিত হাৰৰ খাজানাৰ নোটিচ পাই ৰাইজ জাগ্ৰত হয় আৰু ৰাইজে ৰাইজ মেল পাতি বৰ্দ্ধিত হাৰত খাজানা নিদিবলৈ স্থিৰ কৰিলে। ৰাইজে তহচিলদাৰক খাজানা নিদিয়াৰ আপত্তিটো অৱগত কৰিলে। তহচিলদাৰেও ৰাইজৰ সকলোবোৰ আপত্তি জিলাধিপতি মিঃ এণ্ডাৰচন আৰু মহকুমাধিপতি মিঃ বেমচনক জনালে। জনোৱাৰ পিছতেই ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে জিলাধিপতি আৰু মহকুমাধিপতিয়ে নশস্ত্ৰ চিপাহীলৈ পাথৰিঘাটৰ চাৰ্কোল অফিচত উপস্থিত হৈছিল। তেওঁলোকৰ উপস্থিতিৰ কথা জানিব পাৰি ৰাইজ দলেবলে অফিচৰ সন্মুখত গোট খালে। কৃষক ৰাইজৰ ওপৰত জাপি দিয়া বৰ্দ্ধিত হাৰত খাজানা নিদিয়াৰ আপত্তি দৰ্শাবলৈ। হিন্দু মুছলমান কৃষক ভাই সকলে মুখত হৰিবোল আৰু আল্লাহু আকবৰ ধ্বনি তুলিলে।

তেনেতে দুষ্ট-চাহাবহঁতে ভয়ত স্তম্ভিত হ'ল আৰু লাঠি চালনাৰ আদেশ দিলে। আদেশ পোৱা মাত্ৰেই চিপাহীহঁতে ৰাইজক জধে মধে কোবাবলৈ ধৰিলে। ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হয় সেয়ে ৰাইজ অতিকৈ উত্তেজিত হ'ল আৰু অস্ত্ৰ হিচাপে ৰাইজে দলিচপৰা হেঙাৰৰ গোজ আদি ফৰ্মূটিৰে চাহাব আৰু চিপাহীহঁতক যুদ্ধৰ প্ৰত্যুত্তৰ দিলে। সিমানতে ৰাইজ ক্ষান্ত নাথাকি অফিচটো জ্বলাবলৈ চেষ্টা কৰিলে। উপাইহীন হৈ চাহাব জিলাধিপতিয়ে ৰাইজক ছত্ৰভঙ্গ দিয়াবলৈ গুলী চলোৱাৰ নিৰ্দ্দেশ দিলে। নিৰ্দ্দেশ পোৱাৰ লগে লগে চিপাহীৰ ৰাইফলৰ গুলীৰ গুৰুম্ গুৰুম্ শব্দ বাজি উঠিল আৰু নিমিষতে অফিচৰ চাৰিওদিশ ক'লা বগা ধোৱাৰে ধূৱলিময় হ'ল। লগে লগে সাতকুৰি হিন্দু মুছলমান ভায়ে অত্যাচাৰী শোষক ইংৰাজ চিপাহীৰ হাতত চিৰদিনৰ বাবে অসমী আই তথা পাথৰিঘাট অঞ্চলৰ পৰা বিদায় লবলগীয়া হ'ল। অগনন লোক চিৰদিনৰ বাবে পঙ্গু হ'ল। বহুতো লোকক কাৰাগাৰত বন্দী কৰিলে। নিহত ১৪০ জন হিন্দু মুছলমান লোকক একেলগে এটা কবৰতে কবৰস্থ কৰা হ'ল। সেই অত্যাচাৰী ৰক্তপিপাসু শোষণকাৰী ইংৰাজ শাসকে নিৰীহ কৃষকৰ ন্যায্য দাবী তোলা বিদ্ৰোহক বন্দুক বাৰুদেৰে দমন কৰিবলৈ লৈছিল যদিও পাথৰিঘাটৰ ৰাইজৰ অন্তৰত ন্যায্য বিদ্ৰোহৰ ওৱ নপৰিল বা পেলাব নোৱাৰিলে। পাথৰিঘাটৰ হিন্দু মুছলমান ৰাইজে অতীতৰ পৰা সাম্প্ৰদায়িক সংহতি, সম্প্ৰীতি জাতীয় সংস্কৃতি বজাই ৰাখি অসম তথা ভাৰতবৰ্ষৰ গৌৰৱ অক্ষুন্ন ৰাখিছিল। কিন্তু দুখৰ বিষয় অসম বুৰঞ্জী তথা ভাৰত বুৰঞ্জীয়ে ৰণভূমি পাথৰিঘাটৰ ঐতিহাসিক কোনো ঘটনাকে লিখিত ৰূপত ধৰি নেৰাখিলে।

অসমীয়া জাতিটো অতি সৰল, নম্ৰ আৰু সহিষ্ণু। এই জাতিটোৰ ওপৰত শোষণকাৰীহঁতে অৰ্থনৈতিক দিশত শোষণ কৰাৰ বাহিৰেও উচ্চ শিক্ষা লোৱাৰ পৰা বঞ্চিত কৰিছিল। শিক্ষা থাকিলেও উচ্চ পদস্থ চাকৰি নিদিছিল। সেই শোষণনীতি অৱলম্বন কৰি অসমৰ ৰাইজৰ পানীত হাঁহ নচৰা অৱস্থা কৰিছিল। কিন্তু অসমীয়া জাতিয়ে এই নীতি ওফৰাই পেলোৱাৰ জ্বলন্ত উদাহৰণ পথৰিঘাটৰ কৃষক ৰাইজে ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে বাস্তৱত ৰূপায়িত কৰি দেখুৱালে।

উক্ত উদাহৰণ বজাই ৰাখি বৰ্ত্তমান বা ভৱিষ্যত চামে আগবাঢ়িলে দেশ তথা নিজৰ উন্নতি নিশ্চিত।

# কবিতা

## বেদনা

মঃ আছাদ আলী
স্নাতক ৩য় বাৰ্ষিক ( কলা )

শব্দবোৰ.
অন্তৰ ভেদি
আহিব নোৱাৰে ।
মই যেতিয়া
জানিব পাৰোঁ
তোমালোকৰ জীৱনবোৰ মাথোন
অভিনয় ।
কথাবোৰ সাঁথৰ ।
তেতিয়াই ভাব হয়
মই যেন সকলো
হেৰাই পেলালোঁ ।
জীয়াই থকাৰ সমল বুলিবলৈ
মোৰ যেন একোৱেই নাই ।

## কবিতা

মহাদেৱ নাথ
২য় বৰ্ষ উঃ মাঃ ( বিজ্ঞান )

অন্ধকাৰ নিশা
নীৰৱতাৰ শ্মশান
উত্তপ্ত অগনি ;
এজাক চেঁচা বতাহ ।
সকলো উজাগৰি
প্ৰীতি-ভোজ
আমোঘ উপবাসৰ ।

## স্বপ্ন ব'হাগ

মিছ বিনীতা শৰ্ম্মা
স্নাতক ১ম বাৰ্ষিক (কলা)

এখনি
অনামী নদীৰ সোঁতত
প্ৰণয়গীতি গাই যোৱা
মন্দাকিনী ধাৰ,
দুটি পাৰ এটি সোঁত হৈ
বৈ যায়
লয়লাস গতিৰে
প্ৰাণৰ বহন সানে
ছুপাৰৰ কহুৱা বনে
উদাস হিয়াত বাজে
বিগলিত সুৰৰ
অপৰূপ মূৰ্চ্ছনা
এন্ধাৰ বোৰ শেষ হৈ যায়……
আশাৰ স্বপ্ন
প্ৰাণত উজলি উঠে
স্মৃতিভৰা মধুৰ সন্ধিয়া
এন্ধাৰৰ হয় অৱসান
বেদনাৰে ভৰা বুকুত
ৰঙীণ স্বপ্ন জাগে……

## নিকা দাপোন

সবিতা দেৱী
স্নাতক ২য় বাৰ্ষিক (কলা)

দাপোন খন নিকা আছিল
কিন্তু এতিয়া
ক'লা পৰিছে
তাত একো পোহৰ নাই
একো দেখা নাপায়
আৰু
একো দেখা নাযায়
সেই ক'লা ডাগ
কোনে নিকা কৰিব ?
শক্তি সংগ্ৰাম নে
শান্তিৰে ?
কেবল শান্তিৰ পথেৰে …..
তেতিয়াহে
সেই দাপোনৰ
ক'লা চামনি
উঠি গৈ
এখন নিকা দাপোন হব ॥

## শীতৰ সন্ধ্যা

দীপিকা শৰ্ম্মা
স্নাতক ৩য় বাৰ্ষিক (কলা)

শীতৰ কোলাত
মোৰ কলিজাটো ডুবিয়াই থলো
এখন ডাঠ কম্বলৰ তলত
নিয়ঁৰত ভিজা শেৱালীৰ সতে
গুপুতে প্ৰেমৰ কথাকে পাতোঁ
এতিয়া—
এখন গোমা আকাশৰ তলত
নীৰৱে টোপনি যাওঁ ।

## এখন চিঠি

শ্ৰীপ্ৰাঞ্জল কলিতা
স্নাতক ১ম বাৰ্ষিক ( বিজ্ঞান )

এখন চিঠি—
বঙা পাতত কলা আখৰৰ,
লিখা আছিল—
এজাক বিলাতী কুকুৰৰ প্ৰেমবাৰ্তা ;
শোষণৰ দলিচা বুকুত
সিহঁতে খেলিছিল কামকেলি,
হত্যা-লুণ্ঠন-ধৰ্ষণ
সিহঁতৰ চিৰ যুগমীয়া প্ৰীতি-উৎসৱ ;
বঙা চিঠিখনত
সিহঁতে সগৌৰৱে লিখিছিল ;
নিৰপৰাধী মানুহৰ কোলাত
শান্তিৰ নামত তুলি দিছিল—
একোটি নিষ্পাপ প্ৰাণ
সেয়া যেন সিহঁতৰ কৰ্ত্তব্য গৌৰৱ ॥

আৰু............
ক'লা আখৰেৰে লিখিছিল,
আত্মতৃপ্তিৰ শীৰ্ষত উঠি চাইছে,
লেউ-লেউকৈ থকা বিয়াগোম
গভীৰ আন্ধাৰ নাদটোলৈ ।।
কিন্তু হঠাৎ—
বিলাতী কুকুৰ-নেচীয়াৰ দলটো
গভীৰ আন্ধাৰত সোমাই পৰিল,
আৰু বঙাপাতৰ চিঠিখন
তেনেকৈয়ে আধালিখা হ'ল ।
এয়া মোৰ কাইটিয়া হাতৰ মাজত
এখন বঙা পাতৰ, ক'লা আখৰৰ
উৱলি যোৱা চিঠি জিলিকি আছে ।

## চেতনাৰ প্ৰদীপ্ত সূৰ্য্য

শ্ৰীদুৰ্গামোহন দাস
উঃ মাঃ ২য় বৰ্ষ (কলা)

তোমাৰ লাজুকী হাঁহিৰ অবিহনে
মোৰ প্ৰাত্যাহিক জীৱনৰ
কোনো এটা মুহূৰ্ত্ত
অবাবত যোৱা নাই ।
তথাপি উত্ৰাৱল হোৱা নাই
কাৰণ, সমূখ সংগ্ৰামৰ উগ্ৰসৈনিক মই
আন্ধাৰ কাটি পোহৰ বিচৰাত
এতিয়া মই ভীষণ ব্যস্ত ।
এতিয়া মোৰ দৃষ্টি
মনৰ নদীৰ সিপাৰেদি
সুললিত কণ্ঠৰে গীত গায় উৰি যোৱা
চৰাই জাকৰ মাজত ।
অৱসাদ বিষাদেৰে পৰিপূৰ্ণ যদিও
সিহঁতৰ প্ৰতিটো নিশ্বাসত
মই বিচাৰি পাইছোঁ
মোৰ হৃদয়ৰ গোপন খবৰ ।

## ॥ অপেক্ষা ॥

শ্ৰীদীপাঞ্জলী ডেকা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

তোমাৰ বাবেই মই ।
মৰণ পন কৰি ॥
আগবাঢ়িছোঁ সযতনে ।
সকলো বাধা নেওঁচি ॥
আজি তুমি গুছি গ'লা ।
সুদূৰ প্ৰান্তলৈ ॥
তথাপি বুকুত বহুতো আশালৈ
কৰিছোঁ অপেক্ষা তোমালৈ ॥

## ০০ প্ৰহেলিকা ০০

শ্ৰীনিৰুপমা ডেকা
স্নাতক ৩য় বাৰ্ষিক (কলা)

বতাহ জাকত চুলিবোৰ
আউলি বাউলি হ'ল
যেন সুখৰ সফুঁৰাত-এইয়া
বিষাদৰ মলিন হাঁহি ।

চকুজুৰি মেলি দিলো
দূৰৰ সৌ পাহাৰ খনিলৈ
দেখিলোঁ আৰু শুনিলোঁ
হৃদয় স্পন্দিত সুমধুৰ গীতৰ
জাক জাক চৰাইৰ কোলাহল ।

এজাক চঞ্চল বতাহৰ স্পৰ্শত
সম্বিত ঘূৰি আহিল
এইবোৰ যেন সকলো
মৰুভূমিৰ মৰীচিকাৰ
ফাগুনৰ বা লগা প্ৰহেলিকা ॥

## ০ দৃঢ় সংকল্প ০

মুনু নাথ
স্নাতক দ্বিতীয় বৰ্ষ ( কলা )

মই জানো
তোমালোকে মোক বেয়া পাইছা
মই যে নিৰুপায় ............
সিহঁতক মই এৰি দিব নোৱাৰো
অথচ সিহঁতক মই ঘীণ কৰোঁ ।
সিহঁতে মোক বেয়া পায়
পাবই............ ।
কিন্তু মই জানো
নিশ্চয় তোমালোকে এদিন মোক
আকৌ ভাল পাবা ।
যিদিনা সিহঁতে মোক ভাল পাব
যিদিনা মই সিহঁতক আকোঁৱালি লম
সিদিনা হয়তো তোমালোকেও মোক
আকোঁৱালি লবা ।

## ॥ উপেক্ষিতা ॥

শ্ৰীঅঞ্জুমনি দেৱী
স্নাতক ৩য় বাৰ্ষিক

সময়ৰ দলিচা গচকি
মই বেতিয়া আছিলোঁ
উকখা ভগ্ন পঁজাটিত,
মোৰ দৃষ্টিত,
প্ৰতিবাদৰ আখৰাৰ সৃষ্টি ।
আইৰ বিননি
পঁজাটিৰ চাবিওকালে সৃষ্টি ।
পূৰণি স্মৃতিৰ পাতবোৰ
চাওঁ বাৰে বাৰে—
পিয়লী মনিৰামৰ আদৰ্শও
এক ভয়াবহ মহাশূন্য ।
প্ৰতিবাদৰ হাতুৰীত মামৰে পৰিছে
পাণ্ডুলিপিবোৰ এতিয়া বেচ অস্পষ্ট
আইৰ নিপোতল দেহটি
প্ৰায় নগ্ন ।

## মই কবি, মই কবিতা

মঃ আলিমস্তাফা ( ৰাজপুত )
স্নাতক ৩য় বৰ্ষ ( কলা )

সংঘাটে আনিছিল সংগ্ৰাম,
পৰিবৰ্ত্তনৰ খোটালীত হৈছিলো সংযমী,
বিশৃংখলতাৰ কবলত পৰি
ওলাইছিল মগজুৰ দ্বাৰা হৃদয়ৰ পৰা,
এটি দুটি চুটি কবিতা
নাজানো সেয়া কি কবিতা
গীতি কবিতা নে কথা কবিতা ?
মুহূৰ্ত্তৰ অটল গৰ্ভত মই
কেৱল ডুবিছিলো কবিতাৰ মাজত
এতিয়া মই কবি, মই কবিতা ।

# ইজ্জত হানি নহয়

ফাগুনী যাদৱ
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

ব'লা আমি যাওঁ আগবাঢ়ি
দিগন্ত বিয়পা সমল গোটাই
ইতিহাস ৰচি ৰচি যাওঁ
পৱিত্ৰতাৰ গোন্ধ নাই
প্ৰেমৰ একো ভাষা নাই
আছে মাথোন জীৱনক চোৱাৰ আহিলা
উৎসৱ সন্ধানত আতুৰ হৈ
নাকাঢ়িবা হুমুনিয়া।
অলপ ভাৱক স'াচত গঢ়া
বাস্তৱৰ ৰহণ লগাই
গঢ়ি যাওঁ বুনিয়াদ
এখনি নয়া সমাজৰ
ইজ্জত হানি নহয়
সময়েও বাগৰ সলায়।

# মুক্তিৰ প্ৰতীক্ষাত

বাবুল কলিতা
স্নাতক ২য় বাৰ্ষিক (কলা)

বিসাক্ত বায়ু সেৱন কৰি
জীয়াই আছে এতিয়াও বহুত জীৱন
হয়তো জীয়াই থাকিব
অনাগত বহুত নিশা
মুক্তিৰ প্ৰতীক্ষাত !
কাবাৰুদ্ধ জীৱন আৰু বাকৰুদ্ধ মানসিকতাই
সৈনিকৰ হৃদয়লৈ কঢ়িয়াই আনিছে
নিৰাশ, ব্যৰ্থতা, ক্লান্তি আৰু অৱসাদ—
কাৰাগাৰৰ দেৱাল ভেদি
আজি ভাসি আহিব লাগিছে
অৱৰুদ্ধ বিবেকৰ আৰ্ত্তনাদ
চকুৰ পটত লাগি আছে মাথো
ধুমুহাৰ পিছৰ নিস্তব্ধতা খিনি
আৰু স্বাধীনতাৰ অস্পষ্ট ছবিখন ॥

# ★ ৰাজপথত ৰিঙিয়াই ★

কুমাৰী শকুন্তলা গোস্বামী
স্নাতক ২য় বাৰ্ষিক (কলা)

ৰাজপথত যেতিয়া তুমি
মুক্তকণ্ঠে জীয়াই থকাৰ
স্বাধীনতা বিচাৰি ৰিঙিয়াবা
তেতিয়া সিহঁতে তোমাক
যীশুৰ দৰে হত্যা কৰিব
নতুবা আত্মীয়জনে
তোমাৰ ডিঙিত শিকলি পিন্ধাব—
তুমি নিশ্চিতনে ?

মই নিশ্চিতযে !
তেজাল সূৰ্য্যটোৰ স'তে
এটি হেঙুলী পুৱাত
তুমি মুক্তি পাবা
তোমাৰ মুক্তিৰ এবুকু আনন্দত
সেইদিনা মই হয়তো সমাধিত উঠুপিম
তুমি কিন্তু সিহঁতক ক্ষমা নকৰিবা ॥

## ○○ প্ৰেমিকালৈ ○○

প্ৰফুল্ল বৰুৱা
স্নাতক ১ম বাৰ্ষিক ( বিজ্ঞান )

যৌৱনৰ প্ৰথম চাৱনিতেই
দেখিছিলো তোমাক
চন্দ্ৰসম বদনত তোমাৰ
দেখিছিলো মই
হাজাৰ হাজাৰ বছৰৰ লুকাই থকা,
আলফুলীয়া প্ৰেমৰ লহৰ ।
মোৰ আশাৰ পাপৰি
সেই ফুল পাহি ;
নিতৌ আহিছে গৈছে
চোৱা নাই !
কালৈকো ফিৰি ;
উথল-মাথল লগাইছে হৃদয়ে
তোমাৰ ৰূপৰ
চক্-মকনি দেখি ।
আজি—
মোৰ প্ৰেমৰ
প্ৰবল কলবৰ
সেয়েহে ছিটিকি পৰিল
টুকুৰা এটি তোমাৰ কাষৰত ।
প্ৰিয়া,
কবানে মোক এবাৰ
মযেই তোমাৰ স্বামী বুলি ?
কবানে মোক আকৌ
তোমাৰ উকা কঁপালত
ফোঁট দিবলৈ ।
যৌন প্ৰেমৰ মাজত
জন্মিব এটি
আমাৰ আলাসৰ সন্তান !
সেয়ে হব তোমাৰ
চিৰ স্মৃতিৰ
সোনৰ সংসাৰ ! □

## ○ অকলশৰীয়া ○

মিচ্ পাৰবিন চুলতানা
স্নাতক ২য় বাৰ্ষিক ( কলা )

মই ( বৰ ) অকলশৰীয়া
অকলশৰীয়া মই প্ৰতি মুহূৰ্ত্ততে,
মই ভাবো সদায় আনৰ বাবে
আনক বছাও প্ৰতি মুহূৰ্ত্ততে ।

মই অকলশৰীয়া
অকলশৰীয়া মই জীৱৰ মাজতো,
যাওঁ মই আগবাঢ়ি মানুহৰ হাতত ধৰি
তথাপি যেন ছুয়োকাবে ঠাই বহুতো ।

মই অকলশৰীয়া
অকলশৰীয়া মই প্ৰতিজনদে,
মই বুজি পাওঁ প্ৰতিজনকে
( কিন্তু ) মোক বুজিব চেষ্টা কেৱে নকৰে ।

মই অকলশৰীয়া
অকলশৰীয়া মই প্ৰতিখন চহৰতে,
তথাপি নাম ৰাখি গৈছোঁ মাতৃভূমিৰ বাবে
( আজি ) মোৰ নাম নাই কাৰোৰে মুখত ।

# সেউজী সন্তানৰ চকুলো

চক্ৰধৰ ডেকা
স্নাতক ৩য় বাৰ্ষিক ( কলা )

মৃত্যুক আঁকোৱালি লোৱা
সময়ৰ এটি আহ্বান !
সিহঁতৰ—সমস্ত অস্ত্ৰ,
সমস্ত গৰ্ব,
সমস্ত গীত,
কবিতা আৰু কলিজাৰ স্ফুলিংগ
সকলোবোৰ—
গন্ধীয়া পেৰাৰ সাঁচনীয়া
একোপাত দধীচিৰ অংগ ।
শাসন-শোষণ অনাহাৰ অনিদ্ৰতা,
ধৰ্ষিতা মাতৃ ভগ্নীৰ অশ্ৰুৰ বণ্যা
পোতাশালৰ এবুকু মৰ্মান্তিক যন্ত্ৰনা
আৰু—বিভেদগামী সাম্প্ৰদায়িকতা
যেন—এটি কবিতা ।

ৰাতিৰ মৃত্যুত
প্ৰভাতৰ জন্ম !
দাসত্বৰ - শিকলি চিঙি
শোষকৰ বিৰুদ্ধে
প্ৰাপ্য বিচাৰি,
'মুক্তি আমাৰ স্বাধীন আমি'
সেয়ে—
সহস্য জনে প্ৰশ্ন কৰে
'এতিয়া কিমান ৰাতি ?'

## ★ প্ৰাণৰ বতৰা ★

চৰিফুল ইচ্‌লাম
প্ৰাক্তন ছাত্ৰ

হৃদয় ব্যাথা
গোপন বাধা
বুজা নুবুজা
ই যে চিৰন্তন কথা ।
প্ৰহেলিকাৰ স্বপ্ন ভৰা,
ই যে আশাৰ বতৰা ।
সপোন ৰচা জীৱনৰ
দুখ বেদনাৰ লগৰী,
সখি হাঁহি কান্দোনৰ
আশা ভৰষা তোমাতে অৰ্পি
যাচিলো হৃদয়ৰ
সুখৰ বতৰা ।

## ★ ভগা ডেউকা ★

মিচ্ তুলুমণি শৰ্মা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

ভগা ডেউকাৰ
ধপ্ ধপনি !
উশাহ লওঁতে
কলিজা ফাটি তেজ ওলায় !
আহত ঘৰমুখী পাখী;
বাটে বাটে সৰি পৰা
ভগা ডেউকাৰ ;
পাখি বুটলি,
জোৰা দিব খোজে
তাইৰ ডেউকা ॥

## নাম মোৰ বিপ্লৱ

প্ৰসান্ত বেজবৰুৱা
স্নাতক চূড়ান্ত বাৰ্ষিক ( কলা )

মই বৈ আছোঁ—
এটা নৱীন মুক্ত পথৰ সন্ধানত
এখন নতুন পৃথিৱীত
এটা নতুন দিন পাম
য'ত —
সহস্ৰ জনগণৰ বৈপ্লৱিক চিঞৰ
স্বদেশৰ মাটিত কেচাঁ তেজৰ সোঁত
ভগ্ন হৃদয়ৰ ৰুদ্ধতাৰ ছবি
আৰু—
শোষক শোষিত আৰু অৱহেলিত
জনগণৰ অৱসান হব
য'ত —
ষড়যন্ত্ৰকাৰীয়ে বন্ধ কক্ষত আৱদ্ধ কৰি
পুৰুষ আৰু নাৰীবোৰক
খেলৰ পুতলা কৰিব নোৱাৰিব
মই বৈ আছোঁ—
কাপোৰ পিন্ধা উলঙ্গ মানুহৰ
মুখলৈ চাই ।

## ★ দুটি প্ৰেমৰ স্তৱক ★

টংকেশ্বৰ বৰুৱা
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান )

( এক )

মই হাঁহিছিলো আনন্দত
তাই হাঁহিছিল বিষাদত
একেই হাঁহি, অথচ কিমান ভিন্ন তাৰ অৰ্থ !
মই সুধিলো,
তোমাৰ হাঁহিচোন নহয় আনন্দৰ
তাই কলে,—
এয়েইতো আনন্দ
য'ত আছে
বিষাদৰ নিবিড় সান্নিধ্য ॥

( দুই )

মই কান্দিছিলো বিষাদত
তাই কান্দিছিল আনন্দত
একেই চকুলো, অথচ কিমান ভিন্ন তাৰ অৰ্থ !
মই সুধিলো,
তোমাৰ চকুলোচোন নহয় বিষাদৰ
তাই কলে—
এয়েইতো বিষাদ
য'ত আছে
আনন্দৰ মধুৰ আস্বাদ ॥

## নুবুজা মনৰ সপোন

মঃ ফাৰুক আজিজ
স্নাতক ২য় বর্ষ (কলা)

হিয়াৰ ফুলনিত আনফুলে
ফুলিছিলা তুমি।
কোমল হাঁহিৰ পৰসতে
মন মোৰ গ'ল
দিগন্তত মিলি ॥

পাহি মেলি ফুলিলাহি
হৃদয়ত আহি।
পাৰ মানে শুবাস দিছিলাহি
মৰম ঢালি ঢালি ॥

গন্ধহীন কোনত ফুলা ফুল পাহে,
কিয় বাৰু ৰং দিলে।
ৰঙতে বলিয়া হৈ,
দিছিলো মনৰ কথাটি কৈ ॥

নুবুজিলা হায়
কিয় সৰি যায়।
সৰিবলে জানো ফুলিছিলা
ফুলনি শোৱায় ॥

শুনাইছিলা বহু কথা
কিমান যে মিঠা মিঠা,
আজিও আছে
হিয়াৰ মাজতে গঠা ॥

দেখিছিলো বহু সপোন
তোমাক আপোন কৰি।
কিয় বাৰু এনে হ'ল
চাইচানে এবাৰ ভাৱি। □

## ★ চিৰসুন্দৰ বহাগ ★

শ্রীৰবীন্দ্ৰ চহৰীয়া
স্নাতক ৩য় বাৰ্ষিক (কলা)

চিৰ সুন্দৰ বহাগ
প্ৰকৃতিৰ বেশেৰে
তুমি আকৌ আহিলা
এতিয়া মোৰ আইৰ
দুচকুৰে বৈ যায়
ধাৰাষাৰে যমুনা নৈ
মোৰ আইৰ বুকুৰ
কলিজাত কোনোবাই
হাতুৰীৰে কোৱাই
বহাগ তুমি তাক
এবাৰ বাধা দিয়া
বহাগ তুমি
চিৰসুন্দৰ হোৱা। □

## বিচাৰি ফুৰিছোঁ

কৰুনা কান্ত শৰ্মা
স্নাতক চুড়ান্ত বৰ্ষ

আজি বহু দিনৰ পৰা
কবিতাৰ কৰণিত দিয়া নাই হাত
ভয় হয় জানোচা পুনৰ
ওলাই চকু পানী !
আজি বহু দিন ফুল চোৱা নাই
ভয় হয় জানোচা
ফুলৰ পাপৰিৰ আঁৰত
লুকাই থাকে বিষ কন্যা ?
আজি বহুদিন গীতো শুনা নাই
জানোচা গীতত আছে লুকাই
হেৰাই যোৱা
তাণ্ডৱ ৰাগিনী ?
মোৰ সহোদৰ সকলৈ,
মোৰ মনত পৰিছে
সেয়েহে পামনে বিছাৰি
কবিতাত, ফুলত, গীতৰ মৃদুল
ছন্দৰ কোঁহত বিচাৰি ?
মোৰ নিসহায়া আইক। □

## স্বাধীনতা

শ্ৰীনীলকান্ত বৰুৱা
স্নাতক ৩য় বৰ্ষ ( কলা )

ৰাজপথৰ ওপৰত
কলিজাৰ তেজৰোৱে
ফাকু খেলি খেলি
ভাগৰি পৰিছিল
সেই তেজৰোৰ
এজাক পঙ্গু শিশুৰ
কঙ্কণৰ ভিতৰৰ পৰা
চিঞৰি উঠিছিল
আমি আমি সাজু
জীৱন ৰণাঙ্গনৰ

চিৰ বিনিদ্ৰ প্ৰহৰী
জুই ধোৱা ছাই
আৰু সমাধি
তেতিয়া তেতিয়াই
খাব বাৰুদৰ গোন্ধত
সাব পাইছিল
বন্দুকৰ নলীত শুই থকা
এজাক স্বাধীনতাই .. □

## প্ৰেম আৰু মৃত্যুৰে

ইদ্ৰিছ্ আলি
প্ৰবক্তা, অসমীয়া বিভাগ

এতিয়া সময় পাখিত
আঁৰি দিছোঁ
সুখ দুখৰ এখিলা কাগজ

গছ এজোপাই লহ্পহ্কৈ
হাত মেলি আকাশ চুব খোজে
হৃদয়ত উম লৈ থকা যেন
এটি আদিম কবিতা......

মাটিৰ ৰসে তাক পুনৰ্জীৱিত কৰে
আকাশৰ নীলাই কৰে সুন্দৰ
সি মোৰ সাতামপুৰুষীয়া প্ৰেমৰ গান

মানুহক আপোন কৰাৰ
এটি দুঃস্বপ্ন মোৰো আছে
শিলৰ দৰে কঠিন হৃদয়
তলত বালিৰ এচমকা পোহৰ
এতিয়া সময় প্ৰবাহিত নদীৰ দৰে
তাৰেই মোহনাত
পাতিছোঁ নতুন পাম প্ৰেম আৰু মৃত্যুৰে

## হৃদয়খন ক'ত থম ?

শ্ৰীডিম্বেশ্বৰ বৰুৱা
প্ৰবক্তা, অসমীয়া বিভাগ

বহাগৰ জোনাকত
তোমাৰ প্ৰেমৰ
চিনাকি গোন্ধটোৱে
মোৰ কলিজাটোকে
কাঢ়ি নিব খোজে ক'ৰবালে ?
আশাপূৰ্ণা ৰাতি পুৱাবোৰত
সপোন দেখিছিলোঁ
হিৰন্ময় দিনৰ ;
আকৌ,
কৃষ্ণচূড়া ফুলিলে
এহালি শালিকা আহিব
এবুক আবেগ ল'ই ।
তেতিয়া,
মোৰ পদুমফুলি
হৃদয় ক'ত থম ?

# হাঁহিবলৈ দিয়া মোক

শ্ৰীদীপালি বৰুৱা
প্ৰাক্তন ছাত্ৰী (স্নাতক)

হাঁহিবলৈ দিয়া মোক
এপাহ নিষ্পাপ ফুলৰ দৰে ।
কবলৈ দিয়া বহুত কথা
বাষ্পপিণ্ড হৃদয়ৰ ।
চিঞিবলৈ দিয়া
অন্ধকাৰৰ নিৰ্লজ্জ বুকু
টানি টানি আজুৰি আজুৰি
বচি যেন চুলি, অঙঠা হেন চকু ।
কিহৰ বাবে নিশাৰ উচুপনি
কেঁচা পাতত তেজৰ চেকা
কুমলীয়া দেহত ক্ষত বিক্ষত
দীঘল নখৰ আঘাত
বস্ত্ৰহীন বিলম্বনা
মোৰেই ঘৰত মৰেই অঘণী
আপোনৰ হাততেই আহত
লাঞ্চিত, প্ৰতাৰিত, ধৰ্ষিতা .....
অনুভূতি হতাশাগ্ৰস্ত হৈ পৰে ।
কবলৈ দিয়া বহুত কথা
লালসা আৰু প্ৰবঞ্চনাৰ আঘাত
যন্ত্ৰনা কাতৰ শৰীৰৰ ৰক্তাক্ত বক্ষ
উন্মুক্ত হৈ পৰি থাকক ৰাজ আলিত
সকলোৱে প্ৰশ্ন কৰক কিয় এনে হল ?
কোনে বাৰু কাঢ়িলে কুমাৰীৰ সতীত্ব
সিঁচি দিলে কামনাৰ উষ্ণ বীজ
ঢাকি নিদিবা তাইৰ উলংগ দেহ
সকলোৱে দেখক .....
দাঁতেৰে কুতি কুতি চিঙা অভিযাৰী ৰাতি
পোহৰত জিলমিলাই ৰঙা নদী
ঢাকি দিয়া ঢাকি দিয়
অন্ধকাৰৰ ক'লা মুখ ।
প্ৰেম যদি হয় সেউজীয়া বোল
কোনে কব কামনা ৰঙা নহয়- বুলি .....
চিৰন্তন নীতিক প্ৰতাৰণা নকৰিবা
নতুনত্বও অলপ সানা
মনবোৰ সজোৱা ৰঙা ৰঙা
ফুলৰ পাহিৰে
সন্ধ্যা জ্বলা বন্তিৰ দৰে .....
মোক ফুলৰ দৰে হাঁহিবলৈ দিয়া ॥

গল্প

# বন্ধু যেতিয়া সাংবাদিক

শ্ৰীৰঞ্জন দাস
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

আলোচনীখন মেলি ললো। চকুত পৰিল গল্পৰ পৃষ্ঠা। গল্পৰ সংখ্যা নিচেই তাকৰ। ভাবিলো গল্প এটা লিখো। সকুবে পৰাই সাহিত্যিক মন এটা আছে। কাগজ কলম লৈ বহিলো। কিন্তু এতিয়া কি লিখিম। নাই মোৰ ধৈৰ্য্য নাই। মনত পৰিল হুগোৰ কথা। "লা-মিজাৰ বেল"ৰ লিখক ভিক্টৰ হুগোৰ প্ৰথমাৱস্থাত ধৈৰ্য্যৰ বিপুল অভাৱ আছিল। চঞ্চল মন স্থিৰ কৰিবৰ বাবে হুগোৱে কোঠাত সোমাই লৈ কাপোৰ-কানি খুলি সম্পূৰ্ণ উলঙ্গ হৈ কাপোৰ-কানি কাম কৰা ল'ৰাটোৰ হাতত দি বাহিৰলৈ পঠিয়াই সাহিত্য সৃষ্টি কৰিছিল। কিবা এটা লিখি বাহিৰলৈ যাব খুজিও হুগো থমকি ৰৈছিল। কিয়নো তেওঁৰ যে কাপোৰ বাহিৰত। তেনেহলে ময়ো কাপোৰ খুলি লম নেকি? নাই নোখোলোঁ। ধৈৰ্য্য ধৰি গল্প এটা লিখিম। কাক লৈ লিখিম। মোৰ প্ৰেমিকা যমুনাক লৈ লিখিম; ছিঃ মই কি কথাবোৰ যে ভাবি আছো, তাই চোন এতিয়া আনৰ বিবাহিতা স্ত্ৰী। তেনেহলে কাক লৈ লিখিম। অ, মনত পৰিছে, মোৰ জীৱনক লৈয়ে গল্প এটা লিখো।

এইমাত্ৰ আদালতত মোৰ শেষ বিচাৰ হৈ গৈছে। বিচাৰৰ ৰায়টো হৈছে 'এনেকুৱা এজন সমাজ সেৱী গণ্য মান্য ব্যক্তিক হত্যা কৰি অপৰাধীয়ে যি অপূৰণীয় ক্ষতি সাধন কৰিলে, তাৰ ফল স্বৰূপে অপৰাধীক মৃত্যু দণ্ডেৰে দণ্ডিত কৰা হ'ল'। বিচাৰৰ ৰায় শুনি মোৰ বুকুখন চিৰিংকৈ উঠিল। মৃত্যুৰ ভয়ত নহয়। ন্যায় বিচাৰ নোহোৱাৰ কাৰণে। থু পেলাই দিবৰ মন গৈছিল মোৰ। এনেকুৱা মুখা পিন্ধা ভদ্ৰলোকৰ মুখত সমাজ, কিহৰ সমাজ। ...এনেতে দুজন পুলিচে মোক লক-আপৰ ভিতৰত সুমুৱাই গেটত তলা বন্ধ কৰি দিলে।

মোৰ বৰ ভাগৰ লাগিছে। নাই অলপ শুই লওঁ। অতীতৰ স্মৃতিবোৰ মোৰ চকুৰ আগত ভাহি উঠিল। চিলমিল কৈ টোপনি আহিল। এনেতে মোৰ অতি মৰমৰ ভনী জুৰিয়ে কলে "দাদা অন্যায় বিচাৰৰ কাৰণে দুখ নকৰিবা"। এইখন পৃথিৱীত ন্যায় বিচাৰ কোনো দিনেই নহয়। জানা দাদা, সিদিন.খন তুমি ঘৰত নথকাৰ সুযোগ লৈ ইঞ্জিনিয়াৰ অসীম দত্ত সোমাই আহিল মোৰ কোঠালৈ। মই একো কৰলৈ নাপাওঁতেই কুকুৰ-নেছীয়া বাঘৰ দৰে তেওঁ মোৰ ওপৰত জপিয়াই পৰিল। মই বহু চেষ্টা কৰিলোঁ, কিন্তু মই নিজকে বচাব নোৱাৰিলো। ধৰাশায়ী হৈ পৰিছিলো তেওঁৰ দুবাহুৰ মাজত। শেষত উপায় নাপাই জীৱনৰ আটাইতকৈ গুৰুত্ব পূৰ্ণ সিদ্ধান্তটো লৈ পেলাইছিলোঁ।

তাৰ কাৰণে তুমি মোক ক্ষমা কৰিবা। জানা দাদা, এওঁলোকৰ সমাজখন সৰু। চহৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ। আমাৰ সমাজখন বৰ ডাঙৰ। সেয়ে তুমি গুচি আহা। এইখন পৃথিৱীতকৈ আমাৰ পৃথিৱীখন আৰু বেছি ধুনীয়া। ইয়াত ন্যায় বিচাৰ হয়। উস্ মোৰ আৰু সহ্য নহয়। হঠাৎ মোৰ চকু ছুটি মেল খাই গ'ল। এনেতে জেলখানাৰ গেটত মোৰ বন্ধু বিকাশ ৰৈ আছে।

আৰে বিকাশ তুমি .... বাহ্ ইমান দিনৰ মূৰত তোমাক লগ পালো। মই ভাবিছিলো জীয়াই থাকোতে আৰু আপোন বুলি কাকো লগ নাপাম। আৰে এইয়া তুমি কান্দিছা কিয় ? ... তোমাৰ চকুত চকু পানীয়ে শোভা নাপায়।

নহয় অ' ৰুণ অতীতৰ স্মৃতিবোৰ মোৰ চকুত ভাহি উঠিছে। এতিয়া মই তোমাক বন্ধু হিচাপে লগ পাব অহা নাই।

তেনেহ'লে ........

বৰ্ত্তমান মই এজন সাংবাদিক। সাংবাদিক হিচাপে প্ৰত্যেক জন ব্যক্তিয়ে ক্ষন্তেক সময়ৰ কাৰণে মোৰ বন্ধু হৈ পৰে। মোক ক্ষমা কৰিবা বন্ধু। তোমাৰ অতি প্ৰিয় বন্ধু আজি সাংবাদিক হিচাপে তোমাৰ জবান বন্দী লবলৈ আহিছোঁ।

উস ভগৱান,...... সমাজৰ এজন গণ্য মান্য ব্যক্তি ইঞ্জিনিয়াৰ অসীম দত্তৰ হত্যাৰ অপৰাধত মোৰ বন্ধু আহিছে এজন সাংবাদিক হৈ মোৰ জবান বন্দী লবলৈ। আৰু হয়তো কাইলৈ খবৰ কাগজবোৰ গৰম হৈ উঠিব। এয়ে নেকি সমাজৰ ন্যায় বিচাৰ। হওঁক এয়ে বিচাৰ তথাপি এপাহ ফুলৰ দৰে মোৰ নিস্পাপ ভনী জুৰিৰ আত্মাই শান্তি পাব। কিন্তু এইখন সমাজে তাইৰ ন্যায়ৰ বিচাৰ কৰিবনে...... ??

ৰুণ তুমি ইমান উত্তেজিত হৈ পৰিছা কিয় ? তোমাৰ ভনী জুৰিৰ মানে .....

যদি ইচ্ছা কৰিছা তেনেহলে এজন সাংবাদিক হিচাবে তোমাৰ ডায়েৰীত লিখি যোৱা মোৰ জীৱন কাহিনী।

মই মা-দেউতা আৰু ভনী জুৰি। এই চাৰিটা পৰিয়ালেৰে এখন সুখৰ সংসাৰ। দেউতাই চাকৰি কৰি ঘৰখন আটোম টোকাৰিকৈ চলাই নিছিল। কিন্তু নিষ্ঠুৰ বিধাতাই আমাৰ সুখ সহ্য কৰিব নোৱাৰিলে। এদিন দেউতা অফিচৰ পৰা ঘূৰি আহোতে পিছ ফালৰ পৰা গাড়ীৰ খুন্দাত দেউতাৰ জীৱটো উৰি গুচি গ'ল। নামি আহিল আমাৰ ঘৰখনলৈ অন্ধকাৰ। তেতিয়া মই দশম শ্ৰেণীৰ ছাত্ৰ। ঘৰখনৰ সম্পূৰ্ণ দায়িত্ব মোৰ ওপৰত পৰিল। হাইস্কুল শেযান্ত পৰীক্ষা দিলো। বিজাল্ট ওলাল, প্ৰথম বিভাগত পাছ কৰিলো। তেতিয়া মই ভাবিছিলো ইমানতে মোৰ পঢ়াৰ সামৰণি মাৰিম। কিন্তু মা আৰু জুৰিৰ তাগিদাত পৰি বাধ্য হৈ কলেজত নাম লগালোঁ। আৰম্ভ হ'ল মোৰ এক নতুন জীৱন।

এদিন কলেজত এটা ঘটনা ঘটিল। পাৰ্ক এখনত মই অকলশৰীয়াকৈ বহি আছিলো ; এনেতে ছুজনী ছোৱালী মোৰ ফালে আহি আছে ; কিন্তু মোৰ হলে সিহঁতৰ প্ৰতি কোনো ভ্ৰুক্ষেপ নাই। হঠাৎ যমুনাই মাত লগালে — ৰুণ তুমি অকল শৰীয়াকৈ বহি কিনো আকাশ পাতাল ভাবি আছা। তুমি চোন কাৰো লগত কথা বতৰা নাপাতা। মই বহুদিন ধৰি লক্ষ্য কৰিছোঁ কিন্তু তোমাৰ মুখত হাঁহি দেখা নাই। সদায় অন্য মনস্ক হৈ থকা কিয় ?.....

যমুনা মোৰ মুখত হাঁহি আছে ; কিন্তু হাঁহিব নোৱাৰো, হঁহাৰ সাহস কণ মোৰ নাই। কাৰণ আমি সৰু মানুহ।

ৰুণ এটা কথাত তোমালোকৰ দৰে মানুহৰ ওপৰত মোৰ পুতৌ ওপজে। যেনে .... নীচাত্মিকা বোধৰ কাৰণে। নিজকে আনৰ ওচৰত হীন বুলি ভবাৰ কাৰণে। নিজৰ অধিকাৰ দাবী কৰি লবলৈ সাহসৰ অভাৱ হোৱাৰ কাৰণে। সাহস আছে, কিন্তু সাধ্য নাই।— তেনেহলে মুখ খুলি ইমান দিনে কোৱা নাই কিয় যে তুমি মোক ভাল পোৱা, তুমি মোক আপোন কৰি লব খোজা। কৈ কৈ যমুনা উচুপি উঠিছিল আৰু খুব বেগেৰে গুচি গৈছিল।

জানা বিকাশ সেইদিনাহে মই অনুভৱ কৰিছিলো, আমাৰ নিচিনা দুখীয়া মানুহৰ ওপৰতো এওঁলোকৰ মায়া ওপজে। সচাঁ কথা, মায়া ওপজে. কিন্তু সেই মায়া ক্ষন্তেকীয়া, চিৰস্থায়ী নহয়। ইয়াৰ কেইদিনমান পাছতে যমুনাৰ পৰা এখন চিঠি পাইছিলোঁ।

"মৰমৰ কণ"

অভাগিনীৰ মৰম লবা। আশা কৰো বৰ্ত্তমান তোমাৰ ভাল। সৌ সিদিনাখনৰ পৰা তোমাৰ ছবিখন মোৰ হৃদয়ৰ পৰা আঁতৰাব নোৱাৰিলো। সেয়ে তোমালৈ বুলি লিখিলো একলম।

জানা কণ বহুত আশাৰ সপোন তোমাক লৈ ৰচিছিলোঁ। হয়তো এখন সৰু ঘৰৰ। এখন সুখৰ সংসাৰৰ। কিন্তু তুমি কি ?...... তোমাৰ জানো কোনো কল্পনা নাই ? .... আশা, আকাংক্ষা, কামনা বাসনাৰে ভৰা ৰঙীণ জীৱন এটি উপভোগ কৰাৰ কথা তোমাৰ জানো মনলৈ নাহে। বিশ্বাস কৰা তোমাৰ আচৰণ দেখি মই নিজেই জড় হৈ পৰিছোঁ সঁচাকৈ তুমি যে কি! ভাবি আচৰিত লাগে ।

চিঠিখন পঢ়ি ছোৱালী জনীলৈ খঙো উঠিছিল, দুখো লাগিছিল। তথাপি নিজৰ অদম্য খং নিজৰ বুকুতে বান্ধি শেষবাৰ তাইলৈ লিখিছিলো। এনেকৈয়ে অতিবাহিত হৈছিল আমাৰ কলেজীয়া মধুৰ দিনবোৰ।

এদিন বি.এ পাছ কৰিলো। আৰু মোৰ ভনী জুৰি তেতিয়া দশম মান শ্ৰেণীলৈ প্ৰমোচন পাইছে। এতিয়া মোৰ প্ৰয়োজন হ'ল চাকৰি। বহুত ইণ্টাৰভিউ দিলো, বহুতৰ লগত চিনাকিও হ'ল কিন্তু চাকৰি এটা যোগাৰ নহ'ল। হঠাৎ এদিন চিনাকি হ'ল ইঞ্জিনিয়াৰ অসীম দত্তৰ লগত। টকা দিব নোৱাৰিলে চাকৰি নাপায় বোলে। চাকৰিৰ আশাত ঘৰৰ ভেটি খিনিও মহাজনৰ তাত বন্ধকত থলো। ইঞ্জিনিয়াৰ অসীম দত্ত আমাৰ ঘৰলৈ মাজে সময়ে অহা যোৱা কৰিবলৈ ধৰিলে। ভেওঁৰ চাহ পানীৰ যোগান জুৰিয়ে ধৰিছিল। এনেকৈয়ে পাৰ হৈ গৈছিল দিনবোৰ। কিন্তু চাকৰিৰ হলে কোনো শুং সুত্ৰই নাপালো। তথাপিও মই ধৈৰ্য্য ধৰি আছিলো। চাওঁতে চাওঁতে ইঞ্জিনিয়াৰ অসীম দত্ত মোৰ অনুপস্থিত অহা যোৱা কৰিবলৈ ধৰিলে। কিন্তু চাকৰিৰ মায়াত একো আপত্তি কৰা নাছিলো।

সেইদিনা আছিল শনিবাৰ। মই যমুনাহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈছিলো। তাত কি দেখিছিলো জানা বিকাশ.. কেইজন মান ভদ্ৰ মানুহ বহি আছে। আনন্দত ঘৰখন একেবাৰে উখল-মাখল। যমুনাক দেখা নাছিলো। মাকে মোক বাহিৰা কোঠা এটাত বহিবলৈ দিলে। তেতিয়া মই মাকক কলো; যমুনা ক'ত''' । তেতিয়া মাকে কি উত্তৰ দিছিল জানা .... কণ তুমি আজি যোৱাগৈ এওঁলোকে যমুনাক আজি জোৰণ পিন্ধাব। তেতিয়া মোৰ মূৰ্চ্ছা যাওঁ যাওঁ অৱস্থা হৈছিল। এনেতে যমুনা সোমাই আহিল আৰু মোক অভদ্ৰ ব্যৱহাৰ কৰি সিহঁতৰ ঘৰৰ পৰা খেদি পঠিয়াইছিল। তেতিয়াহে মই উপলব্ধি কৰিছিলো, তেওঁলোকৰ মায়া।

দুখ মনেৰে ঘৰলৈ বুলি খোজ দিলো। তেতিয়া নিশা ভালেখিনি হৈছিল। ঘৰত আহি দেখো লাইটবোৰ নুমাই থৈছে। দৰ্জাত টুকুৰিয়াই দিলো কোনো সাৰ সুৰ নাই। শেষত দৰ্জাত খুব জোৰেৰে খুন্দা মাৰাত দৰ্জা মেল খাই গ'ল। লাইটটো জ্বলাই দিলো। এইয়া এইয়া কি ?? .. মোৰ অতি মৰমৰ ভনী জুৰি চিলিং ফেনত ফাঁচ লগাই ওলমি আছে। মই গাৰ সমস্ত শক্তিৰে চিঞৰি উঠিলো . এইয়া তই কি কৰিলি---জুৰি...??? শেষত সময়ৰ লগত যুঁজি যুঁজি তয়ো গলি কিয়...কিয়...?? তয়েতো এদিন কৈছিলি, জীৱনত জয়লাভ কৰিবলৈ হলে সংগ্ৰাম কৰিবই লাগিব। হঠাৎ এখিলা বগা কাগজ মোৰ চকুত পৰিল আৰু তুলি লৈ পঢ়িবলৈ ধৰিলো।

"পুজনীয় দাদা"

মৰম লবি। আশা কৰো ভৱিষ্যত তোৰ উজ্বল হওঁক এয়ে মোৰ ভগবানৰ ওচৰত কামনা। মই আত্মহত্যা কৰি বৰ ভুল কৰিলো। সঁচা; কিন্তু এয়া দুৰ্ব্বল মনৰ পৰিচয় বুলি নাভাবিবি। এই পথ লোৱাৰ বাহিৰে মোৰ আন একো পথ নাছিল। আমি

নাৰী জাতি বৰ অবলা। আমাৰ গাভৰু জীৱনত এক ৰঙীন কল্পনা ৰচোঁ। কিন্তু সেই ৰঙীন কল্পনা বাস্তৱত পৰিণত হব নোৱাৰে; একমাত্ৰ ইঞ্জিনিয়াৰ অসীম দত্তহঁতৰ দৰে মুখা পিন্ধা ভদ্ৰলোক সকলৰ কামনাৰ যুপকাষ্ঠত আমি নিজকে বলি দিব লাগে। সেয়ে মই ভাবোঁ যুগেযুগে আমাৰ এই মাতৃ জাতিয়ে এনেকৈয়ে প্ৰাণ আহুতি দিব লাগিবনে? ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ কোনো উপায় নাইনে?···

ইতি

তোৰ হুৰ্ভগীয়া ভনী

"জুৰি"

চিঠিখন পঢ়ি উঠি মই আৰু থিৰেৰে থাকিব নোৱাৰিলোঁ। একে দৌৰে ইঞ্জিনিয়াৰ অসীম দত্তৰ ঘৰ পালো। তেতিয়া সি এখন আৰামী চকীত বহি খবৰ কাগজ পঢ়ি আছিল। মই পিছফালৰ পৰা হুহাতেৰে ডিঙিত চেপা মাৰি ধৰিলো। সি মুখেদি এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে।

---

# কৌতুক

o এজন শিক্ষকে ছাত্ৰ এজনক সুধিলে: নিউটনৰ সূত্ৰমতে গছৰ পৰা ফল তললৈ সৰে কিয়? ওপৰলৈ নাযায় কিয়।

ছাত্ৰজনে লগে লগে উত্তৰ দিলে: ওপৰত খোৱা মানুহ নাই কাৰণে।

o ৰাজু: সিদিনা পুৱাতে যে ডাঙৰ ভুমিকম্প হৈছিল, আমি আটায়ে ঘৰৰ পৰা লৰি ওলাই গৈ ওচৰৰ ফিল্ডখনত বহিছিলো। তোমালোকে কিয় ওলোৱা নাছিলা বিজু?

বিজু: আমাৰ দেউতাই ঘৰৰ পৰা ওলাবলৈ দিয়া নাছিল। আমি ভাৰা ঘৰত হে থাকো। ঘৰ ভাগিলে আমৰ কি? মালিকৰ হে যাব।

o ভিক্ষাৰী এটাই ছুহাতত ছুটা বাটি লৈ ভিক্ষা খুজি ফুৰা দেখি এজন ভদ্ৰলোকে প্ৰশ্ন কৰিলে: হেৰা তুমি দেখোন ছুটা বাটি লৈ ভিক্ষা খুজিছা, কিয়? আগতে মই এটা বাটিতে ভিক্ষা খুজিছিলো চাৰ, আজি কালি এই ব্যৱসায়ত উন্নতি হোৱা দেখি এই ব্ৰাঞ্চ অফিচ খুলিছো।

সংগ্ৰহ: ছাইয়েদুল ইছলাম আহমেদ
পদাৰ্থ বিজ্ঞান বিভাগ ২য় বাৰ্ষিক

# ভানুৰ সপোন

চুকমান আহমেদ
স্নাতক ২য় বৰ্ষ ( কলা )

চিঠিখন পঢ়ি চোলেমানে দীঘল হুমুনিয়াহ এটা কাঢ়িলে। কিংকৰ্ত্তব্য বিমূঢ় হৈ মূৰে কপালে হাত দি বহিল। ঘৈণীয়েক ৰৌচনাই পীৰা এখন আনি ওচৰত বহি কলে, "আগতেই কৈছিলো, অফিচাৰৰ লগত মতানৈক্য ঘটিলে কিবা এটা অঘটন ঘটাব পাৰে।"

গম্ভীৰস্বৰে চোলেমানে কলে, "জীয়েক ভানুক লৈয়ে মতানৈক্য, যাওঁক চাকিদাৰি চাকৰী কিন্তু সেই বুলিতো ভানুৰ ভৱিষ্যতটো বাপেক হৈ অকালতে ধ্বংস কৰি দিব নোৱাৰি।" পৈতৃক সম্পত্তি নদীয়ে উটুৱাই নিয়াৰ পাচৰে পৰা চোলেমান চাৰ্কুল অফিচত চকিদাৰ হিচাবে মকৰল হৈছিল। তিনিটা প্ৰাণী কোনোমতে পেটে ভাতে খাই বৈ জীয়েক ভানুক লিখা পঢ়া কৰাই আছে। অফিচাৰৰ কথা মতে ভানুক বিয়া দিবলৈ সন্মত নোহোৱাত আদহীয়া চোলেমানৰ চাকৰী গ'ল। ভানু মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী। মেট্ৰিক পাছ কৰাই উপযুক্ত ল'ৰা এটাক গতাব পাৰিলে বুঢ়া-বুঢ়ী হালে এটা স্বস্তিৰ নিঃশ্বাস পেলাব পাৰে। বিয়াৰ সময়ত দিয়া ৰৌচনাৰ সোণৰ অলংকাৰ যিকণ আছিল তাকেই বিক্ৰী কৰি ভানুৰ পৰীক্ষাৰ খৰচ দি দিলে।

চকিদাৰী পদটো যোৱাৰ পিছৰ পৰা চোলেমানে খুব কষ্ট কৰি দিন কটাবলগীয়াত পৰিল। মানুহৰ ঘৰে ঘৰে হাজিৰা কৰি দহ/বাৰ টকা যি পায় তাৰেই চাউল, আটা, দাইল আনি খাই বৈ থাকে। কোনো দিন হয়তো খোৱা নোজোৰেই। দুয়ো বুঢ়া-বুঢ়ী লঘোণ খাটি জীয়েক ভানুক এমুঠি খুৱাই স্কুললৈ পঠায়।

দিনক দিনে চোলেমানৰ জীৱনটোৰ প্ৰতি এটা বিৰাগ ভাৱ আহি গ'ল। তিনিটা মাথোঁ প্ৰাণী। যদি দুবেলা দুসাজ খোৱাৰ সংস্থান নেথাকে, তেজ মঙহৰে গঠিত দিনে দিনে শুকাই যোৱা শৰীৰৰ হাড় ছাল সোপাকে লৈ মায়াময় সংসাৰত জীয়াই থকাৰ প্ৰয়োজন ক'ত? কিন্তু ঘৰখনৰ প্ৰতি চোলেমানৰ এটা মোহ, ৰৌচনাৰ প্ৰতি থকা মৰম, একমাত্ৰ জীয়েক ভানুলৈ অসীম স্নেহ এইবোৰে চোলেমানক জীয়াই ৰাখিছে, মৰমৰ বান্ধোন লোৰ শিকলিত কৈয়ো টান। মৰমে হতাশৰ বুকুত তোলে উদ্দীপনাৰ তীব্ৰ আলোড়ণ, শ্ৰান্তি ক্লান্তিৰ মাজত আনে তৃপ্তিৰ মধু বৰিষণ; অজেম

মৰম অসীম শক্তিশালী প্রনয় মৃত্যু বিজয়ী ভাল পোৱা মানুহৰ। সেয়েহে আদহীয়া চোলেমান সৰ্ব্বহাৰা হৈয়ো জীয়াই থাকিবৰ শক্তি পাইছে।

দিনবোৰ গৈ আছে, কিন্তু আগৰ দৰে নহয়। চোলেমানৰ জীৱনলৈ বহুত পৰিবৰ্ত্তন নামি আহিল। সমাজৰ এটা অপদাৰ্থ বুলি নিজকে ধিক মানিছে।

ইপিনে ভানু মেট্ৰিক পৰীক্ষা সু-খ্যাতিৰে পাছ কৰিলে। এইবাৰ ভানুলৈহে পৰিয়ালটোৰ মহাসমস্যা। স্কুলৰ পৰা সহায় লৈ কোনো ৰকমে কলেজত নাম লগাই দিলে। নতুন প্ৰেৰণা, নতুন উদ্যম। নিজৰ বৃদ্ধা মা দেউতাক নিজৰ উজ্জল ভৱিষ্যত, এখন সুখৰ সংসাৰ গঢ়াৰ কামনা এইবোৰ ভানুৰ সপোন। নিয়তিয়েহে জানে সপোন বাস্তৱত পৰিণত হব নে নহয়।

লিখা-পঢ়া, গান-বাজনা আদিত ভানু লগৰীয়া বান্ধৱী সকলক চেৰ পেলাই শীৰ্ষ স্থান লাভ কৰিলে। মহাবিদ্যালয়ৰ সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠান উদযাপনৰ দিনা টাউনলৈ নতুনকৈ অহা স্কুল পৰিদৰ্শক নেকিবুৰ ৰহমানৰ তাইৰ ওপৰত চকু পৰিল। সুন্দৰ গঢ়ৰ, সুস্থ সৱল ডেকা স্কুল পৰিদৰ্শক নেকিবুৰ ৰহমান। ঘৰ ছিপাঝাৰৰ মুছলিম যোপাত। চাকৰী দিয়াৰ প্ৰলোভন দেখুৱাই লাহে লাহে ভানুৰ পৰিয়ালৰ লগত অহা যোৱা হ'ল। কোনে জানে পৰিদৰ্শক ৰহমানৰ কি অভিসন্ধি? কোনে জানে ভানুৰ ভুপতীয়া কুহিত পোক ধৰিব!?

চোলেমানে কথাটো সহজ ভাবে ললে। সেয়ে বৌচনা সৈতে আলোচনা বিলোচনা কৰি ল'ৰাজনক ঘৰলৈ অহা যোৱাত কোনো প্ৰকাৰ হকা বাধা নিদিয়াকৈ দিন গণি থাকিল। ইপদ সিপদকৈ বস্ত্ৰ বাহিনী, কাপোৰ-কানিও ৰহমানে পৰিয়ালটোক দি সহানুভূতি দেখুৱাব ধৰিলে।

দিনক দিনে ঘনিষ্ঠতা বাঢ়ি আহিল। ৰহমান চাহাবে মাজে সময়ে ভানুক মটৰ চাইকেলত উঠাই লৈ অ'ত ত'ত ফুৰিবলৈ যোৱা আৰম্ভ কৰিলে। আন মানুহে ডেকাজনৰ ব্যৱহাৰত সন্দেহ কৰিলেও সহজ সৰল আদহীয়া চোলেমানে কিন্তু সন্দেহ কৰিব নোৱাৰিলে। এইদৰে অহা যোৱাৰ ঘনিষ্ঠতাৰ সুযোগ লৈ এদিন এন্ধাৰ ৰাতি ভৰ যৌবনা ভানুৱে ৰহমানৰ বাহু-বন্ধনৰ মাজত সোমাই পৰিল।

দিনবোৰ মাহত পৰিণত হ'ল। হিতে বিপৰীত হ'ল। ৰহমানৰ মনৰো পৰিবৰ্ত্তন ঘটিল। আজিকালি ৰহমান ভানুহঁতৰ ঘৰলৈ অহা যোৱা কমাই দিলে। ভানু ৰহমানৰ প্ৰণয়ৰ কথা আহুকাণে পহুকাণে চাৰুল অফিচাৰৰ কাণত পৰিল। ভানুৰ মাকৰ চাৰিত্ৰিক কেলেংকাৰীৰ কিছুমান মিছা ঘটনা উলিয়াই ৰহমানৰ মন ঘূৰালে। ৰহমানে এদিন উদয়ণ চিনেমাহলৰ আগত থকা পান দোকানত বহি আছে। আন দুজনী বান্ধৱীৰ সৈতে ভানু যোৱা দেখি একাৰৰীয়াকৈ মাতি নি এইদৰে কিছুমান কথা কলে, 'ভানু' নেজানি নুশুনি তোমাৰ দৰে নীচ বংশৰ চৰিত্ৰহীনা গাভৰুৰ লগত প্ৰণয় পাশত আবদ্ধ হৈছিলো। সেই প্ৰণয় চিৰদিনৰ কাৰণে নহয়, মাত্ৰ ক্ষন্তেকৰ কাৰণেহে, তুমি মোক ক্ষমা কৰিবা। মোৰ ইন্দ্ৰিয় প্ৰবৃত্তিবোৰে এতিয়া তোমাক নিবিচাৰে। আজিয়েই শেষ দেখা, এয়া লোৱা টকা এহাজাৰ। তোমাৰ নিস্কলঙ্ক যৌৱনৰ কলিমা সানি দিয়াৰ বাবে মই মহা ভুল কৰিলো। কাইলৈ মই বদলি হৈ যাম গৈ সুদুৰ কাছাৰলৈ। এই বুলি কৈ ভোৰ ভোৰাই মটৰ চাইকেলত উঠি গুচি গ'ল স্কুল পৰিদৰ্শক ৰহমান চাহেব।

বেচেৰী ভানুজনী বিনা মেঘে বজ্ৰাঘাত পালে। হুৰাও ৰায়ে কান্দিব ধৰিলে। সপোনৰ অগোচৰ, কল্পনাৰ অতীত, ৰহমানৰ এই প্ৰৱঞ্চনা নিয়তিৰ নিষ্ঠুৰ পৰিহাস। সহজ সৰল তীক্ষ্ণ বুদ্ধি সম্পন্না ভানুৰ জীৱনলৈ নামি আহিল অমাবস্যাৰ ঘোৰ অন্ধকাৰ। পোহৰ বিচাৰি ভানু ঘৰৰ পৰা পলাই গ'ল। দৌৰিব ধৰিলে দুৰলৈ দু-ৰ-লৈ আৰু দু--ৰ--লৈ উদেশ্য হ'ল এটা নাছিং হোম ......

□□□



# প্ৰায়শ্চিত্ত

শ্ৰীজ্যোতি কুমাৰ নাথ
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )

ৰাতিপুৱাৰ এক সুস্থ পৰিবেশ। কমিৰ মনত এক অশান্তিৰ বাৰ্তা-বাহক স্বৰূপে আহিল ধূৰ্ত কাউৰী-জনী। তাই আৰু স্থিৰে থাকিব নোৱাৰিলে। কমিয়ে চট্‌ফটাই ইফাল সিফাল কৰি এবাৰ ঘৰত সোমায় আৰু কেতিয়াবা খিৰিকিৰে বাহিৰলৈ চাই অন্তৰৰ ভাৱাক্ৰান্ত অৱসাদবোৰ আঁতৰাবলৈ চেষ্টা কৰিলে। কিন্তু তাই আৰু স্থিৰে থাকিব নোৱাৰি বিচনাত পৰি টেবুলৰ পৰা আলোচনী-খন লৈ পাতবোৰ লুতিয়াবলৈ ধৰিলে। কিন্তু তাই চোৱা গল্পটিয়ে তাইৰ অন্তৰক সহাবি জনোৱাৰ বিপৰীতে অন্তৰৰ জলি থকা জুইকুৰাত নতুনকৈ ঘিউহে ঢালিলে।

: তাই অস্থিৰ ·····

এইবোৰ আৰু কিমান দিন বৰ্তী থাকিব বাৰু? এটি দীঘল হুমুনিয়াহ পেলালে। তাইৰ শৰীৰটি একালৰ পৰা বেদনাক্ৰান্ত ভাগৰে আগুৰি ধৰিব আৰম্ভ কৰিলে।

অশান্তিৰ প্ৰতীক কাউৰীজনীয়ে চিঞৰিবলৈ এৰিলে। কাউৰীজনী কোনোবা আপোন ঠাইলৈ উৰি গুচি গ'লগৈ।

: তাই ই-মা-ন মুক্ত !

কমিয়ে ভাবিলে কাউৰীজনীৰ দৰে যদি উৰিব পাৰিলেহেঁতেন; তেনে-হলে ইমানবোৰ ভাৱাক্ৰান্ত মন মুকলি বতাহৰ লগত বিলীন হ'লহেঁতেন। কিন্তু তাই আজিহে অনুভৱ কৰিলে, চৰাইৰদৰে হোৱা হ'লে সকলোৰে মৰম-চেনেহ ত্যাগ কৰি যাব পাৰিলে-হেঁতেন বহুত দূৰলৈ ·····।

কমিহঁতৰ ঘৰখনত মাক-দেউতাক আৰু সৰু ভাইটি এজন আৰু ভনীয়েক জুৰুনীৰ সৈতে সিহঁতৰ সোণৰ সংসাৰ-খনি। কিন্তু আজি তাত নিস্তব্ধতাই শ্মশানশালীত পৰিণত হ'ল। এই পাৰ্থিৱ সংসাৰ খনত মানুহে দুদিন জীয়াই থকাৰ হেপাহ আৰু মৰিবলৈ ভয় কৰে কিয়? কিছুমানৰ ধন-সম্পত্তিৰ বাবে আক্ৰোশ আৰু কিছুমানৰ দুবেলা দুমুঠি খাই থকাৰ বাবে আৰু থাকিবৰ বাবে ঘৰ এটা আৰু পিন্ধিবৰ বাবে কাপোৰ এখনিৰ প্ৰয়োজন। ধন-সম্পত্তি, টকা পইচাই মানুহৰ সকলো নে? মানুহৰ সহজাত প্ৰবৃত্তি ইচ্ছা, কামনা, বাসনাৰ কোনো মূল্য-বোধৰ কাৰণ আহি নপৰে নেকি?

এইবোৰ ভাৱনা চিন্তাৰ পিছত কমিয়ে পাগলীৰ দৰে এবাৰ খিলখিলাই হাঁহে আৰু ছিঞৰি চিঞৰি কান্দে। এনে হাঁহি-কান্দোনৰ প্ৰয়োজন কমিৰ কেতিয়াবা মঞ্চত দৰকাৰ হলে তাই নোৱাৰে। কিন্তু আজি কোনো ৰিহাৰ্চেল বা কোনো প্ৰয়োজন আহি পৰা নাই, অথচ তাইৰ ইমান সহজ সৱলভাৱে হাঁহি আৰু কান্দোন একেলগে ফুটি উঠিল। আচলতে, সঁচা অভিজ্ঞতাই মানুহক হহুৱাৰ আৰু কন্দুৱাব পাৰে।

এনে মুহূৰ্ত্তত বাহিৰত কোনোবা অচাব শব্দ তাইৰ কাণত পৰিল। বান্ধৱী মণি কমলৈ সোমাই আহিল। তাৰ পিছত কমিৰ মাকে দুয়োলৈ চাহ দুকাপ লৈ সোমাই আহিল। মাকে মণিহঁতৰ খা-খবৰ লৈ চাহ খাব দি বাহিৰলৈ ওলায় যায়। চাহ খোৱা কাৰ্য্য সমাপ্ত কৰি দুয়োয়ে আলোচনাত লাগি গ'ল। প্ৰায় ১½ ঘণ্টা মান কথা পতাৰ পিছত মণিয়ে কমিৰ পৰা বিদায় লৈ ঘৰত গুচি যায়।

মণি যোৱাৰ পিছত কমি অকল-শৰীয়া হৈ পৰাত আকৌ বেদনাক্ৰান্ত

চিন্তাত বিভোৰ হৈ বিচনাত মৰাশৰ দৰে ভৰি হাতবোৰ মেলি শুই পৰিল। তাইৰ মনত নৱ চিন্তাৰ বাবে মানসিক প্ৰস্তুতি নাই। কমিয়ে ইমান দিনে বহুতো কল্পনাৰ সাগৰত সাতুৰি নাছুৰি ফুৰিলে কিন্তু ক'তো একো ফল নেপালে। বহুতো কাম তাই বিবেকৰ বিৰুদ্ধে কৰিলে। এই কামৰ প্ৰতিদান স্বৰূপে পালে মাথো? কলংকিনী, চৰিত্ৰহীনা বেশ্যা কুটলা আৰু কিমান আখ্যানৰ প্ৰমাণ পত্ৰ তাৰ লেখ-জোখ নাই। সকলোবে বাবে এই আখ্যান পোৱাৰ আগলৈকে বংশৰ মান-সন্মান তথা গৌৰৱ উজ্জ্বল হোৱাৰ সদৃশ। কমি এজনী ঘৰখনৰ প্ৰতি ভাগ্যৱতী আৰু লক্ষ্মী ছোৱালী। হবই কাৰণ আজি প্ৰায় ১২/১৩ বছৰ মান ঘৰখনৰ প্ৰতি যি কৰিবলগীয়া সকলো স্থিতি লাভ কৰি দিলে। কমিৰ নিজৰ জীৱন আনৰ ওচৰত বিক্ৰী কৰি যৌৱনৰ আটাইতকৈ সুখৰ আৰু সোণালী দিনবোৰ কেৱল আনৰ হাতত তুলি দিলে। অতীতক ৰোমন্থন কৰি তাইৰ কোনো লাভ নাই, সেয়ে মাক-দেউতাকে প্ৰশ্ন কৰক আৰু আনেও সকলো জানি লওক এয়েই তাইৰ চিন্তা ভাৱনাৰ প্ৰধান বিষয় বস্তু। যিবোৰ কাম আজি অত বছৰে কৰি আছে বা কি চাকৰি কৰে; কমিৰ বিচাৰত তাইৰ দৰে গাভৰু ছোৱালী কত আছে কিন্তু তাইহে ঘৰৰ পৰা এসপ্তাহ দু-সপ্তা-হলৈ বাহিৰত ঘূৰি ফুৰে; অথচ মাক দেউতাকৰ তাত অলপো বিচাৰ নাই। এই অৱহেলিত প্ৰশ্নবোৰৰ বাবে তাই আজি ---?

বিচনাৰ পৰা তাই উঠিব পৰা নাই। তাই মূৰটোৰ লগতে ঘৰৰ ভিতৰ খনো ঘূৰিব আৰম্ভ কৰিলে। ড্ৰয়িং ৰুমৰ ফটোবোৰ তাইৰ চকুৰ প্ৰচাৰত নাচিবলৈ ধৰিলে। কিছু সময় পিছত জ্ঞান পাই জন্ম লগ্নৰ কথা ভাবিব ধৰিলে। যিহেতু তাই বেয়া সময়ত জন্ম গ্ৰহন কৰিছিল। নয়নাত এয়ে অন্ধবিশ্বাস। যি পৰিয়ালত নেকি দুবেলা দুমুঠি খাবলৈ নাটে। সেইদৰে কমি হতঁৰ পৰিয়ালটো তথা ঘৰৰ অৱস্থা বৰ শোচনীয়। ৰাতিপুৱা খালে দুপৰীয়া আৰু ৰাতি খোৱাৰ বাবে হাহাকাৰ। এনে ঘৰ এখনে কমিৰ জন্মৰ কথা মনত ৰখা বা লিখি ৰখা বৰ দুৰুহ কাম। কমি সৰুৰে পৰা পঢ়া শুনাত বৰ ভাল। সেয়ে তাই মাক দেউতা-কৰ বাধা নেওচি স্কুললৈ গৈছিল। তাইৰ সকলো পঢ়াৰ খৰচ শিক্ষকে বহন কৰিছিল। তাইৰ পঢ়া কামত-কৈও ডাঙৰ কাম আছিল সৰু ভায়েক ভনীয়েক কেইজন চোৱা চিতা কৰা। ৰাতিপুৱাৰে পৰা মাক দেউতাক কামৰ বাবে ওলাই যায়। গধূলি ঘূৰি আহিলে সিতহঁৰ আনন্দৰ সীমা নোহোৱা হয়। কেতিয়াবা কাম নাপালে পৰিয়ালটিৰ দুখৰ সীমা নাইকীয়া হয়। কমি ক্ৰমান্বয়ে ডাঙৰ হৈ অহাত মাক দেউতাকৰ কষ্টৰ ভাগ লবলৈ বিচাৰে। কিন্তু .....

হঠাৎ কমিক জীৱন নৱ প্ৰভাতে আলোকিত কৰিলে। গাভৰু হোৱাৰ পিছতেই যৌৱনৰ মলয়া বতাহ জাকে তাইক সদায় আমনি কৰিব ধৰিলে। ভাল খাব ভাল পিন্ধিব আৰু মুকলি মূৰিয়াকৈ ফুৰিবলৈ মনত এক নতুন প্ৰেৰণা আহিছিল। এই পৰিৱৰ্তনে মাক দেউতাকে আনৰ ঘৰত কাম কৰি খোৱা বৃত্তিটোৰ বাবে বৰ লাজ পাবলৈ ধৰিলে।

কমিৰ এই পৰিৱৰ্তনত সহাৰি জগোৱাত আগ ভাগ ললে যৌৱন ৰাজ্যৰ ন-আলহি ৰমেনে। ৰমেন আছিল কমিহতঁৰ প্ৰায় চিনাকী। ৰমেনে কমীৰ সকলো পৰিৱৰ্তনত অৰ্থাৎ অভাৱ অনাটনবোৰ পৰিপূৰ্ণ কৰিব ধৰিলে। চতুৰ ৰমেনে তাইক নানা প্ৰলোভন দেখুৱাই বিশেষকৈ চাকৰি দিম বুলি লগত এঠাইৰ পৰা আন ঠাইলৈ লৈ ফুৰায়। এনেকৈ তাই ৰমেনৰ লগত বহুত দিন ঘূৰি ফুৰি যি টকা পইচা অৰ্জন কৰে সেই টকা ঘৰলৈ পঠায়। এই টকা বোৰ পাই মাক দেউতাকৰ শেতা পৰা শৰীৰ পুনৰ সজীৱ হৈ উঠে। তাইৰ নিজৰ জীৱনৰ কথা বাদ দি কেৱল টকা গোটোৱা ধান্ধাত লাগি পৰিল। মাত্ৰ তাইৰ চিন্তা টকা ঘৰলৈ পঠোৱা।

প্ৰায়ে আজি কালি এনে কামত তাই লিপ্ত হৈ থাকে। লাহে লাহে ৰমেনৰ কমীৰ লগত কৰা এই ব্যৱসায়ৰ প্ৰতি বিতৃষ্ণা জন্মিল। ৰমেনে ৰুমিক এখন নাটকত অভিনেত্ৰীৰ বাবে ঠিক কৰি তাইৰ পাপ্য দি উপভোগ কৰি কিছু টকা হাতত দি ৰমেনে ৰুমীৰ পৰা বিদায় লয়। কিন্তু ৰুমি ইয়াত বেচি দিন তিষ্ঠি থাকিব নোৱাৰিলে তাইৰ অতীত বুৰঞ্জীৰ বাবে। ৰুমি সকলোতে নিমাত। আনকি মাক দেউতাকো নিস্তব্ধ। মাত্ৰ ঘৰ খনৰ সকলোটি পৰিয়ালে ব্যস্ত টকা বোটলাত কিন্তু সেই পৰিয়ালৰ এটি প্ৰাণীয়ে কি কাম কৰি ঘৰত টকা দি আছে তাৰ গম লোৱাৰ সময়কণো নাই। ৰুমীয়ে টকাৰ লোভত যে তাইৰ জীৱন যৌৱনৰ সকলো খিনি মৰহি গৈছে এই বিষয়ে ভাবি চোৱা নাই। কেৱল সকলোকে বিলাই দিছে নিজৰ টকাৰ লালসাত।

ধ্যান মগ্ন তাপসীৰ দৰে ৰুমিয়ে এফালৰ পৰা জীৱনৰ অতীতৰ কথা আৰু ভৱিষ্যতৰ লক্ষ্যৰ বিষয়ে ভাবিব ধৰিলে। তাই ৰমেনৰ লগত এখন সুখৰ সংসাৰ কৰাৰ ঠিৰাং কৰিলে।

ঃ কিন্তু ?

তাইৰ দেহৰ তেজপিয়া তেজপিপাবু আনবোৰে জানো সুদাই এৰিব ?

মাত্ৰ ৰুমিৰ দৃঢ় সংকল্প তাই ৰমেনৰ লগত বহুত দূৰলৈ গুচি যাব। য'ত তাইৰ অতীতৰ কলংক কোনেও গম নেপাব।

...ৰুমি শোৱা বিচনাৰ পৰা উঠিল। বাতিপুৱাৰ চাহ কাপৰ সৈতে কতি টুকুৰা খালে। তাইৰ পেটত এইখিনিৰ বাহিৰে আন একো নাই। তাই আৰু কিমান দিন নোখোৱাকৈ থাকিব। তাইৰ আত্মাটোক কষ্ট দিয়াৰ লগতে দেহত থকা আন প্ৰাণীটিকো কষ্ট দিছে। ইমানবোৰ ভাবি ভাবি ৰুমিজনীয়ে পাগলীৰ দৰে চিঞৰি চিঞৰি কান্দিলে। ...ভাগৰত একো কৰ নোৱাৰিলে।

খচ্ খচ্ শব্দ শুনি তাই সাৰ পালে। ওচৰত মাকক দেখি চকু পানী নিগৰি আহিল। দুখেৰে এটি দীঘল কৈ উশাহ কাঢ়িলে। আৰু কিমান-দিন মাকক ফাঁকি দিব ? কিন্তু মাকে সকলোবোৰ কথা বুজি পাই অতীতৰ সকলোবোৰ ভুল মুৰ পাতি ললে। মাত্ৰ তাই এতিয়া কৰিব ওলোৱা কামটোহে বৰ সাংঘাটিক। মাক দেউতাক আৰু সক ভাই ভনীয়েক কেইজনৰ প্ৰতি লক্ষ্য ৰাখি অৰ্থাৎ সমাজ খনৰ সদায় যে ঘৃণিত হব তাৰ প্ৰতি ৰুমিয়ে চিন্তা কৰিব লাগে। ইত্যাদি ইত্যাদি বুলি মাকে বুজালে।

.. মাকৰ বুজনি শুনি ৰুমি অস্বাভাৱিক হৈ ব'ল। তাই মাকৰ কথাবোৰৰ প্ৰত্যুত্তৰ দিবলৈ কুণ্ঠাবোধ নকৰি এফালৰ পৰা কবলৈ আৰম্ভ কৰিলে ..।

মা, মই ডাক্টৰৰ লগত কথা হৈছো। এতিয়াও চাৰি মাহ সম্পূৰ্ণ হোৱা নাই পোন্ধৰ দিন বাকী আছে। সেইকাৰণে......

মা, মা, বুলি ৰুমিয়ে চিঞৰি চিঞৰি কয়, "মা ! তোমালোকে সাধাৰণ কথা বুলি ৰমেনৰ লগত মোক সৌ সিদিনা ঘৰৰ পৰা বাহিৰলৈ যাবলৈ দি মোক যি ভুল কৰিবলৈ বাধ্য কৰিলা তাৰ প্ৰায়শ্চিত্ত মই আজিও ভোগ কৰি আছো। মাত্ৰ তোমালোকে ফুৰ্ত্তিৰে খাই লৈ আছা। এই বিষয়ে জানি শুনিও তলমূৰ কৰি নজনাৰ ভাওজুৰি আছা। আৰু আজি মোক তোমালোকে গ্ৰহণ কৰাৰ প্ৰলোভন দেখুৱাই শিশুটিক হত্যা কৰাৰ পথ বাচি লবলৈ উপদেশ দিলা কিয় ? মা, মই এই কাম কেতিয়াও হবলৈ নিদিও। তুমি জানো এগৰাকী মাতৃ নহয় ? শিশুৰ প্ৰতি মাকৰ মৰম কেনেকুৱা অনুভৱ কৰা নাইনে ? এই কামত লিপ্ত থাকি গোটাই দিয়া ধনেৰে তোমালোকৰ খাই খু-উ-ৰ মজা লাগিছে নহয় জানো ? মোৰ ভৱিষ্যত জীৱনটিৰ ব্যৱস্থা তোমালোকে মুৰপাতি লবা জানো ?"

এই কথাখিনি কৈ ৰুমি কপিবলৈ ধৰিলে।

আন ছোৱালীৰ দৰে ৰুমিৰো এজন স্বামী গ্ৰহণ কৰি এখন সুখৰ সংসাৰ কৰাৰ হেপাহ আছে। সুদূৰ অতীতৰ পৰাই ৰমেনে ৰুমিক চাকৰি

দিম বুলি লগত লৈ নানা অভিনয় কৰি কোৱা আমোদ প্ৰমোদৰ কথা ৰুমিয়ে কেতিয়াও পাহৰিব নোৱাৰে। এই গভীৰ সমুদ্ৰত নামি মাজ পাইছে, তাৰ পৰা আৰু তাইৰ উভতি অহাৰ ইচ্ছা নাই। ৰুমিৰ বিবাহিতা জীৱনৰ যি সুখ-শান্তি থাকিব লাগে; সেই খিনি নাপালেও তাই মাত্ৰ মাতৃ হোৱাৰ ব্যাকুলতা পাহৰি যাব পৰা নাই।

ৰুমিক এই বিষয়ে জানি মাক-দেউতাকে বিৰত থাকিব কৈছিল। কিন্তু ৰুমি অপস্তুত। ঘৰখনৰ জীৱন যাত্ৰাৰ পথ বিচ্ছিন্ন হয় বুলি মাক-দেউতাক গৰজি উঠিল।

: ৰুমি তই জাৰজ সন্তান এটি জন্ম দিবলৈ ওলাই বৰ মহৎ কাম কৰিব ওলোৱা বুলি ভাবিছ নেকি ?

: তোৰ, এই সন্তানক পুত্ৰ হিচাপে ৰমেনে স্বীকৃতি দিব জানো ?

: এই সন্তান জাৰজ নহয়; মাতৃ মই আৰু পিতৃ ৰমেন। গতিকে তোমালোকৰ ইয়াত কোনো প্ৰশ্নই উঠিব নোৱাৰে।

: ৰমেন যে মানুহজন ঠিক নহয় সি গুন্দাৰ দৰে।

মাকৰ কথা শুনি ৰুমিয়ে হাঁহি হাঁহি ক'লে—

: ৰমেন ভালনে বেয়া তোমাতকৈ মই বেছি অভিজ্ঞ মা!

আৰু এই গুন্দাৰ হাতত তুলি কোনে দিলে বাৰু ?

"তোমালোকে মোক টকাৰ বিনিময়ত এজন চৰিত্ৰহীন যুৱকৰ হাতত মোৰ পবিত্ৰ শৰীৰটি গটাই দিলা। অভাৱ হলেও কোনো মানুহে নিজৰ ছোৱালী এজনী এজন গুন্দাৰ লগত উলংগ পৰিবেশত পঠাই দিবলৈ ইচ্ছা নকৰে। তাতকৈ আৰু পৃথিবীত ভাল মানুহ বাৰু কৰবাত আছে জানো ?"

: মাক নিস্তব্ধ নিমাত শ্ৰোতাৰ দৰে তলমূৰ কৰি থিয় হৈ থাকিল।

ৰুমীৰ চকুৰ পানী সৰ্ সৰ্ কৈ নিগৰিবলৈ ধৰিবলে কিন্তু এই চকুৰ পানী এটোপালাও তুকিবলৈ মন কৰা নাই। যিহেতু তাই অতদিনে কৰা পাপবোৰৰ পৰা প্ৰায়শ্চিত্ত হবলৈ কোনো উপায় নাই; সেয়ে চকুপানী বোৰৰে পবিত্ৰ গঙ্গাৰ জলৰ সদৃশ বুলি তাইৰ শৰীৰৰ মৱলাবোৰ ধূই নিকা কৰিব বিচাৰিলে।

হঠাৎ ৰমেন আহি পালে। ৰুমিৰ সৌ সিদিনাৰ দৰে তাৰ লগত ফুৰিব যোৱাৰ ঠাইবোৰ চকুৰ আগত ভাহি উঠিল।



# এপাত হালধীয়া খাক

শ্ৰীপ্ৰসান্ত বৰুৱা
স্নাতক ( কলা )

যোগেশৰ কথা পেলাব নোৱাৰি শেষত মই মান্তি হলো। কথা মতেই সি সন্ধিয়া ছয় মান বজাত ওলাই আহিল। ময়ো সাজু হৈ আছিলো, পলম নকৰি দুয়ো যাত্ৰা কৰিলো। মোৰ মনত এক বুজাব নোৱাৰা আনন্দ। যোগেশে তাৰ বান্ধবীৰ ঘৰলৈ মোক ফুৰাব নিছিল সিদিনা। ক্লাছৰ বান্ধৱী নহয় কিন্তু! কেনে বান্ধৱী ময়ো ভালদৰে নাজানো।

আঘোণ মহীয়া কুঁৱলী আৰু ঠাণ্ডা ঠেলি ঠেলি আমি দুয়ো চাইকেল চলাই গৈ আছো। আন্ধাৰৰ সুযোগ লৈ চাৰিওফালে কেৱল নীৰৱতাই ৰাজত্ব কৰিছিল।

কলেজলৈ গৈছিল? যোগেশৰ মাতত যেন নীৰৱতাখিনি কিছু আঁতৰলৈ গ'ল। কলেজ মানে, আজি কলেজত বৰ ডাঙৰ কথা এটাহে হ'ল।

কি কথা, ভাঙি কচোন, মাৰপিট নহয়তো? মাৰপিট নহয় মানে, আজি ক্লাছত মোৰ পিছত কেইজনীমান ছোৱালী বহিছিল, তাৰে এজনীয়ে মোৰ কিতাপখন খিছাৰিলে, ময়ো দি-দিলো, ঘূৰাই নিদিলে নেকি--- সি মাজতে মাত লগালে।

ঘূৰাই দিছে কিন্তু 'সূচীপত্ৰ'ত চিন দি দিলে। মোৰো কি খংটো উঠিল জানো ক্লাছ শেষত তাইক মাতি আনি কিতাপখন দি দিলো আৰু কলো যে মোৰ কিতাপত চিন দিয়াৰ অধিকাৰ তুমি ক'ত পালা? মোৰ কিতাপ আগৰ দৰে কৰি দিবা। এই বুলি কৈ কিতাপখন তাইৰ হাতত দি মই খঙতে ঘৰ পালোহি।

: ছোৱালীজনী কেনেকুৱা?

কেনেকুৱা মানে মোৰ ইমান খং উঠিছিল যে তাই কেনেকুৱা মই চাবই নহ'ল।

: তথাপিও··· ---।

তাইৰ হাতত এপাত হালধীয়া খাক আছিল, কিতাপখন নিওতে চকুত পৰিছিল।

: কামটো খুব এটা ভাল নকৰিলি কিন্তু।

আচলতে কামটো ভাল হবনে বেয়া হব মোৰ ভবাৰ সময়ে নহ'ল। তাতে আকৌ আজি কিছু দিনৰ পৰা বহু যত্ন কৰিও 'ৰিপি'ক লগ ধৰিব পৰা নাই। সেই খং এই খং লগ লাগি বহুত খং হ'লতো সেই কাৰণেই নেকি?

: মই হলে কিন্তু তাইৰ লগত ভালদৰে চিনাকি হৈ ········।

কথাখিনি আধা কৈ যোগেশ বৈ গ'ল। সন্মুখত এটা অসম আহিৰ ঘৰ। যোগেশ আগবাঢ়ি গৈ কলিং বে'লটো টিপিলে।

মই তেতিয়া বুজিলোঁ যে আমি লক্ষ্য স্থানত উপস্থিত। মই যোগেশক অনুসৰণ কৰিলো। সৰু ছোৱালী এজনীয়ে দুৱাৰ খুলি বহিবলৈ মাতি নিলে।


আমাৰটোত কৈ কিছু উন্নত এটা বহা কোঠা। ভিতৰৰ বোৰ ডাঠ সেউজীয়া পৰ্দাখনৰ বাবে গম পোৱা নগ'ল।

কিছু সময় পিছত ভিতৰৰ পৰা এজনী ছোৱালী ওলাই আহিল। দুয়োলৈ চাই হাঁহিলে আৰু ময়ো ইঁহাৰ দৰেই কিবা এটা কৰিলোঁ। তাই প্ৰথমে যোগেশৰ লগত কথা পাতিব ধৰিলে। মই সেই সুবিধাতে তাইলৈ এবাৰ চাই পঠিয়ালো।

আপুনি কেতিয়াবা মৰি পাইছে? মৰিলেও সম্ভৱ মোৰ দৰে অৱস্থা নহয়। মই যিজনী ছোৱালীলৈ এই মাত্ৰ চাই পঠিয়াইছিলো তাইৰ হাতত এপাত হালধীয়া খাৰু।

তাৰ পিছত তাই যোগেশৰ লগত কি কথা পাতিছিল, মোৰ কালে চাইছিলনেকি? আনকি তাৰ পিছত তাই কাপোৰযোৰ খুলি থৈছিলনেকি তাকো মই কব নোৱাৰিম। মই মাথো জ্বৰ ঘমা দি ঘামিব আৰম্ভ কৰিলোঁ। কাণেদি গৰম ধোৱা বাজ ওলাইছিল।

মই মাথো সুবিধা বুজি তাইৰ হাতখনলৈ চাই থাকিলো। কিজানি হালধীয়া খাৰুপাত সেউজীয়া বৰণৰ হৈ পৰে।



# শেৱালীৰ সুবাস

মঃ তাজনুৰ আলী খণ্ডকৰ
স্নাতক ২য় বাৰ্ষিক (কলা)

চান্দমাৰিৰ এটা ভাড়া ঘৰলৈ অহাৰ স্বপ্নালীহঁতৰ আজি পাঁচদিন হ'ল, অথচ ইটো পাৰ্টিত থকা ছোৱালীজনীৰ লগত স্বপ্নালীয়ে পৰিচয় হবলৈ এতিয়াও সুবিধা পোৱা নাই। ধাৰণা হয় ছোৱালীজনী স্বপ্নালীতকৈ নিশ্চয় ডাঙৰ হব। বিবাহ পাশত চাগে আৱদ্ধ আজিলৈকে হোৱা নাই। বয়স কিমান হৈছে ধৰিব নোৱাৰি। তাই অকলে থাকে। ৰাতিপুৱাই কৰবাত ওলাই যায়। আবেলি ৩-৩০ বা কেতিয়াবা চাৰিটা বজাত ঘৰলৈ অহা স্বপ্নালীৰ লক্ষ্যত নপৰাকৈ থকা নাই। কৰবাত চাকৰি কৰে চাগে। স্বপ্নালীয়ে কেতিয়াবা বাৰান্দাত থিয় হৈ থাকিলেও ভুলতেও মোৰ ফালে নাচায়; তলমুৰকৈ আহে আৰু তলমুৰকৈ গুচি যায়। তাইৰ চকুত এযোৰ হাই পাৱাৰৰ চচ্‌মা পিন্ধা থাকে। স্বপ্নালীয়ে কেতিয়াবা ভাবে উপযাচিয়েই মাতি দিওঁ নেকি? উপায় নাই। কি বুলিমো মাত দিম। মাতিলে বেয়া পায় বুলি সন্দেহ উপজে। সেইকাৰণে স্বপ্নাৰ সংকোচ। ছোৱালীজনী অনবৰতে কিবা চিন্তাৰ খোৰাক জগাই থকা যেন অনুমান হয়। তাইৰ অন্তৰত আনন্দৰ জোৱাৰ দেখা নেপায়। যোৱা চাৰিটা দিনত স্বপ্নালীয়ে দেখিছে ছোৱালীজনীৰ এটা নিচা আছে। তাই পশ্চিমফালে বাৰান্দাখনত বিভিন্ন ৰঙৰ ফুল ৰুইছে তাৰত। সদায় ফুলৰ ওচৰত আহি থিয় হৈ চাই থাকে আৰু যত্নত ত্ৰুতি নকৰে। যেন কিবা নিৰীক্ষনহে কৰি আছে ঠিক তেনেকুৱা ভাৱ হয়। স্বপ্নালীৰ মাতিবলৈ সংকোচ ভাৱ হয়। তাইৰ ৰুমৰ পৰা খিৰীকিৰ ফাকেদি মনে মনে চায় থাকে।

স্বপ্নালীহঁতৰ থকা ঘৰটোৰ পাঁচফালে চোতাল এখনেই। তাত একো বেৰা দিয়া হোৱা নাই। পানীৰ টেপটো চোতালৰ পশ্চিম ফালে আছে। তাত কাপোৰ ধোৱা বাচন বৰ্তন ধোৱা ইত্যাদি কৰিবৰ বাবে ঠাইডোখৰ পকা কৰি থোৱা আছে। স্বপ্নালীয়ে তাতেই বাচনবোৰ ধোৱে; কিন্তু ছোৱালীজনীক কোনো দিনেই টেপলৈ অহা দেখা নাই। খুব সম্ভৱ তাই ৰাতিপুৱা স্বপ্নালীহঁতৰ ৰান্ধনী ঘৰটো আৰু তাইৰ ৰান্ধনী ঘৰটো এখন বেৰৰ ইফাল সিফাল। দুদিন মান স্বপ্নালীয়ে একো শব্দই শুনা নাই। ইটো পাৰ্টিত মানুহ নাই যেন অনুমান হয়। সেয়ে স্বপ্নালীৰ বিৰাট খং তাইৰ ওপৰত। ওচৰ চুবুৰীয়া বুলি যিবা এখৰ আছে; সেইয়া থাকিও নথকাৰ দৰে। এইবোৰ কথাকে পলাশক কয়। স্বপ্নালীৰ ভাৱ হয় ছোৱালীজনী বৰ দেমাগী। কোনোবা এখন কলেজৰ অধ্যাপিকা চাগে। স্বপ্নালীয়ে নিজে কল্পনা কৰি আছে। আবেলি আহিলে কিতাপ আৰু বহী লগত লৈ অহা দেখিবলৈ পায়। অহা সময়খিনি কলেজৰ পৰা অহাৰ সময় বুলি ধাৰণা কৰিব পাৰি। স্বপ্নালী আৰু ইমান সাংঘাটিক ছোৱালী

কৰবাৰ ; মই কতো এনেকুৱা ছোৱালী দেখা নাই। মুখত হাঁহিৰ আভা নায়েই নেকি ? প্ৰত্যেক সময়ত যেন কান্দিব কান্দিব তেনেকুৱা ভাব হয়। কিহৰ কাৰণে ইমান অহংকাৰ। ছোৱালী মানুহৰ ইমান অহংকাৰ কৰা ভাল নহয় অহংকাৰে কেতিয়াবা পতনো আনি দিব পাৰে। আমি যে তাইৰ ওচৰত ঘৰ ভাড়া কৰি আছো তাইৰ কোনো কানসাৰেই নাইকিয়া। কিবোৰ বা ভাবি থাকে ; কি কাৰণত বা এতিয়াও বিয়া হবৰ মন কৰা নাই। একো কল্পনা কৰিবই নোৱাৰি।

স্বপ্নালী অলপ মুখৰা। বেছিকৈ কথা পাতিব পাৰিলে ভাল পায়। এইবোৰ সমুলি পলাশৰ ওচৰত বলকি থাকে। পলাশে নেমাতে আৰু একো নকয়। ছোৱালীজনীক পলাশে দেখাই নাই, সাক্ষাতো হোৱা নাই। স্বপ্নালীৰ কথাত মন্তব্য দিছে, তাই চাগে ৰিজাৰ্ভ। তোমালোকৰ দৰে মুখৰা নহয়। স্বপ্নালীৰ চকুযোৰ বেকা কৰি 'অ' মইহে মুখৰা হলো বুলি উধাতু খাই পলাশৰ ওচৰৰ পৰা গুছি যায়। পলাশে খিলখিলাই হাঁহে। ভাৱে কিছুমান ছোৱালীয়ে কম কথা কয় ; আৰু কিছুমানে বেছিকৈ কথা কয়। অনাৰ কথা এনেয়ে পলাশৰ ভাবিবলৈ ইচ্ছা নাই। অৱসৰো নাই। পলাশ চৰকাৰী চাকৰিয়াল। অফিচত থকা সময়খিনি কবিতা লিখে। পলাশৰ বহু কেইখন কবিতা পুথি প্ৰকাশ হৈ ওলাইছে ভাল কবিতাও লিখে। গতিকে স্বপ্নালীৰ কথাত একো মতামত নিদিলে।

এদিন পলাশে অফিচৰ পৰা আহি ঘৰ সোমোৱাৰ লগে লগে স্বপ্নালীয়ে হাঁহি খিকিন্দালি কৰি পলাশক কলে। বোলো আজি সেই ছোৱালীজনীৰ সতে চিনাকী হলো। ইমান দিনে মিছাকৈ ভাবি আছিলো ছোৱালীজনী সাংঘাটিক আৰু অহংকাৰী বুলি। আচলতে তাই বিৰাট অমায়িক। ইমান মৰম লগাকৈ কথাবোৰ পাতে ভাবিলে আচৰিত লাগে। তাই মোক কলে যে তুমি মোতকৈ অলপ সৰু হবা। মই নামকাটি মাতিম দেই। মোক আকৌ বাইদেউ বুলি সম্বোধন কৰিলেই হব আৰু কি কলে জানা ; মই হেনো ধুনীয়া আৰু কৈছে তোমাৰ হাজবেণ্ড বৰ ভাগ্যবান। এইখিনি কোৱাৰ পিছত মোৰ লাজ লাগি গৈছিল। কথাবোৰ কওঁতে গহীন গম্ভীৰ ভাৱে বিশ্লেষণ কৰি কয়। আৰু কি জানা মোৰ যিটো ধাৰণা আছিল আচলতে ঠিকেই আছিল। ছোৱালীজনী আচলতে কলেজখনতে চাকৰি কৰি আছে।

মোক কৈছে তোমাৰ মন গলেই মোৰ ৰুমলৈ আহি মোৰ লগত কথা পাতিবা। কথাবোৰ স্বপ্নালীয়ে অনগল কৈ থকাৰ মাজে মাজে পলাশলৈ চাইছে। পলাশে একান্তমনে খোৱা কাৰ্য্যত মনপুতি লাগিছে। পলাশ এতিয়া চিন্তাত পৰিছে যে স্বপ্নালীয়ে চাগে অফিচৰ পৰা অহাৰ পিছত এনেকৈ ছোৱালীজনীৰ কথাকে অৱগত কৰি থাকিব। স্বপ্নালীজনীয়ে তেওঁৰ পলাশৰ কথা বুজিব পৰা নাছিল। তাই পলাশৰ একেবাৰে ওচৰলৈ আহি মিচিকীয়া হাঁহি মাৰি কলে যে ছোৱালীজনীয়ে বৰ ভাল পায়। মই কিন্তু ভাল পায় বুলি শোধোতে একেবাৰে অন্যমনস্ক হৈ গৈছিল। যেন বহু দূৰলৈ মনটো উটি ভাঁহি গ'ল। কিছু সময়ৰ পিছত কলে শেৱালীফুল বাতিহে ফুলে আৰু ৰাতী পুৱাই সৰি পৰে। ইমান দুখ লাগে যে গছত কিছুদিন থাকিবলৈ নেপায় অথচ ইমান ধুনীয়া শুভ্ৰ ফুল।

পলাশে খাই থকাৰ পৰা উঠি বিচনাৰ ওচৰলৈকে গ'ল। শেৱালী ফুল ভাল পোৱা এজনী ছোৱালীৰ লগত বহুদিনৰ আগতে পলাশৰ চিনাকি আছিল ; তাই এতিয়া নাই। তাইজনী কালৰ কৰাল গ্ৰাসত পৰি হেৰাই গৈছে। পাচবছৰৰ আগতে সেই শেৱালী ফুল ভালপোৱা ছোৱালীজনীক পলাশে হিয়া ঢাকি ভাল পাইছিল ; মৰম কৰিছিল কিন্তু সিহঁত দুয়োৰো মিলনৰ এনাজৰীদাল বিচ্ছেদ নোহোৱাকৈ নাথাকিল। তাইজনী বৰ অভিমানী আছিল। তাইক বিয়া কৰাবলৈ ঘৰৰ পৰা কাৰো মত

নাছিল সেইকাৰণে পলাশে তাইৰ বিয়াৰ প্ৰস্তাৱ নাকচ কৰি পেলালে ।

সচৰাচৰ শেৱালীফুল ৰাতি ফুলে ৰাতিপুৱা তলসৰা ফুলবোৰ ভৰি তলখনহে গুৰনী কৰে । তাইৰো তেনে হ'ল । তাইৰ ভালপোৱা তাইজনীয়ে নিজে আকোৱালি লৈ আঁতৰি গুচি গ'ল । পলাশ লৰা-জন কিন্তু স্থিৰ হৈয়ে ৰ'ল ।

পলাশৰ চকুযোৰ তিতিব খুজিলে । বুকুখন যেন কপিবলৈ ধৰিলে । তাই-জনীক মিচাতে বাৰুকৈয়ে অন্যায় কৰা হ'ল । তাই বাৰু এতিয়া ক'ত আছে ? চকুযোৰত কেইচেলুমান পানি মাৰি পলাশে গামোচাৰে মচি পেলালে । স্বপ্নালীক বিয়া কৰাই পলাশে অকনো অসুখী হোৱা নাই । স্বপ্নালী বৰ সৰলমনা আৰু ভদ্ৰ ছোৱালী ।

এনেকৈ স্বপ্নালীয়ে যোৱা দুদিন ওচৰৰ বাইদেউ গৰাকীৰ কথা কলে । পলাশে সঘনে এক্ষোৱে মন্তব্য নিদিয়ে । বাইদেউ ভাল পাইছে, অন্তত: স্বপ্নালীৰ এটা লগ হ'ল তিনিদিনৰ দিনা পলাশে অফিচৰ পৰা আহি চাহ একাপ খাই থাকোতে স্বপ্নালীয়ে আনন্দিত উৎফুল্ল হৈ কলে ; বুজিছো ইছ তোমাক কোৱাই নাছিলো নহয় খুব যে ভাল কবিতা লিখে মৃদুস্মীতা বৰা এই বাইদেউ গৰাকীয়েই মই তুমি গল্প লিখাৰ কথাওঁ কলো । মৃদুস্মীতা নামটো শুনি পলাশে খাই থকাৰ পৰা মুৰটো দাঙি স্বপ্নালীলৈ তিৰ্য্যক দৃষ্টিৰে চালে । হঠাৎ পলাশৰ বুকুৰ একাংশৰ যেন কপি উঠিল । এৰা শেৱালীফুল ভাল পোৱা মৃদু-স্মীতাইটো তাৰ একালৰ ছোৱালীজনী । স্বপ্নালীয়ে আৰু কিবা কিবি কৈ গৈ আছিল । পলাশৰ কাৰলৈ যাব ইচ্ছা কৰা নাছিল ।

বহু ৰাতিলৈ পলাশৰ টোপনী নাহিল । ইমান ওচৰতে তাৰ অতিকৈ মৰমৰ অতিকৈ চেনেহৰ মৃদুস্মীতাজনী আছে অথচ সি, ইমানতে শেষ হোৱা নাই । সি ভাবিলে ৰাতিপুৱা এবাৰ মৃদুস্মীতাৰ ওচৰলৈ যাবই লাগিব । স্বপ্নালীক কলে তোমাৰ বাইদেউৰ লগত মোক চিনাকী কৰি দিবা । স্বপ্নালীয়ে শলাগিলে, ৰাতিপুৱাই শুই স্বপ্নাহতে দেখিলে ঘৰটোৰ দুৱাৰত তলা বন্ধ । পলাশে ভাবিলে অফিচৰ পৰা আহি সি মৃদুস্মীতাৰ ওচৰলৈ যাব ।

দুপৰীয়া স্বপ্নালীয়ে দেখিলে দুখন ঠেলাত বস্তু বাহানীলৈ মৃদুস্মীতাই স্বপ্নালীক মাত লগাই গুছি গ'ল ; যাওঁতে কৈ গ'ল এইবাৰ কলেজত কোৱাটাৰ পাইছো । অফিচৰ পৰা পলাশ আজি সোনকালে আহিল দেখোন । দিনটো সি মৃদুস্মিতাৰ কথাকে ভাবিলে । আহিয়েই সি ঘৰটোলৈ চালে । স্বপ্নালী দুৱাৰ মুখতে মনমাৰি থিয় হৈ আছিল । পলাশে সেইফালে চোৱা দেখি স্বপ্না-লীয়ে কলে মৃদুস্মীতাই ঘৰটো এৰি দি গ'লগৈ । ফুলৰ যিমানবোৰ টাব আছিল সমূলি মোক দি থৈ গ'ল । প্ৰত্যেক দিনাই যত্ন লব কৈছে । পলাশে ফুলৰ টাবৰোৰলৈ থৰ লাগি চালে । ওচৰতে থকা গোলাপ ফুলৰ টাবটোত এপাহ ৰঙা গোলাপ ফুলি আছে । সি মৰমতে স্পৰ্শ কৰি দিলে । এইবোৰ মৃদুস্মীতাৰ বৰ যত্ন কৰি ৰখা ফুল । স্বপ্নালীয়েতো নাজানে মৃদুস্মীতা এসময়ত তাৰ কিমান মৰমৰ আছিল । তাই ইচ্ছাকৃত ভাৱে তাৰ ওচৰৰ পৰা আকৌ পলাই গুচি গ'ল । তাৰ ওঁঠৰ ওপৰেদি এটা নিস্তেজ শেতা পৰা হাঁহি বাগৰি গ'ল ।

# নাযাওঁ নাখাওঁ নকৰোঁ

শ্ৰীৰাজ শঙ্কৰ ভূঞা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

: আজি সি কলৈ গ'ল ?

: কলৈ যাব আৰু! গৈছে আৰু ঘাটিলৈ।

: হলেও আমাকতো মাতি যাব লাগিছিল।

: সোনকালে আহিব চাগে!

: এতিয়াতো চাৰি বাজিল। সি নাহিলে আমাৰতো আইটেমটো কেনছেল হব।

: আৰু অলপ সময় ছোৱা যাওঁক!

: অই, হৰি উঠ। চাৰিটা বাজিল। আৰে উঠনা। দেৰি হ'ল।

: আ-হা……হা——হা——

"ফুল দেখা হাই বাগ মে, গোলাপ জেইচে নেহী। লৰকী দেখা হাই বাজাৰ মে, তুম জেইচে নেহী"।

: অ' তই ইমান সময় 'Acting' হে কৰিছিলি। আমি আকৌ স্বৰ্গত আৰতৰণ কৰা বুলি ভাবিছিলো।

: ৰ'অ বে, এটা চায়েৰি মনত পেলাই ললো। আবেলি মানে এতিয়া ওলাই যাওঁতে লাগিব নহয়।

: তোৰ চায়েৰি শুনি শুনি আমাৰতো আমুৰাইছেই, লগতে বাটৰ ছোৱালীবো গালি খাই খাই পেটৰ ভোক নোহোৱা হোৱাৰ উপক্ৰম। সিহঁতে আৰু কিমান শুনিব। সদায় সন্ধিক্ষনত প্ৰথমে এটা চায়েৰি তাৰ পাছত 'Reply' হিচাবে চৰ দিম-দাঁত চিঙিম আদি।

: হৈছে দে পংকজ। তাক কৈ লাভ নাই। এই, তই মুখ ধো। নে চাহ নাখাৱ ?

: ৰহ, মুখ খন ধো। ধুই লওঁ। পংকজ দেখোন ওলাইছই। কলৈ যাবি।

: কলৈ মানে, এনেই অলপ যাম আৰু। এই শংকৰৰ কাৰণে আইটেমটোও এনেয়ে গ'ল।

: অ' জীতেন, চাহ ক'ত ?

গিলাছত আছে। আৰু টেমাৰ পৰা বোছ ল।

: জীতেন তই দেখোন বাছন ধোৱাতহে লাগিলি। নাখাৱ নেকি ?

: যাম ৰ'। এইখিনি ধুই লওঁ। নহলে ৰাতি বৰ শাস্তি হব।

: ওলা-ওলা সোনকাল কৰ। দেৰি হৈছে।

: হৈছে ৰ'অ।

: আমি আহিছো। তই তলা মাৰি আহ।

: সি আজি ভাল ঠাইলৈয়ে গৈছে।

: অ' আজি ৰাস্তাটো মানুহ কম।

: অ' হৰি পংকজ আৰু বেচি দুৰ নাযাওঁ।

: আৰু অলপ যাওঁ।

: অ' জীতেন ভাত কেইটা সোনকালে বনা।

: তোৰ লাগিলে নে ?

: ভোক লাগিছে বে। আৰু আজি চিত্ৰহাৰ আছে নহয়।

: অ' পাহৰিছিলোৱেই। যাওঁদে। কি ৰান্ধিম ?

: কি ৰান্ধিবি আৰু। নিত্যনৈমত্তিক। দালি-আলু আৰু কণি ভাজ।

: তালৈ কি কৰিম ?

: বান্ধ। সময়ত আহি পাব। ঘৰৰ চৰাই গধুলি ঘৰলৈ আহিবই।
: সি নাহিলে আজি সকলো মিছা হব। তিনিজনে কি কৰিবি। ফিজে গতি হব।
: হৰি 'White' আছে নে নাই ?
: আছে। বনাছোন।
: অ'ই পংকজ চুন কমকৈ দিবি।
: বাৰু। চেষ্টা কৰিম।
: ভাত হ'ল। এতিয়া থাকক। সিওঁ আহঁক। ঠাণ্ডাওঁ হওঁক।
: পিছে চিত্ৰহাৰৰ সময় হ'ল।
: ব'ল।
: পংকজ তই দেখোন শুইছ।
: নাই, এনেয়ে।
: মালিকে টিভি দিয়াই নাই দেখোন।
: দিব ব'ল।
: বাহ, ইমান সময়, সি কলৈ গ'ল।
: সি আজি নাহিব নেকি ?
টক-টক-টক।
: আহক মহাৰাজ। প্ৰবেশ কৰক। আপোনাৰ বাবে সকলো সুবিধা কৰি থোৱা আছে। খেলি দিয়ক।
: মহাৰাজ, কলৈ গৈছিল। আজি দেখোন সকলোকে পাহৰি অকলে অকলে।
: ব' বে। আজি এটা বেয়া ঘাটিলৈ গ'লো। ঘাটি মানে ডেকা চাৱৰ ঘৰলৈ।
: চাৱৰ ঘৰ কিবা ঘাটি হ'ল নে ?
: নহয় মানে কৈছো আৰু। পিছে এটা কথা। চাৰে কৈছে এইবাৰ আমাৰ পৰীক্ষাবোৰ বোলে আগুৱাব। মানে মাৰ্চৰ লাষ্টতে হব পাৰে। গতিকে ভাই অলপ লাগিবৰ হ'ল। ঘৰক আৰু কিমান ফাকি দিবি। সময় নাই। চা এইটো 'October' মাহ। আৰু মাত্ৰ চাৰিমাহ ধৰ। এই চাৰি মাহ যদি কিতাপৰ লগত দেখা সাক্ষাৎ কৰি টাৰ্মচ্‌টো ভাল কৰিব পাৰ তেন্তে সো-শৰীৰে যাব পাৰিবি। নহলে হাফ টাৰ্মচ হলে হাত-ভৰি কিবা কিবি থৈ যাব লাগিব। আকৌ অহাবাব নিব লাগিব আহি। গতিকে ডাবোল খৰচ তথা কষ্ট কৰাতকৈ এবাৰতে যাবলৈ চেষ্টা কৰিব লাগিব। আমাৰ এই **'extra'** অলংকাৰবোৰ কেইদিনমান সোলোকাই থবৰ হ'ল। নহলে বুজিছাইটো। একেবাৰে সো-শৰীৰে চিনেমাহলৰ ওপৰ ক্লাছৰ পৰা তলৰ ক্লাছলৈ। মোৰ মতে আজিৰ পৰা আমি সকলো বাদ দিওঁ। মই অকলে বাদ দিলেই নহব। তইঁতেও। হলে গোটেই কেইজন ভাল হওঁ। আজিৰ পৰা এই চাধা-তাচ-চিগাৰেট সকলো বাদ।
: অ'ই চাৰে নতুনকৈ 'Washing' মেচিন লৈছে নেকি ? তোকটো ভালদৰে **'wash'** কৰি পঠাইছে। চাৰিঘন্টা মানব ভিতৰতে ইমান পৰিবৰ্ত্তন। আৰু অলপ সময় থাকিলে হয়তো তোৰ আকৃতিও চেঞ্চ কৰি পঠালে হয়। পিছে প্ৰকৃতিটোকে চেঞ্চ কৰি কম কৰা নাই। কথাটোত মোৰো মনে ধৰিছে। কাৰণ পৰীক্ষা ওচৰ পালেহি। আমাৰটো কিতাপৰ লগত এটা ৰিক্ত সংহতিৰ সম্বন্ধ। অলপ মানে, পূৰাদমে লাগিবৰ হ'ল। গতিকে আজিৰ পৰা মই সকলো **'extra'** অলংকাৰ বাদ দিলো। নেকি ? তহতে কি কৰ ?
: মই পিছে **Divide Assam 50-50** প্ৰস্তাৱৰ সপেক্ষে আছোঁ। কাৰণ এদিনতে ইমান বোৰ ভাল অভ্যাস সামৰি লব পাৰিম নে নোৱাৰিম তাত মোৰ সন্দেহ। গতিকে অলপ **'Slowly'** যাওঁ। মানে আজি এটা কালি এটাকৈ বেয়া বোৰ এৰি ভাল বোৰ সামৰো। তহঁতে চা, আজিয়ে সকলো বোৰ এৰি কাইলৈ মূৰ খুজুৱাই থাকিব লাগিব। গতিকে "Slow Drive Long Life" ৰ কথা অলপ চিন্তা কৰিবি। নে কি কৰ জীতেন ?
: নহয় অ' পংকজ। তোৰ এই "Slow Drive Long Life"-সূত্ৰত গলে আমি এটা সময়ত এটা বিশাল "Score"ৰ সন্মুখীন হব লাগিব। গতিকে এতিয়াৰ পৰাই উইকেট চাই মাৰাত্মক বেটিং কৰি গলে এই চাৰি মাহৰ ভিতৰতে আমি লক্ষ্যত উপনিত হব পাৰিম।

নহলে কথা বেয়া । মানে "Follow on" ৰ সম্ভাবনাই বেছি । গতিকে এটা ভাল দিন বাৰ চাই লাগোদে । ড্ৰেছ পাতি লগালে কি হব, মূৰো লগাবৰ হ'ল ।

: বাৰু হ'ব । অ'ই ১০টা বাজিল । ভাত সজা ।

: মই ভাত নাখাওঁ । চাবৰ তাত খাই আহিছো ।

: তই ভাল ঘৰ এখন পালি । একেবাৰে চাহৰ পৰা ভাতলৈ ।

: 'Credit' বুজিছা ! 'Credit' !

: নহয় মানে এনেয়ে গলো । চাৰবাইদেৱে কলে, খাই আহিলো আৰু । চাৰবো লগ নাই । অলপ কথাকে পাতিলো । মই এটা কথা ভাবিছো আজি আমি এখন "Routine" বনাই ললে ভাল হব । নেকি ? "Routine" মতে গলে "Succes" হব পাৰিম । ধৰা, পুৱা ৫টাত উঠা, ৰাতি ১২টাত শুৱা আদি ।

: "Routine-follow" কৰিব পাৰিলেটো ভালেই ।

: নহয়-মানে ".ollow" কৰিবই লাগিব । "must be" । আৰু আজিৰ পৰা কালিৰ পৰা নহয় । কালি ভাল বাৰ, সোমবাৰৰ পৰা আদি নহয় । কালি পুৱাৰ পৰাই । মোৰ কথাহ'ল, পুৱা ৫ বজাৰ পৰা আমাৰ "Routine follow" কৰা হব ।

: বাৰু দেখা যাক । পুৱা ৫ বাজক ।

: দেখা যাক নহয় । শংকৰে এটা ভাল আইদিয়াকে দিছে । আমি পুৱাৰ পৰা 'Routine' 'follow' কৰিম । পিছে এতিয়া অলপ বহোদে । নহলে আজি ভাল নালাগিব নহয় । অলপ খেলিম । মানে ১২টা মানলৈ ।

: অই, অলপ বনাছোন ।

: তেতিয়া মই বনাইছো । এতিয়া হৰিয়ে বনা ।

: বাৰু অলপ খেলো । পিটটো আন ।

: অ'ই জীতেন পিটটো আন ।

: আজি ময়ে পংকজে-শংকৰে হৰিয়ে ।

: বাৰু হব । নেকি হৰি ।

: অ'ই ল' ।

: অ'ই হব দে । ১১.৩০ বাজিল । মই আৰু নেখেলো । আজিৰ পৰা এইবোৰ বাদ দিলো । কালিৰ পৰা পঢ়িম । নহলে সকলো শেষ হব বুজিছা ।

: হব বাৰু । পিছে পুৱা সাৰি পাম জানো । জগাই দিবি ।

: প্ৰস্তাৱটোত গোটেই কেইজন একমত হোৱা দেখা গ'ল । গতিকে আমি নথ জোকাৰি নৈ বোৱাব লাগিব ।

: পিছে নৈ খন চিৰ প্ৰবাহি কৰিব লাগিব ।

: এতিয়া আছে সভাপতিৰ বক্তব্য আৰু মন্তব্য ।

: আহি আহি আমি এটা সিদ্ধান্তত উপনিত হলো । আজিৰ পৰা আমি বেয়া ঠাইলৈ নাযাওঁ. বেয়া বস্তু নাখাওঁ আৰু বেয়া কাম নকৰো । অৰ্থাৎ আমাৰ প্ৰতিজ্ঞা হ'ল — "নাযাওঁ, নাখাওঁ, নকৰোঁ" ।

হা-হা-হা……

হা-হা …… ॥

॥ মহৎ লোকৰ বাণী ॥

☐ নিভাজ অসমীয়া ভাষাত কথা লিখিবা নিভাজ অসমীয়া সাজপাৰ পিন্ধিবা অনাহকতে বিদেশীক অনুসৰণ নকৰিবা ।

— লক্ষ্মীনাথ বেজবৰুৱা

☐ তুমি নিজে এজন সাধু হোৱা আৰু তেতিয়া তুমি নিঃসন্দেহে কব পাৰিবা যে এজন অসৎ লোক পৃথিৱীৰ পৰা কমি গৈছে ।

— কাৰ্লাইল



# আত্মহত্যা নে আত্মত্যাগ ?

শ্ৰীবৰিতা কুমাৰী মাজু ডেকা
স্নাতক ৩য় বৰ্ষ

টিক্-টক্-টক্ দুৱাৰত কোনোবাই টুকুৰিয়ালে, কাৰেণ্ট নাই আনফালে সোঁ-সোঁৱাই বতাহ বৰষুণ দিব লাগিছে। মনত ভয় লাগিল। টৰ্চটো লৈ ঘড়ীটোলৈ চালো তেতিয়াও ১ বাজিবলৈ ১২·১৩ মিনিট মান বাকী। টক্-টক্ আকৌ টুকুৰিয়ালে। লেম্প-টোৰ ফিটাডাল বঢ়াই দি দুৱাৰৰ ওচৰ পালোগৈ। দুৱাৰত কাণখন দি কিবা শব্দ হয় নেকি কিছু সময় অপেক্ষা কৰিলো। তৃতীয়বাৰৰ বাবে শব্দ শুনিলো—"ৰাজু অ' ৰাজু দুৱাৰ খন খোলচোন"। কিছু সময় হতভম্ব হৈ ঠিয় দি থকাৰ পিছত বহুদিনৰ পুৰণা সেই মাতটো মনত পৰিল। লগে লগে দুৱাৰখন খুলি দিলো। গোটেই তিতি বুৰি ভাগৰুৱা সি। মই খৰধৰ কৈ কাপোৰ-কানি দি গৰম চাহ একাপ দিলো। কিন্তু সি সেই সময়ত বৰ ভোকাতুৰ আছিল। সেয়েহে সি মোক ভাতৰ কথা কলে। গৰম ভাত বনাবলৈ বিচাৰিলো। সি ইমানেই ভোকাতুৰ আছিল যে সি চকুত যি আছে তাকেই বিচাৰিলে! মইও ঠাণ্ডা ভাতকেই দিবলৈ বাধ্য হলো।

খাই বৈ উঠাৰ পাছত মই তাক ক'ৰ পৰা, কেনেকৈ এই ৰাতি মোৰ ঘৰ পালেহি আদি নানা প্ৰশ্ন কৰিলো। সি মাথোন পিছত কম বুলি শুই পৰিল। কিন্তু মোৰ সন্দিহান মনত নানা প্ৰশ্নৰ উদয় হ'ল। মই তাক নেৰিলো। তাৰ পৰা কথা উলিয়াবলৈ বিচাৰিলো। কলো "তই মোৰ বাল্যবন্ধু সৰুৰে পৰা কান্ধত কান্ধ মিলাই ডাঙৰ দীঘল হলো। দুয়ো দোয়োকে বিশ্বাস কৰো। কিন্তু তই এতিয়া কথা লুকুৱাইছ কিয় ? তই মোক খুলি ক। এইয়া তোৰ ওচৰত দাবী"।

বিচনাৰ ওপৰতে গাৰু দুটাৰ ওপৰত ভেজা দি বহি লৈ সি এবাৰ ঘৰটোৰ চাৰিওফালে চকু ফুৰালে। মোৰ ফালে মানে মোৰ চকু দুটাৰ পিনে খন্তেক **থৰ লাগি** চাই ৰ'ল। মই সি কিবা কব বুলি উচপিচাব ধৰিলো। বোধহয় সি মোৰ উৎসুকং মনটো বুজি পালে। পকেটৰ পৰা ইলাচি জাতীয় কিবা এটা মুখত সুমু-ৱাই ললে। কিছু সময় দুয়ো নিস্তব্ধ। তাৰ পাছত লাহেকৈ এটা হুমুনিয়াহ কাঢ়িলে। মই তেতিয়াও তাৰ ফালেই চাই আছিলো। সি মুখৰ পৰা থুটকুৰিয়াই কিবা এটা পেলালে। পুনৰ মোৰ ফালে দৃষ্টি নিক্ষেপ

কৰিলে। তাৰ নিবৰতাই তাৰ গম্ভীৰ চকু দুটাই পৰিবেশটো ক্ৰমাৎ গম্ভীৰ কৰি তুলিলে। কিবা এটা তাৰ মুখৰ পৰা শুনাৰ আশাত মই উচ-পিচাব ধৰিলো। সি দুৱাৰখনৰ ফালে লক্ষ্য কৰি কলে "কম, তোক মই সকলো কম। কিন্তু দুৱাৰখন ভালদৰে বন্ধ কৰি দে"। মই উঠি গৈ দুৱাৰখন বন্ধ কৰি খিলি লগাই দিলো। সি কবলৈ ধৰিলে—মই তোৰ বাল্য বন্ধু অংকুৰ আছিলো কিন্তু মই এতিয়া সেই অংকু নহওঁ। মই এজন বিপ্লবী। এই দেশৰেই এজন বিদ্ৰোহী নাগৰিক। যাৰ নাম শুনিলে লাখপতি, কোটিপতি, ক'লা বেপাৰী সকলৰ অন্তৰ কঁপি উঠে। কিন্তু যি সৎ, দুখীয়া, দুবেলা দুমুঠি খাবলৈ নোপোৱা দীন দৰিদ্ৰ তেওঁ-লোকে সেই নাম শুনিলে তেওঁলোকৰ অন্তৰ প্ৰেমেৰে ভৰি পৰে। তই হয়তো বুজি পাইছই। কাকতে পত্ৰ-ইয়ো পাইছ সেই 'পৰশু' নামৰ ডকাইট তথা দস্যুৰ কথা। যি ধনী ক'লা বেপাৰী সকলৰ বাবে ডকাইট। শাসনৰ বাখজৰী লোৱা সকলৰ বাবে দেশদ্ৰোহী। চৰকাৰৰ মূৰৰ বিষ। পুলিচ, আৰ্মিৰ চকুৰ কুটা। তাৰ মূৰৰ দাম— ৩ লাখ টকা। সি ৰৈ গ'ল। অতি সন্তৰ্পণে ইফালে সিফালে চকু ফুৰাই মোক সুধিলে — "তই সেই 'পৰশু' নামৰ আতংকৰ সৃষ্টিকাৰী দস্যুজনক দেখিছ ?"

"মই একো বুজি পোৱা নাই তোৰ কথা" উত্তৰ দিলো। সেই আতংক সৃষ্টিকাৰী দস্যুজন তই চিনি নেপাৱ। সেইজন তোৰ · । মই ক'লো কি মোৰ ? তোৰ বাল্যবন্ধু অৰ্থাৎ······মই। কি তই "তই" পৰশু তই পৰশু। অহ! তই এই পথ বাচি ললি কিয়। কিহে পালে তোক এই পথ লবলৈ। সমাজৰ অন্যায় ব্যভিচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰ, আইনগত ভাবে নকৰিলি কিয় ? তোৰ যে জীৱন এতিয়া সংকটময়, কোন মুহূৰ্ত্তত কেতিয়া তোৰ ···· । তই এবাৰ তোৰ বিধবা মাতৃজনী আৰু সৰু ভন্টীজনীলৈ ভাবি চাইছিলিনে ?

অ' অংকু এদিন মই কলেজৰ পৰা কিবা এটা কামত তেজপুৰলৈ যাব লগা হোৱাত তোৰ মা আৰু ভন্টিক লগ পাই তোৰ কথা সুধি-ছিলো — তেতিয়া তোৰ জন্মদাত্ৰী মাতৃয়ে দুধাৰি চকুৰ পানীৰে উত্তৰ দিছিল যে সি কিবা এটা চাকৰিৰ প্ৰশিক্ষণ লবলৈ যাওঁ বুলি গ'ল। আজিলৈকে একো খা-খবৰ নাই। পিছত মই আৰু একো সুধিব নাপালো। গাড়ী যাবলৈ ওলোৱাত বিদায় লৈ গাড়ীত উঠিলোগৈ। কিন্তু তোৰ মাৰ সেই চকুপানীৰ অৰ্থ কাৰণ যে এইটোৱেই আছিল মই বুজি পোৱা নাছিলো। তোৰ সেই জন্মদাত্ৰী মাতৃজনী, সৰু ভন্টিজনীলৈ মনত নপৰে ? কি তোৰ তেওঁলোকৰ প্ৰতি কৰ্তব্য নাই। চাকৰি নেপাৱ ব্যৱসায় বা অন্য কিবা কিবি কৰিব পাৰিলিহেঁতেন।

কিন্তু সি কৈ উঠিল — তোৰ দৰে, তহঁতৰ দৰে লোক সকলে মিঠা মিঠা উপদেশ দিব সুউৰ ভালদৰে জান। কিন্তু তই যেতিয়া মোৰ দৰে চাকৰি বিচাৰি ঘূৰি ফুৰি মানুহৰ তিতা মাত খালিহেঁতেন তয়ো নিশ্চয় মোৰদৰেই এজন ব্যক্তি হৈ পৰিলিহেঁতেন। "থেকিলেহে শিকে ৰাজু, থেকিলেহে শিকে" আৰু শুন ব্যৱসায় কৰিব লাগে। কিন্তু ব্যৱসায় কৰিবলৈ টকা ক'ত। কোনে দিব টকা আমাৰ দৰে দুখীয়া লোকক ? হয়তো তই কব পাৰা লোণৰ কথা। কিন্তু লোণ পাম কেনেকৈ ? চাকৰি কৰিবলৈ বা পাবলৈ যেনেকৈ আগতে হাজাৰ হাজাৰ টকাৰ বাণ্ডুলৰ Certificate দেখুৱাব লাগে, ঠিক সেইদৰে লোণ লোৱাৰ আগতে তই ভেঁটি দিব লাগিব। সেই ভেঁটি ক'ৰ পৰা দিম। বিকণ মাটি আছে সেইখিনি বিক্ৰী কৰি ? তই কচোন ভেঁটি অকল খোৱাটোৱেই পাপ জানো ? দিয়াতো পাপ নহয় নেকি ? তই মই তথা আমি কোনেও যদি ভেঁটি নিদিও তেনেহলে ভেঁটি খোৱা মানুহৰ সৃষ্টি হব কেনেকৈ ? তাৰ বাবে জানো আমিও জগৰীয়া নহয় ?

তই চা, মই তোৰ লগতে B.A পাছ কৰিলো। কিমান কষ্টৰ মাজেৰে তাৰোপৰি তোতকৈ মোৰ Marks ভাল আছিল অথচ তই চাকৰি লগে

লগে পালি। কিন্তু মই বিচাৰি হাবাথুৰি খাইও পোৱা নাই। কাৰণ তোৰ ভাগ্য আছে। সেয়েহে তই টকা পইছা থকা ধনী মানি ব্যক্তিৰ ঘৰত উপজিছিলি। সেইবাবে কোনো কষ্ট নকৰাকৈ টকা দিছ আৰু তাৰ বিনিময়ত টকা পাইছ। কিন্তু মোৰ তোৰ দৰে কোনো ধনী মানী অফিচাৰৰ ঘৰত জন্ম হোৱা নাছিল। মোৰ বংশ পৰিয়ালত ধন দৌলতেৰে খ্যাতিমান ব্যক্তি নাই। আমাৰ কোনো সম্পৰ্কীয় মন্ত্ৰী, এম-এল-এ ও নাই। এইখিনি থকা হ'লে মোৰ ঘৰত ১০ টা চাকৰিয়াল থাকিলেও চাকৰিহীন পৰিয়ালৰ listত মোৰ নামটো থাকিলহেঁতেন। বুজিছ ৰাজু মন্ত্ৰী, এম-এল-এ, সকলে চাকৰিহীন পৰিয়ালৰ বাবে চাকৰি দিয়াৰ আঁচনি কৰে। কিন্তু চাকৰিহীন পৰিয়ালৰ লোক কেইজনে চাকৰি পাই? মাথো যি ভাগে চাকৰি পাই তাৰেই বেছি সংখ্যক টকা দিব পৰা সকলৰে নহয় জানো?

বুজিছো। কিন্তু অংকু তই চা ১৯৪৭ চনত ভাৰত স্বাধীনতা আন্দোলনৰ কথা। মহাত্মা গান্ধীয়ে ব্ৰিটিছৰ বিৰুদ্ধে অহিংসা সংগ্ৰামেৰে যুঁজিহে ভাৰতৰ স্বাধীনতা অৰ্জন কৰিছিল। আমিও জানো এই অন্যায় ব্যভিচাৰবোৰৰ বিৰুদ্ধে মাত মাতি যাব নোৱাৰো? এই পথেৰে জানো আমি আমাৰ ব্যক্তি স্বাধীনতা সাব্যস্ত কৰিব নোৱাৰো? আমি সকলোৱেই যদি দৃঢ় সংকল্প হওঁ অন্যায়, ব্যভিচাৰ ভেঁটি দিয়া লোৱা আদিৰ বিৰুদ্ধে অহিংসা সংগ্ৰাম কৰিবলৈ তেতিয়া নিশ্চয় প্ৰাপ্যই পাব অংকু। কিন্তু ৰাজু তই যিখন মুখেৰে কৈছ তইয়েই হয়তো কালিলৈ সেই অন্যায় বা ভেঁটি নামৰ শব্দৰ পিছত লাগি যাবি। কোনে মানিব তোৰ সেই বক্তৃতা। কেইজনে বুজিব?

বুজিব। দুখীয়া দৰিদ্ৰ যিসকলে ধন টকা পইচা ভেঁটি দিয়া দূৰৰ কথা খাবলৈ দুবেলা দুমুঠি পোৱা নাই। কিন্তু বাকীবোৰ?

আজিৰ সমাজত ধনী অৰ্থাৎ দামী সাজ-পোছাকেৰেহে মানুহৰ চিনাকি। গুণেৰে নহয়। আজি মোৰ মা ভনীজনীয়ে কান্দিছে। কিন্তু সমাজত মোৰ মা, ভনীৰ দৰে হাজাৰ হাজাৰ মাতৃ-ভনীয়ে চকুৰ পানীৰে দিন পাৰ কৰিব লাগিছে। কিন্তু তেওঁলোক জানো আমাৰো মাতৃ ভনী নহয়? তই কচোন?

বুজিছো। তেওঁলোক আমাৰো মাতৃ-ভনী। কিন্তু তোৰ গান্ধীজিৰ আদৰ্শৰ ওপৰত বিশ্বাস আছে নে নাই? মহাৰাজ অশোকৰ ইতিহাসৰ পাতত লিখা সেই সোণালী কাহিনী-তোৰ জানো মনত নাই?

আছে। মই এইটোও ভালদৰে জানো যে ভাৰত স্বাধীনৰ পিছত অশোকৰ ৰাজনীতি আৰু ধৰ্মনীতিৰ আদৰ্শৰ প্ৰতীক ৰূপে আমাৰ জাতীয় পতাকাত 'অশোক চক্ৰ'ৰ চিত্ৰ সন্নিবিষ্ট কৰিছিল। বৰ্ত্তমান দেশত ৰাজনীতি আছে কিন্তু ধৰ্মনীতি আছে জানো?

মানিছো বৰ্ত্তমান ধৰ্মনীতি নাই ৰাজনীতি আছে। কিন্তু তই বিপ্লৱলৈ চা। সি আজিও বিপ্লৱ কৰি আছে মাথো তোৰ দৰে নহয়। গান্ধীজিৰ আদৰ্শৰ অহিংসা, সত্য এই অস্ত্ৰৰে। তই হাতত তুলি লৈছ বন্দুক বাৰুদ। সি তুলি লৈছে সামান্য এটি কলম।

কিন্তু ৰাজু স্বাধীনতা আন্দোলনত নেতাজী সুভাষ চন্দ্ৰ বসুৰ অৱিহনা নাই বুলি কব বিচাৰ নেকি? মই নেতাজীৰ ত্যাগৰ কথা অস্বীকাৰ কৰিব বিচৰা নাই। তথাপিও স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীয়েহে বাস্তৱ ৰূপ দিব পাৰিছিল। অংকু তই এতিয়াও উভতি আহ। সহস্ৰ সংগ্ৰামৰ ঠাইত বাপুজীৰ অহিংস সত্য আদৰ্শৰে কলম নামৰ অস্ত্ৰপাত তুলি ল। তই নিশ্চয় জানা যে "Pen is mighter then sword." আমি সকলোৱে যদি বন্দুক, গোলা বাৰুদ তৰোৱালৰ ঠাইত কলম নামৰ অস্ত্ৰপাত তুলি লওঁ। তেতিয়া হ'লে আমি নিশ্চয় জয়ী হমেই হম অংকু।

ৰাজু, মই তোৰ লগত যুক্তিত হাৰিব পাৰো। কিন্তু মই যি পথেৰে গলো সেই পথ মই বহুখিনি অতিক্ৰম কৰিলোঁ। মই আৰু উভতি

আহিব নোৱাৰো। মই জোৰেৰে কলো— নাই নাই তই পাৰিব লাগিব অংকু, তই পাৰিব লাগিব। কিন্তু সি নিমাত হৈ ৰ'ল। মাথো চকু দুটা চলচলীয়া হৈ পৰিল। কিছুসময় দুয়ো নীৰৱ। আনফালে ৰাতিও বহু হৈছিল টোপনিয়ে হেঁচা দি ধৰিছিল। শেষবাৰৰ বাবে সি কলে মই যি কৰিলো কৰিলোৱেই কিন্তু তইঁতে মোৰ মৃত্যুৰ পাছত বাপুজীৰ আদৰ্শৰে ভাই ভনীসকলক শিক্ষা দিবি লগতে হাতে-কামে দেখুৱাবি। তেতিয়াহে সেই আদৰ্শ বাস্তৱ ৰূপত পৰিণত হব। নহলে আদৰ্শ আদৰ্শ হৈয়েই ৰব। বাস্তৱ নহব। কিছু সময় পাছতেই মই ঘোৰ টোপনিত পৰিলো। ভাবিছিলো সিও টোপনি যাব। কিন্তু ৰাতিপুৱা সাৰ পাই দেখো সি নাই।

মোৰ মনত বাৰে বাৰে প্ৰশ্ন হ'ল— এইয়া সপোননে? বাস্তৱ?

……দিন গ'ল। হঠাৎ এদিন পুৱাই ৰেডিঅ' বাতৰিত শুনিলো আতংকৰ সৃষ্টিকাৰী পৰশুৱে আত্মহত্যা কৰিলে। বাতৰি কাকতত ডাঙৰ ডাঙৰ আখৰেৰে জিলিকি উঠিল "পৰশুৰ আত্মহত্যা" দুয়োধাৰে চকুলো বাগৰি আহিল। লগে লগে ৰাওনা হলো তাৰ ঘৰলৈ। শেষবাৰৰ বাবে বিপ্লৱী বীৰক মাথো এবাৰ চাবলৈ।

কিন্তু তাৰ ঘৰ পাই দেখিলো সিহঁতৰ বাটৰ পৰাই হাজাৰ হাজাৰ মানুহে আগুৰি আছে আৰু আটাইৰে চকুত চকুপানী। মানুহৰ ভিৰ ফালি চোতাললৈ সোমাই গৈ দেখিলো সি নিৰবে শুই আছে। ইমান দিন টোপনি ক্ষতি হোৱাৰ বাবে সি হাজাৰ হাজাৰ মানুহ যোৱা সত্বেও সাৰ পোৱা নাই। মাক বেহুচ হৈ পৰি আছে। ভনীয়েকে উচুপি উচুপি কান্দি আছে। শেষ বাৰৰ বাবে তাৰ মুখখন ঢাকি থোৱা বগা কাপোৰখন দাঙি চালো। অংকু অংকুকৈ মাতিলো। কিন্তু সি ইমান ঘোৰ টোপনিত পৰিল যে মই তাক জগাব নোৱাৰিলো। চিৰদিনৰ বাবে সি শুই পৰিল···—তেতিয়া বেলি ডুবো ডুবো; আন্ধাৰৰ মাজেৰে মই খোজ ললো……… ।

মই ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিলো পৰশুৰ দৰে হাজাৰ হাজাৰ পৰশুৰ সৃষ্টি কৰক। কিন্তু বাতৰি কাকতত জিলিকি উঠা ডাঙৰ ডাঙৰ আখৰৰ পৰশুৰ আত্মহত্যা শব্দটো বাৰে বাৰে মনত পৰিল। প্ৰশ্ন হ'ল এইয়া আত্মহত্যা নে আত্মত্যাগ!

## ॥ কৌতুক ॥

কণমানি পম্পীয়ে এদিনাখন মাকক সুধিলে—

পম্পী:— মা, তোমাৰ জন্ম ক'ত?

মাক:— শিৱসাগৰত।

পম্পী:— দেউতাৰ জন্ম ক'ত মা?

মাক:— গুৱাহাটীত।

পম্পী: মোৰ জন্ম ক'ত মা?

মাক:— মঙলদৈত।

পম্পী:— মা, তেনেহলে কওঁকচোন তুমি, দেউতা আৰু মই কেনেকৈ লগ হলো?

শ্ৰীবসন্ত শৰ্মা, স্নাতক ২য় বৰ্ষ (কলা)

# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ সংক্ষিপ্ত বাৰ্ষিক খতিয়ান

## ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন—

**শ্ৰদ্ধাঞ্জলী ঃ**

প্ৰতিবেদনৰ বাটঘোৰাতে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা তথা জাতীয় মুক্তি বিপ্লৱত প্ৰাণ আহুতি দিয়া জাতীয় বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো।

**বৰ্ত্তমান অসম ঃ**

বৰ্ত্তমান অসমৰ প্ৰগতিৰ চকৰি স্তব্ধ। অসমৰ জন-গণৰ মুক্তিকামী কণ্ঠৰুদ্ধ। নতুন পুৰুষৰ নৈতিক মূল্যবোধ শৃংখলিত। চৌদিশ মাথোন হাহাকাৰ, অত্যাচাৰ উৎপীড়নৰ কলীয়া ডাৱৰে আচ্ছন্ন।

অসমৰ যুৱশক্তিৰ সিংহভাগ আজি অপসংস্কৃতিৰ মোহাগ্ৰস্ত। আজি পৃথিৱীৰ সামাজ্যবাদী শক্তিসমূহে কিদৰে এখন দেশৰ মেৰুদণ্ড স্বৰূপ এই যুৱশক্তিক কাবু কৰিব লাগে তাক ভালদৰেই উপলব্ধি কৰে। সেয়েহে আজি অসমৰ বাটে-পথে তীৰ, জুৱা, লটাৰী আদিৰ অবাধ পয়োভৰ। MTV, Zee TV, STAR PLUSৰ সংযোজন। আজি অসমীয়া যুৱক-যুৱতীয়ে পাহৰিছে নিজৰ সভ্যতা সংস্কৃতিৰ বিষয়ে। পশ্চিমীয়া সংস্কৃতিৰ জিলিকনিত নিজৰ মাতৃস্বৰূপা সংস্কৃতিৰ প্ৰতি পিঠি দিবলৈ আৰম্ভ কৰিছে। আধুনিক হবলৈ চেষ্টা কৰিছে। ভাল কথা। কিন্তু এই তথাকথিত আধুনিক আধুনিকা সকলে এটা কথা মনত ৰখা ভাল হব যে বিশ্বদৰবাৰত নিজকে চিনাকি দিবলৈ হলে, নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিবলৈ হলে নিজৰ সাহিত্য সংস্কৃতিৰ জৰিয়তেহে পৰিচয় দিবলৈ সক্ষম হব। যি জাতি নিজৰ সাহিত্য সংস্কৃতি সম্পৰ্কে সচেতন নহয় তেনে জাতিৰ অস্তিত্বও দীৰ্ঘস্থায়ী নহয়।

সেয়েহে মই এই প্ৰতিবেদনৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞাতাৰ্থে জনাওঁ যে তেওঁলোক যেন নিজৰ জাতিৰ সাহিত্য সংস্কৃতি সম্পৰ্কে সচেতন হয়, নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰা বিৰত থাকে আৰু নিজকে একো একোগৰাকী সৎ, বিবেকবান আৰু নিষ্ঠাবান ব্যক্তি হিচাবে প্ৰতিষ্ঠা কৰে। কাৰণ আপোনালোক দেশৰ চালিকা শক্তি।

**দায়িত্ব সম্পৰ্কে ঃ**

আমি বাৰু মহাবিদ্যালয়ৰ প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়খনিৰ দায়িত্ব সম্পৰ্কে সচেতন হয়নে? প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি সম্পৰ্কে দায়বদ্ধ নে? দুখৰ বিষয় মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰী নিজৰ দায়িত্ব সম্পৰ্কে সচেতন নহয়। মহাবিদ্যা-লয়ৰ যিকোনো অনুস্থান যেনে সাধাৰণ সভা, তৰ্ক প্ৰতি-যোগিতা বা অন্যান্য অনুষ্ঠানত মহাবিদ্যালয়ৰ গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই উপস্থিত নাথাকে। তেওঁলোকে জনা উচিত

যে সাধাৰণ সভাত উপস্থিত নাথাকিলে সিদ্ধান্ত গ্ৰহণ কৰাত অসুবিধা হয়, আৰু সভা-সমিতিত উপস্থিতিৰ সংখ্যা তাকৰ হলে সভাৰ সৌষ্ঠৱ হানি হয়।

**মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা ঃ**

সমগ্ৰ দৰং জিলাৰ উচ্চশিক্ষাৰ অনুষ্ঠান আমাৰ এই মহাবিদ্যালয়। কিন্তু আজিও বিভিন্ন সমস্যাৰে জৰ্জৰিত এই মহাবিদ্যালয়। উপযুক্ত খোৱা পানীৰ অভাৱ, শ্ৰেণীসমূহত বৈদ্যুতিক সা-সুবিধাৰ অভাৱ, প্ৰেক্ষাগৃহৰ অভাৱ, কেন্টিনৰ অচলাৱস্থা, বাট পথৰ দুৰৱস্থা, উপযুক্ত পৰিমাণৰ অধ্যাপকৰ নাটনি আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু উল্লেখযোগ্য অভাৱ হ'ল ১৯৫১ চনতে প্ৰতিষ্ঠাপিত হোৱা এই মহাবিদ্যালয়ত আজিকোপতি স্নাতোকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা নোহোৱাটো।

প্ৰথমে খোৱাপানী সম্পৰ্কে। মহাবিদ্যালয়ৰ প্ৰায় তিনিহেজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে খোৱা পানীৰ চৌবাচ্ছা এটি এইবছৰ নিৰ্মাণ কৰা হয়। কিন্তু কৰ্তৃপক্ষই এই খোৱাপানীৰ চৌবাচ্ছাটিৰ ওপৰত দিয়া ঢাকনীখনত কোনো ধৰণৰ তলা মৰাৰ ব্যৱস্থা নথকাত বহুতো ভদ্ৰলোকে সেইটোৰ ভিতৰত সোমাই লৈ স্নান আদি কৰা দেখা যায়। সেই পানী আমি গ্ৰহণ কৰো। মহাবিদ্যালয়ৰ আধৰুৱা প্ৰেক্ষাগৃহটি সম্পূৰ্ণ হৈ নুঠিল। প্ৰেক্ষাগৃহৰ অভাৱ আমি সদায় উপলব্ধি কৰি আহিছোঁ। আমাৰ মহাবিদ্যালয়ত উপযুক্ত পৰিমাণৰ অধ্যাপক নিযুক্তি দিয়া হোৱা নাই। বিভিন্ন বিষয় সমূহত এতিয়াও প্ৰায় সাতাইশ (২৭) টি অধ্যাপকৰ পদ খালী হৈ আছে। আমাৰ এই মহাবিদ্যালয়ত স্নাতোকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা নোহোৱাত বহুতো ছাত্ৰ-ছাত্ৰী উচ্চশিক্ষাৰ পৰা বঞ্চিত হবলগীয়া হৈছে। মহাবিদ্যালয় পৰিচালনা সমিতি তথা কৰ্তৃপক্ষৰ অৱহেলা বাবেই স্নাতোকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা আজিকোপতি হৈ উঠা নাই।

**কাৰ্য্যকাল প্ৰসঙ্গত :**

পৰিকল্পনা আছিল মহাবিদ্যালয়ৰ বিভিন্ন দিশত পৰিবৰ্ত্তন অনাৰ সেই উদ্দেশ্যেই আমাৰ কাৰ্য্যকালৰ প্ৰথমখন সাধাৰণ সভাত কেইটিমান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। উদ্দেশ্য আছিল মহাবিদ্যালয়খনে সততে সন্মুখীন হৈ অহা সমস্যাসমূহৰ সমাধান সূত্ৰ উদ্ঘাটন।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদটিৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰিবলগীয়া হয়। সফলতাৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। তাৰ পিছত সৰস্বতী পূজা। মহাবিদ্যালয়ৰ সৰস্বতী পূজাখনত এইবাৰ আমি অভাৱনীয় পৰিবৰ্তন আনিবলৈ সক্ষম হৈছিলো। ঠিক সেইদৰে ফাতেহা-ই-দোৱাজ দাহম, শংকৰদেৱৰ তিথি, নবাগত আদৰণি সভা আদি অনুষ্ঠান সমূহো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ উপস্থিতি তথা সহায় সহযোগত সফলতাৰে অনুষ্ঠিত কৰা হয়।

আমাৰ কাৰ্য্যকালৰ আৰু এটি মুখ্য অনুষ্ঠান হ'ল 'সদৌ অসম আন্ত মহাবিদ্যালয় শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা'। এই প্ৰতিযোগিতাখনিত এই বছৰ প্ৰতিযোগিৰ অভূতপূৰ্ব সহাৰি পোৱা যায়। অসমৰ বিভিন্ন প্ৰান্তৰ ২৫ খন মহাবিদ্যালয়ৰ প্ৰতিযোগিয়ে এই অনুষ্ঠানত যোগদান কৰে। প্ৰতিযোগীতাত যোৰহাট জে, বি কলেজ আৰু দেৰগাৱঁৰ ডি, কে, কলেজে যুটিয়াভাৱে শ্ৰেষ্ঠ স্থান লাভ কৰে।

মহাবিদ্যালয় বিভিন্ন অভাৱ-অভিযোগ সন্নিৱিষ্ট ৩৭ (সাতত্ৰিশ) দফীয়া দাবী চনদৰ সমৰ্থনত আমি যোৱা ৫ আগষ্ট তাৰিখে কলা বেজ পৰিধান আৰু ৬ আৰু ৭ আগষ্টত দুদিনীয়া কাৰ্য্যসূচীৰে 'প্ৰতীক অনশন' কাৰ্য্যসূচী পালন কৰিছিলোঁ। ইয়াৰ ফলশ্ৰুতিত মহাবিদ্যালয়ৰ মূল তোৰণটি মেৰামতী কৰা হয় শ্ৰেণীকোঠা

সমূহত বিজুলীবাতি আৰু পাখা আৰু পানী খাবৰ বাবে এটি চৌবাচ্চা নিৰ্মাণ কৰি দিয়ে। আৰু অৰ্ধ নিৰ্মিত প্ৰেক্ষাগৃহৰ কাম অনতিপলমে আৰম্ভ কৰিব বুলি কৰ্তৃপক্ষৰ ফালৰ পৰা প্ৰতিশ্ৰুতি দিয়া হয়।

মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে তীব্ৰ হাবিয়াস আছিল। কিন্তু কিবা এটা কৰিবলৈ আগবঢ়াৰ লগে লগেই উজুতি খাবলগীয়া হয়। কাৰণ, বঙা ফিটাৰ মেৰপাক।

আমাৰ প্ৰচেষ্টাৰ বিচাৰ আপোনালোকৰ হাতত।

কৃতিত্ব ঃ

মহাবিদ্যালয়ৰ পাছ গৰাকী সতীৰ্থই এইবছৰো মহাবিদ্যালয়খনলৈ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হয়। বন্ধুবৰ সন্তোস বৰকাকতীয়ে স্নাতক চূড়ান্ত পৰীক্ষাত অৰ্থনীতি বিভাগত গুৱাহাটি বিশ্ববিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ২য় স্থান অধিকাৰ কৰে। লগতে মোৰ সহপাঠী পবিত্ৰ কুমাৰ নাথ, গিৰিশ ডেকা আৰু চক্ৰধৰ ডেকাই ভূগোল বিজ্ঞান বিভাগত আৰু ৰমেশ নাথে প্ৰাণী বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণী লাভ কৰে।

তেওঁলোক আটাইলৈ মোৰ শুভেচ্ছা থাকিল।

কৃতজ্ঞতা ঃ

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপসভাপতি। গৌৰৱান্বিত মই। কৃতজ্ঞতাৰ পাত্ৰ কিন্তু মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী অগ্ৰজ অনুজ সকল। লগতে কৃতজ্ঞতাৰ দাবীদাৰ আমাৰ কাৰ্য্যকালত বিভিন্ন দিশত সক্ৰিয় সহযোগীতা আগবঢ়াই অহা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল। তেখেতসকলে আগবঢ়োৱা সহায় তথা দিহা পৰামৰ্শৰ বাবে চিৰ কৃতজ্ঞ মই।

বিদায় বেলিকা ঃ

স্বপ্ন আছিল মহাবিদ্যালয়ৰ অভাৱ অভিযোগ দূৰ কৰাৰ। আশা আছিল মহাবিদ্যালয়ৰ সমস্যা সমাধানৰ। ভাবিছিলোঁ এবছৰীয়া কাৰ্য্যকালত নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিৰ প্ৰতিফলন ঘটাবলৈ সক্ষম হ'ম। কিন্তু সকলো সমস্যা সকলো অভাৱ দূৰ কৰিব পৰা নগ'ল।

ক্ষমা বিচাৰিছোঁ আপোনালোকৰ সকলো আশা বাস্তৱত ৰূপায়িত কৰিবলৈ অপাৰগ হোৱা হেতু।

ক্ষমা বিচাৰিছোঁ নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰাত।

ক্ষমা বিচাৰিছোঁ মোৰ অনিচ্ছাকৃত ভূল ক্ৰটীৰ বাবে। সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্ব্বাংগিন উন্নতি কামনা কৰিলোঁ।

"জয় মঙলদৈ মহাবিদ্যালয়
জয় মোৰ অসমী আই"॥

নমস্কাৰান্তে—

শ্ৰীদিব্যজ্যোতি চহৰীয়া
উপ-সভাপতি,
ছাত্ৰ একতা সভা, মঙলদৈ মহাবিদ্যালয়
১৯৯২-৯৩ চন।



## ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

### আৰম্ভনি :

প্ৰতিবেদন ! আলোচনীৰ পাতত বিচাৰি পোৱা এক গতানুগতিকতা। কিন্তু এই প্ৰতিবেদনৰ জৰিয়তে এজন ব্যক্তিৰ চিন্তাধাৰাৰ প্ৰকাশ ভংগীহে লক্ষনীয়।

সাধাৰণ সম্পাদকৰ কলম হিচাপে লিখিবলৈ লৈ অলপ স্থবিৰ হৈছো কি দৰে, কিম্বা ক'ৰ পৰা আৰম্ভ কৰো। প্ৰতিবেদনৰ কলমতে অসমৰ জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ প্ৰাণাহুতি দিয়া মহান বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধাসিক্ত প্ৰণিপাত জনাইছোঁ। এই ছেগতে সেই সকল ব্যক্তিৰ স্মৃতিচাৰণ কৰিছো, যি সকল ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত এই গৌৰৱময় মহাবিদ্যালয়খনিৰ জন্ম হ'ল। আৰু নকৈ নোৱাৰো যি সকল ছাত্ৰ-ছাত্ৰীৰ বিপুল সমৰ্থনেৰে এই গৌৰৱময় মহাবিদ্যালয়খনিৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়খনিৰ লগতে ছাত্ৰ সমাজৰ সেৱা কৰাৰ সুযোগ কণ পালো, তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

### আমাৰ মহাবিদ্যালয়খনি :

১৯৫১ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে মাত্ৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীৰে জন্ম লাভ কৰা মহাবিদ্যালয়, "মঙলদৈ মহাবিদ্যালয়"। এই মহাবিদ্যালয়খনিয়ে আজি ৪২ বছৰ অতিক্ৰম কৰিলে আৰু ইয়াৰ পৰাই বহুতো ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিস্থা লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে। দৰং জিলাৰ সদৰত অৱস্থিত অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় এই মহাবিদ্যালয়খনি প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ আৰু শিক্ষাৰ ক্ষেত্ৰতো ই এক স্বকীয়া স্থান লাভ কৰি আহিছে। পূৰ্ণাঙ্গ পৰ্য্যায়ৰ এই মহাবিদ্যালয়খনিত থাকিবলগীয়া বহুতো সুবিধাৰ পৰা যে ছাত্ৰ সমাজ বঞ্চিত হৈ আহিছে ই স্পষ্ট। কৰ্তৃপক্ষই এই ক্ষেত্ৰত মনোনিবেশ কৰা উচিত। লগতে ছাত্ৰ সমাজেও মহাবিদ্যালয়খনি উজ্জল ৰূপত সজাই তোলাত গুৰুত্ব আৰোপ কৰিবলৈ অনুৰোধ জনালো।

### সংবিধান :

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান এখনি অতিপূৰ্বে আছিল যদিও বহু বছৰ ধৰি ইয়াক কাৰ্য্য কৰি কৰা হোৱা নাই। সেয়েহে সংশোধিত ৰূপত আমাৰ কাৰ্য্যকালতে এখনি নতুন সংবিধান প্ৰনয়ণ সমিতি গঠন কৰি দিয়া হৈছিল যদিও বৰ্ত্তমান সংবিধান খনিৰ খচৰাহে প্ৰস্তুত হৈ উঠিছে। পৰৱৰ্তী সম্পাদকে সংবিধানখনিৰ পূৰ্ণাঙ্গ ৰূপ দিব বুলি আশা ৰাখিলো খচৰা সমিতিৰ সদস্য শ্ৰীকেশৱ হাজৰীকাই যি উৎসাহ উদ্দীপনাৰে সংবিধানখনি প্ৰস্তুত কৰি উলিওৱাত সহায়ৰ হাত উজান দিলে তাক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো আৰু সমিতিৰ সমূহ সদস্যলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

**উৎসৱ সমাৰোহ :**

সাধাৰণ সম্পাদক হিচাপে ইং ২১ ডিচেম্বৰ, '৯২ তাৰিখে দায়িত্ব গ্ৰহণ কৰিয়েই সন্মুখীন হও মহাবিদ্যালয় সপ্তাহৰ। ইং ৬ জানুৱাৰী '৯৩ৰ পৰা ১০ জানুৱাৰী '৯৩লৈ ৫ দিনীয়া কাৰ্য্যসূচীৰে "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন কৰা হয়। দায়িত্ব পোৱাৰ দিন ধৰি মাত্ৰ ২ সপ্তাহৰ ভিতৰতে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি বিভিন্ন সমস্যা মূৰ পাতি লৈ যৎপৰোনাস্তি চেষ্টাৰে বিভাগীয় সম্পাদক সহ "সপ্তাহটি" সুচাৰুৰূপে পালন কৰা হয়। অনস্বীকাৰ্য্য, আন আন বছৰৰ তুলনাত এই বছৰ উদ্‌যাপিত সপ্তাহৰ প্ৰতিযোগীতাৰ প্ৰতিটো বিভাগতে যথেষ্ট সংখ্যক প্ৰতিযোগী দেখিবলৈ পোৱা যায় লগতে দৰ্শক, শ্ৰোতা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিও মন কৰিবলগীয়া। একেদৰে বছৰৰ আন সময়-ছোৱাত অনুস্থিত কৰা বিভিন্ন উৎসৱ যেনে - গণতন্ত্ৰ দিৱস, শ্ৰীশ্ৰীসৰস্বতী পূজা মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি, ফাতেহা-ই-দোৱাজ দহম, স্বাধীনতা দিৱস, সদৌ অসম ভিত্তিত শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা, নৱাগত আদৰণি সভা তথা মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস আৰম্বৰ পূৰ্ণ ভাৱে পালন কৰা হয়। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ ৪৩ তম্ প্ৰতিষ্ঠা দিৱস হিচাপে কোনো বছৰে পালন নকৰা প্ৰতিষ্ঠা দিনটো আমি আদৰি লও আৰু জন্মদাতা ব্যক্তি সকলক এই অনুষ্ঠানৰ জৰিয়তে সোঁৱৰণ কৰো। ইয়াৰোপৰি বিভিন্ন সময়ত মহাবিদ্যালয় চৌহদত অনুস্থিত হোৱা বিভিন্ন অনুস্থান সুকলমে পৰিচালিত কৰাত ছাত্ৰ সমাজে অৰিহণা আগবঢ়াই আহিছে। বছৰটোৰ প্ৰতিটো অনুষ্ঠানতে এইবাৰ যথেষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা কাৰ্য্যক আমি নশলাগী নোৱাৰো। ছাত্ৰ একতা সভাৰ নতুন কাৰ্য্যালয় ভৱনটো এইবছৰ আনুষ্ঠানিক ভাবে অধ্যক্ষ মহোদয়ে উদ্বোধন কৰে আনহাতে সেই একেদিনাই ছমুনী-চকীত হোৱা পথ দুৰ্ঘটনাত নিহত ছাত্ৰকেইগৰাকীৰ সমূহীয়া আদ্যশ্ৰাদ্ধ মহাবিদ্যালয় চৌহদত অনুস্থিত কৰা হয়।

**মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ হকে ১৯৯২-৯৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ পদক্ষেপ :**

প্ৰতিশ্ৰুতি! এক চিৰাচৰিত ৰীতি। কিন্তু নিৰ্দ্ধাৰিত সময় আৰু নিয়মৰ মাজেৰে ইয়াক কাৰ্য্যকৰী কৰণৰ ব্যৱস্থা কৰিব পৰাটোহে প্ৰকৃত বিষয়। মঙলদৈ মহা-বিদ্যালয়খনি আজি ৪১ বছৰ অতিক্ৰম কৰিলে। ১৯৫১ চনতে প্ৰতিষ্ঠাপিত এই মহাবিদ্যালয়খনিৰ উন্নতিৰ হকে আমি ছাত্ৰ একতা সভাই এক পদক্ষেপ লৈছিলো। আমাৰ এই মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণৰ বাবে আৱশ্যকীয় মাচুলৰ উপৰিও মহাবিদ্যালয়ৰ উন্নয়নৰ বিভিন্ন শিতানত বৰঙণি আগবঢ়াই আহিছে। কিন্তু এই ধনৰ সুপ্ৰয়োগৰ অভাৱত মহাবিদ্যালয়খনি ক্ৰমাত বেয়াৰ ফালে ঢাল খোৱা আমাৰ দৃষ্টিগোচৰ হৈছে। কৰ্তৃপক্ষৰ চৰম অৱহেলাৰ বাবেই মহাবিদ্যালয়খনি উন্নতিৰ পথত আগবাঢ়িব পৰা নাই। আমি গোটেই বিষয় সমূহ পৰ্য্যালোচনা কৰি মহাবিদ্যালয়ৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি বছৰৰ বিভিন্ন সময়ত কাৰ্য্যনিৰ্বাহকৰ প্ৰস্তাৱ প্ৰেৰণ কৰাৰ লগতে এখনি ৩৭ দফীয়া দাবী চনদ প্ৰস্তুত কৰি তুলিছিলো আৰু কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰাৰ পিচত উক্ত দাবীসমূহ কাৰ্য্যকৰী কৰণৰ বাবে নিৰ্দ্ধাৰিত সময় সীমা বান্ধি দিছিলো। কিন্তু দুখৰ বিষয় কৰ্তৃপক্ষই প্ৰদৰ্শন কৰা চৰম অৱহেলাৰ বাবে সময়সীমা অতিক্ৰম কৰাত ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি কৰ্তৃপক্ষৰ অৱহেলাৰ প্ৰতিবাদ জনায় আন্দোলনৰ কাৰ্য্যসূচী হাতত লবলৈ বাধ্য হও। সেই পৰিপ্ৰেক্ষিততে যোৱা ৫ আগষ্ট, '৯৩ তাৰিখে ক'লা দিৱস পালন কৰি কৰ্তৃপক্ষক আমাৰ দাবী সম্বন্ধে অৱগত কৰা হয়। ৬ আগষ্ট '৯৩ আৰু ৭ আগষ্ট '৯৩ তাৰিখে প্ৰতীক অনশন কাৰ্য্যসূচী হাতত লোৱা হয়। আৰু তেতিয়াহে কৰ্তৃপক্ষই আমাৰ দাবী যুক্তিসংগত বুলি মানি লবলৈ সময় পালে আৰু আলোচনাৰ বাবে আমন্ত্ৰণ জনালে। সেই মৰ্মে ১০ আগষ্ট '৯৩ তাৰিখে পৰিচালনা সমিতিৰ সভাপতিৰ উপস্থিতিত হোৱা আলোচনাত আমি

আমাৰ ন্যাৰ্য্য দাবী পূৰণ নহলে পুনৰ আন্দোলনৰ পথ লোৱাত দৃঢ়মত পোষণ কৰো আনহাতে কৰ্তৃপক্ষই আমাৰ ৩৭ টা দাবীয়েই যুক্তিসংগত বুলি স্বীকাৰ কৰে লগতে পোনপ্ৰথমে আটাইকেইটা দাবীৰ ভিত্তিত কাৰ্য্যকৰী কৰা সম্ভৱ নহব বুলি কৈ ১৩ টা দাবীক অগ্ৰাধীকাৰ ভিত্তিত কাৰ্য্যকৰী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উক্ত প্ৰতিশ্ৰুতিবদ্ধ দাবীসমূহ হ'ল—

১। মহাবিদ্যালয়ৰ অৰ্দ্ধনিৰ্মিত প্ৰেক্ষাগৃহৰ কাম অনতি পলমে সম্পূৰ্ণ কৰণ।

২। মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা কৰা। (পৰ্য্যায়ক্ৰমে, বুৰঞ্জী, অসমীয়া, ৰাজনীতি বিজ্ঞান, ভূগোল) প্ৰথমাৱস্থাত।

৩। চৌহদ আৰু কোঠাৰ বেৰত চুন তেল দিয়া।

৪। ভিতৰৰ পথছোৱা মেৰামতিৰ ব্যৱস্থা কৰা।

৫। প্ৰতিটো কোঠাত বিজুলীবাতি আৰু বিজুলী পাংখাৰ ব্যৱস্থা কৰাৰ লগতে সুপ্ৰয়োগ নিশ্চিত কৰণ।

৬। এটি চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰা।

৭। প্ৰাচীৰ পত্ৰিকাৰ বাবে এটি ঘৰ নিৰ্মাণ কৰা।

৮। গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীৰ উপযোগী পাঠ্যপুথি, বাতৰি কাকত, আলোচনী বৃদ্ধি কৰা।

৯। ছাত্ৰ জিৰণী কোঠা আৰু ছাত্ৰী জিৰণী কোঠা মেৰামতি কৰণ।

১০। ছাত্ৰী নিবাসৰ অধীক্ষকৰ বাস ভৱনৰ লগতে অৱহেলিত হৈ থকা পূৱ দিশৰ ঘৰটি ছাত্ৰী থকাৰ উপযোগী কৰণ।

১১। মহাবিদ্যালয়ৰ চৌহদৰ লগতে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ খোৱা পানীৰ সুব্যৱস্থা কৰা।

১২। মহাবিদ্যালয়ৰ শিক্ষকৰ খালী পদ সমূহ পূৰণ কৰা আৰু শিক্ষা আৰু ৰসায়ন বিজ্ঞান বিভাগৰ মনোনীত প্ৰাৰ্থী কেইগৰাকীক অনতি পলমে নিযুক্তি দিয়া।

১৩। মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰীৰ বাবে অতিৰিক্ত প্ৰস্ৰাৱাগাৰ আৰু শৌচাগাৰ নিৰ্মাণ কৰা।

উল্লেখিত দাবী সমূহৰ উপৰিও মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নয়ণ, ছাত্ৰাবাস, ছাত্ৰী নিবাসৰ অভাৱ সমূহ দূৰ কৰাৰ বাবে কৰ্তৃপক্ষৰ ওচৰত দাবী জনোৱা হয় আৰু কৰ্তৃপক্ষই সমস্যাসমূহ দূৰ কৰাৰ যৎপৰোনাস্তি চেষ্টা চলোৱা হব বুলি আশ্বাস দিয়ে। আমি ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ অভাৱ সমূহ আতৰ কৰাৰ বাবে ছুয়োখন আবাসৰ সদস্য সকলৰ সৈতে আলোচনা কৰি এখনি সন্মিলিত সমিতি গঠন কৰা হয়। এই সমিতি খনত ছাত্ৰাবাস, ছাত্ৰীনিবাসৰ লগতে ছাত্ৰ একতা সভাৰ সদস্যৰে গঠন কৰা হয়। আৰু কৰ্তৃপক্ষক এই সমিতি খনৰ তৰফৰ পৰা ছুয়োখন আবাসৰ অভাৱ সমূহৰ বিষয়ে অৱগত কৰা হয়। আৰু প্ৰয়োজন সাপেক্ষে উক্ত দাবী সমূহ পূৰণ নহলে আন্দোলনৰ পথ লবলৈ বাধ্য হোৱাৰ কথাও দোহাৰা হয়।

কৃতকাৰ্য্যতা : আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ উন্নয়ণৰ হকে বছৰ ধৰি মাত মাতি অহাৰ অন্তত কিমান দূৰ কৃতকাৰ্য্যতা লাভ কৰিলো সেয়া সঠিক-ভাবে দাঙি ধৰিব নোৱাৰিম। কৃতকাৰ্য্যতাৰ দাবী আমাৰ নহয় গোটেই মহাবিদ্যালয়ৰ, তথাপি এটা কথা কবই লাগিব মহাবিদ্যালয়ৰ উন্নতিৰ হকে মাত মাতি অহাৰ পিছত বৰ্তমানে কৰ্তৃপক্ষই কেতবোৰ কামত মনোনিবেশ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। কিন্তু ইয়াৰ পিছতো বহুতো কাম আধৰুৱা হৈয়েই থাকি যাব যদিহে ভৱিষ্যতে কোনেও মাত নামাতে। বৰ্ত্তমান বিজুলী যোগানৰ কাম, কোঠাত বিজুলীবাতি, পাংখাৰ ব্যৱস্থা কৰা হৈছে, খোৱা পানীৰ সুব্যৱস্থাৰ বাবে এটি চৌবাচ্ছা নিৰ্মাণ কৰা হৈছে। মহাবিদ্যালয়ৰ মূল তোৰণটি মেৰামতি কৰা হৈছে। গ্ৰন্থাগাৰত ছাত্ৰ ন্যাস পুঁজিৰ ধন ২,৫০০০ টকাৰ পাঠ্যপুথি ক্ৰয় কৰা হৈছে, মহাবিদ্যালয়ৰ সন্মুখভাগৰ ভাঙি থকা বেৰ নিৰ্মাণ কৰা হৈছে। ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ খোৱা পানীৰ কিছু পৰিমাণে হলেও উন্নতি সাধন কৰা হৈছে।

ছাত্ৰীনিবাসৰ অধীক্ষিকাৰ বাসভৱনৰ কাম কম সময়ৰ ভিতৰতে আৰম্ভ কৰা আৰু প্ৰেক্ষাগৃহৰ কাম আৰম্ভ কৰাৰ আশ্বাস পাওঁ। স্নাতকোত্তৰ শ্ৰেণী পোন প্ৰথমে বুৰঞ্জী বিভাগত আৰম্ভ কৰাৰ বাবে বিভাগীয় প্ৰস্তুতি চলোৱা হৈছে। ছাত্ৰীনিবাসৰ পূৱপিনে থকা ঘৰটিত বৰ্তমান ছাত্ৰী থকাৰ উপযোগী কৰি তোলা হৈছে। জৱাহৰ ৰোজগাৰ আঁচনিৰ অধীনত গ্ৰামোন্নয়ণ বিভাগে আগবঢ়োৱা অনুদান ১৫,০০০ টকাৰে মহাবিদ্যালয়ৰ কিছু পথ মেৰামতি কৰা হৈছিল কিন্তু দুৰ্ভাগ্যৰ বিষয় অধ্যক্ষ গৰাকীয়ে এতিয়াও সম্পূৰ্ণকৈ পথ নিৰ্মাণৰ কাম-খিনি নকৰিলে। ইয়াৰোপৰি শিক্ষাৰ ক্ষেত্ৰত বহুকেইটা বিভাগত শিক্ষক নিযুক্তি দিয়া হয়। এইখিনিতে অন-স্বীকাৰ্য্য যে মহাবিদ্যালয় আৰু দুয়োখন আবাসৰ অভাৱ সমূহ দূৰ কৰাৰ বাবে গোটেই বছৰ যুঁৰি যৎপৰোনাস্তি চেষ্টা চলাইছিলো যদিও কৰ্তৃপক্ষৰ হেমাহিৰ বাবেই বহু-খিনি পিচপৰি ৰ'ল। বৰ্তমানে যিমানখিনি কৰিব পাৰিলো সেয়া আপোনালোকেই বিচাৰ কৰিব বুলি আশা ৰাখিলো। কিন্তু এটা কথা স্পষ্ট যে যদিহে মহাবিদ্যালয়ৰ উন্নতি আমি দেখিবলৈ পাও তেতিয়াহলে আমাৰ শ্ৰম সাৰ্থক হব। প্ৰতিবেদনৰ পাতত গোটেই বিষয় সমূহ সন্নিবিষ্ট কৰিব নোৱাৰিলো আৰু উন্নয়নমুখী কাম কাজৰ এৰু চমু বিৱৰণহে ডাঙি ধৰিলো। ছাত্ৰ-ছাত্ৰীৰ ওচৰত দিয়া প্ৰতিশ্ৰুতি কিমান দূৰ ৰাখিব পাৰিছো সেয়া ছাত্ৰ ছাত্ৰীসকলে বিবেচনা কৰিব।

অশ্ৰুতাঞ্জলী :

বিগত বছৰটোত মৃত্যুক সাৱতি লোৱা মহাবিদ্যালয়ৰ প্ৰাক্তন কৃতি ছাত্ৰ দেবেন্দ্ৰ দেৱ শৰ্মা, ডুমুনীচকীত হোৱা পথ দুৰ্ঘটনাত নিহত মহাবিদ্যালয়ৰ ছাত্ৰ মহেশ শৰ্মা, মুনিন্দ্ৰ কলিতাৰ লগতে দিলীপ ডেকাৰ মৃত্যুত, অসুখত ভোগী মৃত্যু হোৱা আব্দুল ৰেজ্জাক, ইছলাম আলি, বাহাৰুল ইছলাম আৰু মহাবিদ্যালয়ৰে ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী চাহাবুদ্দিন আহমেদকে ধৰি এই বছৰটিত ৬ গৰাকী ব্যক্তিয়ে আমাক শোক সাগৰত পেলাই মহাবিদ্যালয় পৰিয়ালৰ পৰা চিৰবিদায় লয়। আটাইকেইগৰাকী ছাত্ৰ আৰু কৰ্মচাৰী আলিৰ মৃত্যুৱে আমাৰ অন্তৰত গভীৰ শোকৰ ছাঁ পেলাই। ইয়াৰোপৰি আমাৰ জ্ঞাত হোৱা বিভিন্ন ব্যক্তিৰ মৃত্যুত আমি শোক সভা অনুস্থিত কৰা হয়।

সম্বৰ্দ্ধনা :

দৰং জিলাৰ পৰা অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই অনা বিশিষ্ট বিজ্ঞানী আমেৰীকা প্ৰবাসী ড' অতুল চন্দ্ৰ শৰ্মা দেৱক মহাবিদ্যালয়লৈ আমন্ত্ৰণ কৰি আনি সম্বৰ্দ্ধনা জনাব লোৱাটো আমাৰ বাবে গৌৰৱৰ বিষয়। মহা-বিদ্যালয় প্ৰতিষ্ঠা দিৱসত ছাত্ৰ একতা সভাৰ প্ৰথম সাধাৰণ সম্পাদক শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মা দেৱক আৰু পৰিচালনা সমিতিৰ বৰ্তমানৰ সভাপতি শ্ৰীকমল কুমাৰ গোস্বামী দেৱক সম্বৰ্দ্ধনা জনোৱা হয়। মহাবিদ্যালয় সপ্তাহত ১৯৯২ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাত ১ম শ্ৰেণী লাভ কৰা ভূগোল বিভাগৰ ছাত্ৰ শ্ৰীকিৰণময় শৰ্মা, শিখা চৰকাৰ, হিতেশ কটকী, ভূপেন বৰা, আয়েজ আলি আৰু উদ্ভিদ বিদ্যা বিভাগত ১ম শ্ৰেণী লাভ কৰা মৰিয়ম বেগমক আনুস্থানিক ভাবে তেওঁলোকে কঢ়িয়াই অনা গৌৰৱৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ হৈ সম্বৰ্দ্ধনা জনোৱা হয়। যুৱ মহোৎসৱ (১৯৯২)ত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰা মঙলদৈ মহাবিদ্যালয়ৰ শ্ৰীদীমান্ত কুসুম শৰ্মাক সম্বৰ্দ্ধনা জনাও।

প্ৰতিবাদ :

মহাবিদ্যালয়ৰ উন্নয়নৰ হকে ছাত্ৰ সমাজে সদায় মাতি অহাৰ লগতে অসমৰ জাতীয় স্বাৰ্থৰ হকেও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সদায় মাত মাতি আহিছে আৰু আহিব। এই ক্ষেত্ৰত আমি বিভিন্ন কাৰ্য্যসূচীত অংশ গ্ৰহণেৰে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ জাতীয় চেতনা প্ৰতিয়মান কৰিছো আৰু সমূহ ছাত্ৰ-ছাত্ৰীক বৈপ্লৱিক অভিনন্দন যাচিছো।

**আমাৰ বক্তব্য :** মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে এবছৰ কাৰ্য্যনিৰ্বাহ কৰি মহাবিদ্যালয়খনিক যিমান খিনি আগুৱাই নিব লাগিছিল সেয়া পাৰিলো নে নাই সেয়া আপোনালোকেই বিচাৰ কৰিব। কিন্তু এটা কথা এইখিনিতে কবই লাগিব ছাত্ৰ একতা সভাৰ পুঁজিৰ পৰিমাণ অতি সামান্য। যি ধনেৰে মহাবিদ্যালয় সপ্তাহটিয়েই পালন কৰা টান তেনেক্ষেত্ৰটো প্ৰতিজন সম্পাদকে লগ হৈ প্ৰতিটো বিভাগৰ যথেষ্ট ধন ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ আচবাব ক্ৰয় কৰাত খৰচ কৰো। আমাৰ কাৰ্য্যকালতে প্ৰতিজন সম্পাদকৰ বাবে দ্ৰৱাৰ যুক্ত মেজ ৩ খন বনোৱা হয়। এইটোও সত্য যে কৰ্তৃপক্ষই ছাত্ৰ একতা সভাৰ পুঁজিলৈ ধন বৃদ্ধিত গুৰুত্ব আৰোপ কৰাটো বৰ্ত্তমান প্ৰয়োজনীয়। আমাৰ কাৰ্য্যকালতে ছাত্ৰ ছাত্ৰীৰ শাৰীৰিক বিকাশৰ বাবে আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সমাৰোহ খনি আমন্ত্ৰণ জনাইছিলো। কিন্তু অধ্যক্ষ মহোদয়ে দিয়া বাধাৰ ফলতেই ওলোটাই পঠিয়াব লগা হ'ল। মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত অকল ছাত্ৰ সমাজে আগভাগ ললেই নহব। ইয়াত শিক্ষক সকলেও মনোনিবেশ কৰা উচিত; লগতে কৰ্তৃপক্ষৰ উদাৰ মনোভাৱ অবিহনে আৰু মহাবিদ্যালয় খনিলৈ তেওঁলোকৰ গুৰুত্ব অবিহনে কোনোদিনে উন্নয়ণৰ পথত আগবাঢ়িব নোৱাৰিব। সেয়েহে কৰ্তৃপক্ষক অনুৰোধ যেন ছাত্ৰ, শিক্ষক অভিভাৱকৰ লগত সহযোগিতাৰে মহাবিদ্যালয়খনিক আগুৱাই লৈ যায়।

**কৃতজ্ঞতা :** ১৯৯২-৯৩ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যকাল চলোৱাত সহায় আগবঢ়োৱা উপসভাপতি শ্ৰীদিব্যজ্যোতি চহৰীয়া, সহ সাঃ সম্পাদিকা শ্ৰীনিৰ্মালী দেৱী শৰ্মা মোৰ কাৰ্য্যকালৰ বিভাগীয় সম্পাদক সতীৰ্থ সকলক কোনো কালে পাহৰিব নোৱাৰিম। মোক বিভিন্ন সময়ত উপদেশ দাতা শ্ৰীগুণেন নাথ, ৰমনী ডেকা, প্ৰভাত ডেকা, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়ববীয়া সকল, ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ আৱাসী সকল, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীক মোৰ হিয়াভৰা ওলগ ও কৃতজ্ঞতা জনাইছো। বিভিন্ন সময়ৰ পৰামৰ্শ দাতা শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰণৱ শৰ্মা, খগেন নাথ, ডিম্বেশ্বৰ বৰুৱা, পৰেশ শৰ্মা তথা ভাৰপ্ৰাপ্ত অধ্যাপকসকল আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে সমূহ শিক্ষাগুৰুৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলো। এইখিনিতে অশেষ কষ্টৰ মাজেৰে খুব কম পৰিমাণৰ ধনেৰে আলোচনীখন প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহা সম্পাদক আমিনুল ইছলামক ধন্যবাদ জনাইছো।

**সামৰণি :** সদৌ শেহত বিগত বছৰটি চলাই যাওতে হোৱা জ্ঞাত অজ্ঞাত ভূল ত্ৰুটীৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ ওচৰত ক্ষমা বিচাৰিছো। প্ৰতিবেদনৰ পাতত সম্পূৰ্ণ দিন পঞ্জী প্ৰকাশ কৰাটো অসম্ভৱ। সেয়েহে সমূহ বিষয়ৰে যৎসামান্য আভাষ এটাহে ডাঙি ধৰিলো। পুনৰ মহাবিদ্যালয়খনিৰ উন্নতিয়ে নতুন ৰূপত দেখা দিয়ক তাকেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি চমু প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰীনলিনী চহৰীয়া
সাধাৰণ সম্পাদক

# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভনিতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্ত্তালৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা বৈপ্লৱিক অভিনন্দন জনাই ১৯৯২–৯৩ চনৰ সহঃ সাধাৰণ সম্পাদিকাৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰগতি হবলৈ হলে এখন বলিষ্ঠ ছাত্ৰ একতা সভাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতি, অধ্যাপক ছাত্ৰৰ মাজত মধুৰ সম্পৰ্ক অটুট ৰখা, মহাবিদ্যালয়ৰ নিকা প্ৰশাসনৰ ব্যৱস্থা অটুট ৰখাই হৈছে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মূল উদ্দেশ্য।

মঙলদৈ মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদিকা পদত বিজয়ী হৈ আশা ৰাখিছিলো অন্ততঃ মহাবিদ্যালয়ৰ উন্নতিৰ হকে কিছু কাম কৰিম. কিন্তু আশাবোৰ আশা হৈয়ে ৰ'ল।

ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন দিশৰ প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আনন্দ উৎসৱৰ মাজেৰে ৬-১-৯৩ তাৰিখৰ পৰা ১০-১-৯৩ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ইয়াৰ উপৰিও শংকৰ দেৱৰ তিৰোভাৱ তিথি, সৰস্বতী পূজা, ফাতেহা ই-দোৱাজ-দাহম পালন কৰা হয়।

এইবাৰ নৱাগত আদৰণি সভাৰ দিনাখনেই (২০-৯-৯৩) মহাবিদ্যালয়ৰ ঐতিহ্যপূৰ্ণ ত্ৰি-চত্বাৰিংশ প্ৰতিষ্ঠা দিনটো "মহাবিদ্যায়লৰ প্ৰতিষ্ঠা দিবস" হিচাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ উপস্থিতিত এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশেৰে সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়।

আমাৰ কাৰ্য্যকালতেই আমেৰিকা নিবাসী বৈজ্ঞানিক মঙলদৈ ব্যাস পাৰা গাৱঁৰ শ্ৰীঅতুল চন্দ্ৰ শৰ্ম্মা দেৱক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

আমাৰ কাৰ্য্যকালত আমি ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ আশা আকাংখাক কিমান দূৰ বাস্তৱত ৰূপ দিবলৈ সক্ষম হলো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। আমি মহাবিদ্যালয়ৰ বাবে উল্লেখনীয় একো কৰিব নোৱাৰাৰ বাবে দোষ বহন কৰিছোঁ। আশা ৰাখিছো ভৱিষ্যতে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনৰ উন্নতিৰ হকে যথেষ্ঠ কাম কৰিব।

কাৰ্য্যকালৰ আৰম্ভনিৰ পৰা শেষলৈকে সকলো দিশতে দিহাপৰামৰ্শ দিয়াৰ বাবে মহাবিদ্যালয়খনৰ অধ্যাপক, অধ্যাপিকাৰ ওচৰত আমি চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও কাৰ্য্যকাল চোৱাৰ ভিতৰত বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে ছাত্ৰ-ছাত্ৰীলৈ মোৰ অন্তৰ ভৰা কৃতজ্ঞতা জনালোঁ।

আলোচনীৰ সম্পাদক হিচাবে আমিনুল ইছলামে যি কষ্ট, ধৈৰ্য্যৰে আলোচনীখন ওলোৱাত আগভাগ লৈছে তাৰ বাবে আমিনুল দাদালৈ মোৰ অভিনন্দন যাচিছোঁ। শেষত কাৰ্য্যকালৰ জ্ঞাত তথা অজ্ঞাত ভুল ত্ৰুটী সমূহৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীনিৰ্ম্মালী দেৱী শৰ্ম্মা**
সহঃ সাধাৰণ সম্পাদিকা

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

জয়জয়তে বিগত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদসকললৈ মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখন বৃহৎ শিক্ষা অনুস্থানৰ খেল বিভাগৰ দায়িত্ব দিয়া বাবে মই সেই সকল ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালৰ আৰম্ভনিত ৬/১/৯৩ পৰা ১০/১/৯৩ তাৰিখলৈ ৫ দিনীয়া কাৰ্য্যসূচীৰে মহাৰিদ্যালয় সপ্তাহ উদযাপন কৰো। ৬ তাৰিখে ৰাতিপুৱা ৯ বজাত অলিম্পিক শিখা প্ৰজ্বলন কৰে প্ৰাক্তন খেল সম্পাদক ধ্ৰুৱজোতি শৰ্মাই। মহাবিদ্যালয় অধক্ষ্য মহোদয়ে খেলপথাৰ উদ্বোধন কৰে।

**কাবাদী ঃ**

কাবাদী প্ৰতিযোগীতাত কেইবাটাও দলে অংশ গ্ৰহণ কৰে। ল'ৰাৰ বিভাগত স্নাতক ২য় বৰ্ষই বিজয়ী আৰু উঃ মাঃ ২য় বৰ্ষই ৰানাৰ্চ আপ হয়। ছোৱালীৰ বিভাগত প্ৰজ্বলিতা বড়াৰ দলে চূৰান্ত বিজয়ী হয়।

**মাৰাথান :**

ল'ৰাৰ মাৰাথান দৌৰ প্ৰতিযোগীতাৰ দূৰত্ব আছিল ছিপাঝাৰৰ পৰা মঙলদৈ। লোহিত চন্দ্ৰ ডেকাই প্ৰথম স্থান অধিকাৰ কৰে। ইয়াৰ উপৰিও এথেলেটিকৃছৰ বিভিন্ন প্ৰতিযোগীতা অনুস্থিত হয়। অসম দলক প্ৰতিনিধিত্ব কৰা আমাৰ মহাবিদ্যালয়ৰ কেইবাগৰাকীও খেলুৱৈয়ে অংশ গ্ৰহন কৰি প্ৰতিযোগীতাৰ আকৰ্ষণ বৃদ্ধি কৰে। মহাবিদ্যালয় সপ্তাহত ক্ৰমে ল'ৰাৰ বিভাগত গজেন কুমাৰ ডেকাই আৰু ছোৱালীৰ বিভাগত ডিলৰুৱা বেগমে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে।

**আন্ত ঃ শ্ৰেণী ক্ৰিকেট ঃ**

৮।১২।৯৩ পৰা ২৩।১২।৯৩ তাৰিখলৈ বহু বছৰৰ মূৰত আন্তঃ শ্ৰেণী ক্ৰিকেট প্ৰতিযোগীতা অনুস্থিত হয়। ফাইনেলত উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিকে স্নাতক ১ম বাৰ্ষিকক পৰাজিত কৰি বিজয়ী হয়।

মই অতি দুখেৰে জনাবলগীয়া হৈছো যে মোৰ আৰু ভাৰপ্ৰাপ্ত খেল বিভাগৰ অধ্যাপক মহোদয়ৰ অজ্ঞাতে অধ্যক্ষ মহোদয়ে খেল বিভাগৰ শিতানত থকা ধনৰ পৰা ৩০০০'০০ ( তিনি হাজাৰ ) টকা খৰচ কৰা বাবে আৰু ছাত্ৰ একতা সভাৰ টেবুল, মেজ বনোৱা বাবদ ১০০০'০০ টকা দিয়া বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ফুটবলত অংশ গ্ৰহণ আৰু প্ৰতি বছৰে অনুস্থিত আন্তঃ শ্ৰেণী ফুটবল পাতিব পৰা নগল। মহাবিদ্যালয়ৰ বিভিন্ন অভাব অভিযোগ পুৰণৰ দাবীত ছাত্ৰ একতা সভাই যি আন্দোলনৰ কাৰ্য্যসূচী লৈছিল তাৰ ভিতৰত খেল পথাৰৰ উত্তৰ দিশটো ওখ কৰা, খেলপথাৰত গৰু চৰাব নোৱাৰকৈ তাৰৰ বেৰ দিয়া টেনিছ কৰ্টখনৰ মেৰামতি কৰা আদি বহুতো দাবি উত্থাপন কৰিছিলো।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশৰ পৰা সহায় পৰামৰ্শ দিয়াৰ বাবে ধ্ৰুৱজ্যোতি শৰ্মা, প্ৰশান্ত শৰ্মা দিব্যজ্যোতি কলিতা, বিৰাজ, নৱজ্যোতি, পদ্ম, দেব, বিনয়, মুকুট, ছাজিদুল বাবা, হেমেন, মিণ্টু, তীৰ্থ, উমেশ, হৰি, মনজ্যোতি, নয়ন, শিবানন্দ, পাপু, ৰমেন, যুগল লগতে ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থ আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু ডঃ আমানুল হকৰ চিৰকৃতজ্ঞ। শেষত মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে সাজ-পোচাক আদিৰ কাৰণে হুলস্থলীয়া পৰিবেশ সৃষ্টি কৰি শৈশিক পৰিবেশ বিনষ্ট নকৰিবলৈ আৰু মহাবিদ্যালয় চৰকাৰী কৰণ, পি, জি, কচ প্ৰবৰ্ত্তন, অধিক শিক্ষক নিযুক্তি আদিত গুৰুত্ব দি দাবী জনাবলৈ অনুৰোধ জনালো।

জয়তু মঙলদৈ মহাবিদ্যালয়

শ্ৰীপ্ৰণৱ বৰুৱা
সম্পাদক খেল বিভাগ
১৯৯২-৯৩ চন

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

আৰম্ভনিতে মহাবীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই মই মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্ম-কৰ্তালৈ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো। দৰং জিলাৰ ভিতৰতে বৃহৎ তথা সাংস্কৃতিক দিশত এক সোণালী ঐতিহ্য সম্পন্ন মহান শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্ব্বাচিত হোৱা হেতুকে মই নিজকে ধন্য মানিছো আৰু উক্ত বিভাগত নিৰ্ব্বাচিত কৰি গুৰু দায়িত্বভাৰ দি সামান্য পৰিমাণে হ'লেও মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধা দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী, বন্ধু-বান্ধৱী সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ শুভাৰম্ভণি কৰিছো।

পুৱণি কাৰ্য্যনিৰ্ব্বাহকৰ পৰা দায়িত্বভাৰ অৰ্পণ কৰিয়েই আমি সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হোৱা হেতুকে সকলোবোৰ সম্পাদকে কিছু অসুবিধাৰ সন্মুখীন হোৱাটো স্বাভাৱিক তথাপি নিজস্ব অভিজ্ঞতা তথা ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীপ্ৰণৱ কুমাৰ শৰ্মা, (এম-এচ-চি) আৰু অন্যান্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক সকলৰ পৰা পোৱা সহায় তথা পৰামৰ্শৰ সহায়ত লগতে ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ সকলোবোৰ কাৰ্য্যসূচী সহজতে ও সুকলমে চলাই নিবলৈ সক্ষম হওঁ।

সম্পাদক হিচাবে মোৰ সফলতা বা বিফলতাৰ বিচাৰৰ দায়িত্বভাৰ আপোনালোকৰ হাতত।

সাংস্কৃতিক বিভাগৰ সমূহ কাৰ্য্যসূচীতে দিহা পৰামৰ্শ দি সৰ্বতোপ্ৰকাৰে উপকৃত কৰা বাবে সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীপ্ৰণৱ কুমাৰ শৰ্মা দেৱক মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা যাচিছোঁ। নিজৰ অমূল্য সময় নষ্ট কৰি হলেও আমাৰ আমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাই বিচাৰক স্বৰূপে অহা মাননীয় শ্ৰীযুত দেৱী দাস নেওঁগ। শ্ৰীমতি কাকলী নাথ, শ্ৰীমতি পাৰুল দে, শ্ৰীমতি নিলীমা নাথ, শ্ৰীমতি পূৰ্ণিমা শইকীয়া, শ্ৰীযুত আনন্দ নাৰায়ণ দেৱ, শ্ৰীযুত কুন্তল দাস, শ্ৰীযুত বিপ্লৱ ৰয়, শ্ৰীযুত হিৰেণ দাস, শ্ৰীযুত স্বপন ঘোষ, শ্ৰীযুত নিপেন বেজবৰুৱা শ্ৰীযুত প্ৰণৱ চহৰীয়া, শ্ৰীযুত সদানন্দ ডেকা, শ্ৰীযুত চামচুল হক প্ৰমুখ্যে সদাশয় ব্যক্তি সকলক শলাগঁৰ শৰাই আগবঢ়াইছো। মোক বিশেষ ভাবে সহায় সহযোগ আগবঢ়োৱা বাবে সৰ্ববশ্ৰী, বাবামনি, ডিম্বে, ৰাজীৱ, ৰাজু, হিতেশ, জিতু, ধীৰেণ, দেৱজীৎ, মনোজ, ধ্ৰুৱ, প্ৰণৱ (দেৱ), অংসুমান, হিমাংশু, ভৈৰৱ, কমল, অমৰ, বৰ্ণালী, জুতিকা, নিভা, মণিমা, হেমন্ত, ৰেহেনা, পলি, ৰেখা, চবিনা, পাপৰি, মিনা আৰু পলিলৈ মোৰ আন্তৰিকতা পূৰ্ণ শলাগঁৰ শৰাই আগবঢ়াইছো।

অৱশেষৰ সম্পাদক হিচাবে অজ্ঞাতসাৰে কৰা ভুল ক্ৰটীৰ বাবে মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিছো।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

**প্ৰণৱ কুমাৰ ডেকা**
সম্পাদক, সাংস্কৃতিক বিভাগ
১৯৯৩-৯৪ চন।

# সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

বিন্দুৰ পৰা সিন্ধুলৈ................ .....

.........থঁহিছিলো ক্ষয় যায় বুলি— কিমান ক্ষয় গ'ল নাজানো উত্তৰ পুৰুষে কিবা যদি নতুন সুবিধা পাইছে, কিছু নিকা কিছু সৃষ্টি কৰিব পাৰিছো সেয়া দায়িত্ব বোধে আনি দিয়া সেয়াই মাপকাঠি।

সময়ে লিপিবদ্ধ কৰে সময়ৰ ইতিহাস। মহাবিদ্যালয় সপ্তাহত নতুন নতুন বিষয়ত প্ৰতিযোগিতা অনুস্থিত কৰি সকলো ছাত্ৰ-ছাত্ৰীকে সুবিধা দিয়াৰ বাবে বা তাৰ পৰা বচা বচা ছাত্ৰ-ছাত্ৰী নিৰ্ব্বাচন কৰি নতুন একতা সভাৰ লগ লাগি "যুৱ মহোৎসৱ '৯৪ ত" মহাবিদ্যালয়ৰ হৈ কেৱল ফাইন আৰ্টচ বিভাগেহে ছুটাকৈ পদক অৰ্জন কৰাৰ গৌৰৱ আমি কৰিব নোখোজো। গৌৰৱ এই কাৰণেও নকৰো যে, মহাবিদ্যালয়ত আৰ্ট গেলেৰি আৰু বছেৰেকীয়া আৰ্ট কৰ্মশালা অনুস্থিত কৰিবলৈ আমিয়েই প্ৰথম কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছিলো। এখন উন্নত মানদণ্ডৰ প্ৰদৰ্শনীয়েই আমাৰ গৌৰৱৰ কাৰণ কেতিয়াও হব নোৱাৰে। চিৰাচৰিত এক যেয়ানিৰ পৰা আঁতৰি নতুন কিবা এটা কৰাৰ আকাংখ্যাৰে পৰিকল্পনা কৰিছিলো সহপাঠি বা সহযাত্ৰী সকলৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ বাবে কিছু অবিহনা যোগোৱাৰ কিমানখিনি দিলো তাৰ হিচাব ৰখা নাই কি পাইছিলো সেয়া কিন্তু মন গহনত।

বহুজনৰ মৰমৰ দাবীত এদিন মহাবিদ্যালয়ৰ ফাইন আৰ্টচ বিভাগৰ সম্পাদকৰ দায়িত্ব লবলৈ বাধ্য হৈছিলো। শব্দৰ গাঠনিৰে কাক কেনেকৈ কৃতজ্ঞতা স্বীকাৰ কৰিব পাৰি নাজানো। তথাপিও সেই সকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিচো যি সকলে মোৰ কাৰ্য্যকালত পৰামৰ্শ, উৎসাহ আৰু সহায় সহযোগ আগবঢ়াইছিল।

আমি দুৰ্ভগীয়া বুলিয়েই অসংখ্য বন্ধু-বান্ধবীক হেৰুৱালো কিন্তু আমাৰ সৌভাগ্য আমাৰ কোৰাচত বীৰ প্ৰখৱিনী মাতৃৰ কোলাত সেই সকল বীৰ-বীৰঙ্গনাক পাইছিলো।

স্বকীয় ঐতিহ্যৰে মহিমান্বিত মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয় আই অসম

হেমন্ত কুমাৰ শৰ্মা
সম্পাদক
ফাইন আৰ্টচ
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# ব্যায়ামশালা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

জয় জয়তে ১৯৯২-৯৩ চনৰ বছৰটোৰ বাবে মোক ব্যায়ামশালা বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব অৰ্পণ কৰি যি বিশ্বাস আৰু স্নেহ ছাত্ৰ বন্ধু-বান্ধৱীসকলে প্ৰদৰ্শন কৰিলে তাৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

সম্পাদকৰ দায়িত্ব লোৱাৰ কিছুদিন পিছতেই মহাবিদ্যালয় সপ্তাহ উৎসৱ হৈ যায়। এই উৎসৱত ব্যায়ামশালা বিভাগৰ পৰাও ৭ বিধ খেল আয়োজন কৰা হয় আৰু এই খেল সমূহ ল'ৰা ছোৱালী উভয়ৰ বাবেই পতা হয়। অৱশ্যে আগৰ তুলনাত খেলসমূহত প্ৰতিযোগিৰ সংখ্যা বৃদ্ধি হৈছিল। কিন্তু কেতবোৰ বিভাগত প্ৰতিযোগিসকলৰ ওজন অনুযায়ী খেলাৰ ব্যৱস্থা কৰিব লাগে যদিও আৰ্থিক দুৰৱস্থাৰ বাবে ই সম্ভৱ নহ'ল। কিন্তু আনহাতে বিভিন্ন বিভাগৰ খেলসমূহৰ বিজয়ী আৰু বিজেতা সকলৰ পুৰস্কাৰৰ মান উন্নতৰ কৰা হৈছিল বুলি মই ভাবো।

যদি এই বিভাগটোলৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ অনুমোদনক্ৰমে ধনৰ পৰিমাণ বৃদ্ধি কৰা হয়, তেন্তে ভৱিষ্যতলৈ এই বিভাগটোৱে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ লেখিয়াকৈ খেলসমূহ বিভিন্ন ভাগত অনুষ্ঠিত কৰিবলৈ সক্ষম হব। সেয়েহে মই ইয়াৰ জৰিয়তে কৰ্তৃপক্ষক এই বিষয়ে পুনৰ বিবেচনা কৰি চাবলৈ অনুৰোধ জনালোঁ। তেতিয়াহে হয়তো ভৱিষ্যতে বিজয়ী প্ৰতিযোগিসকলে ৰাষ্ট্ৰীয় পৰ্য্যায়ত ফেৰ মাৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব পাৰিব। এই কথা মহাবিদ্যালয় সপ্তাহৰ হৈ যোৱা খেলসমূহৰ ফলাফলৰ পৰাই অনুমান কৰিব পাৰি।

নিৰ্বাচিত হোৱাৰ আগতে মোৰ যি পৰিকল্পা আছিল নিৰ্বাচিত হৈ কাৰ্য্যভাৰ লোৱাৰ পিছত সেইসমূহ বাস্তৱত ৰূপ দিয়াৰ বাবে চেষ্টা নকৰাকৈ থকা নাছিলো, সেইবাবেই পৰিকল্পিত বিষয়ৰ ভিতৰত বিশেষকৈ উন্নত মানৰ ব্যামৰ স্থাৰৰ সম্পত্তি ক্ৰয় কৰিবলৈ সক্ষম হওঁ। এই সামগ্ৰীসমূহ এনে ধৰণৰ— ফল্ডিং ডাম্বেল বাৰ এযোৰ, ভাৰোত্তোলনৰ বাৰৰ চকেট দুটা, ২½ পাউণ্ডৰ প্লেট দুখন, ৫ পাউণ্ডৰ প্লেট দুখন. ১৫ আৰু ২০ পাউণ্ডৰ প্লেট ২খনকৈ মুঠ ৪ খন। ইয়াৰ বাদেও কিছুমান অতি প্ৰয়োজনীয় সজুলিৰ এটি আহল বহল ( ব্যায়াম কৰিব পৰাকৈ ) কোঠাৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিছিলো, কিন্তু এইবোৰ অভাৱ পূৰ্ণ হ'বলৈ কিছু সময় লাগিব। সেয়েহে মোৰ পৰৱৰ্তী সম্পাদক সকলক তথা ছাত্ৰ-ছাত্ৰী সকলক এই বিষয়ত গুৰুত্ব দিবলৈ এই প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ কৰিলোঁ।

শেষত মোৰ কাৰ্য্যকাল ছোৱাত সহায়ৰ হাত আগবঢ়োৱা বিভাগীয় তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীপৰেশ চন্দ্ৰ শৰ্ম্মাদেৱ আৰু বন্ধু-বান্ধৱী সকলক বিশেষকৈ. নিৰঞ্জন বড়ো, গনেশ চন্দ্ৰ বড়ো, ইন্দ্ৰেশ্বৰ শৰ্ম্মা, সুনীল শৰ্ম্মা, প্ৰমোদ শৰ্ম্মা, সুনীল ডেকা, কৰুণা কলিতা, নিৰুপমা ডেকা, মুন্নু নাথ আদিলৈ কৃতজ্ঞতাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে
'জয়তু মঙলদৈ মহাবিদ্যালয়'
মনোৰঞ্জন ডেকা
সম্পাদক, ব্যায়ামশালা
বৰ্ষ- ১৯৯২-৯৩

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভনীতে প্ৰণাম জনাইছো সেই মহান আত্মাবোৰলৈ যিয়ে দেশ আৰু দহৰ ভৱিষ্যতৰ বাবে নিজৰ বৰ্ত্তমান বিসৰ্জন দিলে। এই প্ৰতিবেদনৰ মাধ্যমেদিয়েই মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলো মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ দৰে নিঃকিন ব্যক্তিক ইং ১৯৯২-৯৩ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিপুল ভোটাধিকাৰে বিজয়ী কৰি ছাত্ৰ সমাজক সেৱা কৰাৰ কিঞ্চিত সুযোগ দিয়াৰ বাবে। দৰং জিলাৰ ভিতৰত বৃহৎ এক সোণালী ঐতিহ্য সম্পন্ন মহান শিক্ষানুষ্ঠান হ'ল মঙলদৈ মহাবিদ্যালয়, এনে বৃহৎ অনুষ্ঠানৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচনত জয়ী হৈয়েই মই নিজকে ধন্য মানিছো। উক্ত বিভাগৰ গধুৰ দায়িত্ব তথা সকলোৰে আশীৰ্বাদ শীৰত লৈ মই মোৰ এবছৰীয়া কাৰ্য্যকালৰ এক থুলমূল বিৱৰণ দিয়াৰ চেষ্টা কৰা হৈছে। বঢ়া-টুটাৰ বাবে আগতীয়াকৈ ক্ষমা প্ৰাৰ্থনা কৰি থলো।

**মহাবিদ্যালয় সপ্তাহ :** ইং ১৯৯২-৯৩ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনত তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাবে জয়ী হৈ ২১-১২-৯২ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পাছতে অৰ্থাৎ ৬-১-৯৩ তাৰিখৰ পৰা ১০-১-৯৩ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই থকা বিভিন্ন প্ৰতিভাবোৰৰ প্ৰস্ফুৰণৰ এক প্ৰচেষ্টা কৰা হয়। মোৰ কাৰ্য্যকালৰ ভিতৰত উদ্‌যাপিত হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰাও এন্‌ানি প্ৰতিযোগিতা পতা হৈছিল। সেইবোৰ আছিল—কুইজ, আবৃত্তি, আকস্মিক বক্তৃতা, স্মৃতি পৰীক্ষা, বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতা আয়োজন কৰিছিলো। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা তৰ্কৰ বিষয় আছিল সদনৰ মতে, "বৰ্ত্তমান আৰ্থ সামাজিক পটভূমিত আমৰ পিতৃপ্ৰধান সমাজখন মাতৃপ্ৰধান অৱস্থালৈ পৰিবৰ্ত্তিত হৈছে"। আৰু বক্তৃতাৰ বিষয় আছিল "ধৰ্মীয় মৌলবাদ এটা প্ৰতিক্ৰিয়াশীল ধাৰা"। এই প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীৰ বিপুল সহাঁৰিয়ে আমাক আপ্লুত কৰিছিল। এইবছৰৰ শ্ৰেষ্ঠ তাৰ্কিক হিচাপে শ্ৰীমঞ্জুৰাণী ডেকা পৰিগণিত হয়। আৰু তেখেতক এখন সুন্দৰ চলন্ত শ্বিল্ড আগবঢ়োৱা হয়।

**সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা :** অসমৰ শ্বহীদ সকলৰ সোঁৱৰণত এইবেলিও মই ১ অক্টোবৰ ৯৩ তাৰিখে "সদৌ অসম আন্তঃ মহাবিদ্যালয় শ্বহীদ সোঁৱৰণীৰ" নামত তৰ্ক প্ৰতিযোগিতা এখন পাতিবলৈ চেষ্টা কৰি পোন প্ৰথমে মই উজুতি খালো অৰ্থত। অসম ভিত্তিত প্ৰতিযোগিতা পাতিবলৈ হলে যথেষ্ট অৰ্থৰ প্ৰয়োজন। যদিও পাতিব ওলোৱা অনুষ্ঠান এখন নিজে দৃঢ় সংকল্প লৈ আৰু কেইগৰাকীমান ছাত্ৰ ছাত্ৰী, চাৰ বাইদেউৰে উৎসাহ তথা সহায় কৰাত উক্ত প্ৰতিযোগিতাখন পাতিবলৈ আগবাঢ়িলো। এই প্ৰতিযোগিতা খনত অংশ গ্ৰহণ কৰা অসমৰ বিভিন্ন ঠাইৰ মহাবিদ্যালয় সমূহৰ নাম ক্ৰমে- ডি, কে, মহাবিদ্যালয (মিৰ্জা), বৰ্ঢ়ানগৰ মহাবিদ্যালয়, গোবেশ্বৰ মহাবিদ্যালয়, বৰনৈ মহাবিদ্যালয়, দিচপুৰ মহাবিদ্যালয়, দিমৰীয়া মহাবিদ্যালয়, মঙলদৈ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, টিহু মহাবিদ্যালয়, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়, আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়, মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়। ভুৰনৈ মহাবিদ্যালয়, বজালী মহাবিদ্যালয়, ৰঙা মীন মহাবিদ্যালয় মঙলদৈ বাণিজ্য মহাবিদ্যালয়, ছয়দুৱাৰ মহাবিদ্যালয় (গহপুৰ), বিজনী মহাবিদ্যালয়, শলাইবাট মহাবিদ্যালয় জে, বি, মহাবিদ্যালয়, ছিপাঝাৰ মহাবিদ্যালয়, বাচকা মহাবিদ্যালয়, ডেৰগাওঁ মহাবিদ্যালয় আৰু মঙলদৈ মহাবিদ্যলয়।

মুঠ ২৩ খন মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিছিল। তৰ্ক প্ৰতিযোগিতাৰ বিষয় বস্তু আছিল— সদনৰ মতে, "অসমৰ দ্ৰুত উদ্যোগীকৰণৰ বাবে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ ব্যক্তিগত খণ্ডলৈ পৰিবৰ্তন কৰিব লাগে। বিষয় বস্তুৰ ওপৰত সংগতি ৰাখি প্ৰতিযোগি সকলে ধুনীয়া ধুনীয়া যুক্তি দাঙি ধৰি দৰ্শক হিচাপে থকা ছাত্ৰ-ছাত্ৰী আৰু চাৰ বাইদেউ সকলক আমোদ দিয়ে। উক্ত প্ৰতিযোগিতা-খন উদ্বোধন কৰিছিল মাননীয় শ্ৰীযুত প্ৰমোদ শৰ্মাই।

এই সুন্দৰ প্ৰতিযোগিতা খনত অধ্যক্ষতা কৰিছিল আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক ডং হৰিশ চন্দ্ৰ ডেকা আৰু বিচাৰকৰ আসনত আছিল ভকত পাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক শ্ৰীযুত লক্ষীকান্ত শৰ্ম্মা, মঙলদৈ শিক্ষক প্ৰশিক্ষন মহাবিদ্যালয়ৰ অধ্যাপিকা শ্ৰীযুতা মানসী ভট্টাচাৰ্য্য আৰু মাননীয় শ্ৰীযুত কাজল শইকীয়া প্ৰতিযোগিতাখনৰ ফলাফল আছিল এনে ধৰণৰ যুতীয়া ভাৱে ১ম শ্ৰেষ্ঠা আৰু শ্ৰেষ্ঠ তাৰ্কিক হৈছে- শ্ৰীজোনমণি দেৱী (জে, বি, কলেজ যোৰহাট), আৰু শ্ৰীঅন্নপ শৰ্ম্মা (ডেৰগাওঁ কলেজ)। দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক : শ্ৰীজ্যোতি নাৰায়ণ নাথ (আৰ্য্য বিদ্যাপীঠ কলেজ) তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক : শ্ৰীগনেশ দত্ত (মঙলদৈ কলেজ) শ্ৰেষ্ঠ দল : আৰ্য্য বিদ্যাপীঠ কলেজৰ শ্ৰীজ্যোতি নাৰায়ণ নাথ আৰু শ্ৰীসমিৰণ ফুকন।

সচাকৈয়ে সিদিনা তৰ্ক প্ৰতিযোগিতাখনৰ সৌষ্ঠৱ বৰ সুন্দৰ হৈ উঠিছিল। এই সুযোগতে যিকেইখন মহাবিদ্যায়ে প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰি আমাক উৎসাহ উদ্দীপনা যোগোৱাৰ বাবে কৃতজ্ঞতা জনালো। প্ৰতিযোগিতাখন বিশেষ পয়োভৰেৰে অনুস্থিত হৈ যায়।

**বিভিন্ন অনুষ্ঠানত যোগদান ঃ**

মোৰ কাৰ্য্যকালৰ সময়ত এইবাৰ বিভিন্ন অনুষ্ঠানে আয়োজন কৰা তৰ্ক, বক্তৃতা প্ৰতিযোগিতা আদিৰ কাৰ্য্য-সূচী মোৰ হাতত পৰিছেহি। পুঁজিৰ সামৰ্থনুযায়ী দৰং জিলাৰ বিভিন্ন স্থানত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়। তদুপৰি দৰং কলেজে আয়ো-জন কৰা সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতি-যোগিতা, গুৱাহাটী ডিবেটিং চচাইটিয়ে সদৌ অসম ভিত্তিত আয়োজন কৰা তৰ্ক প্ৰতিযোগিতা আৰু নগাওঁ আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ে আয়োজন কৰা সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। নগাওঁত হোৱা তৰ্ক প্ৰতিযোগিতাখনত আমাৰ মহাবিদ্যালয়ৰ শ্ৰীগনেশ দত্ত আৰু শ্ৰীমঞ্জুৰাণী ডেকাই এই প্ৰতিবেদকৰ নেতৃত্বত অংশ গ্ৰহণ কৰি ২য় শ্ৰেষ্ঠ দল আৰু শ্ৰীগনেশ দত্তই ২য় শ্ৰেষ্ঠ তাৰ্কিক হিচাপে কৃতকাৰ্য্য লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়।

**কৃতজ্ঞতা স্বীকাৰ :** মোৰ কাৰ্য্যকালৰ সময়ত আদিৰ পৰা অন্তলৈ প্ৰতিটো খোজতে মোক দিহা পৰামৰ্শ দি সহায় কৰি অহা তৰ্ক আৰু বক্তৃতা বিভাগৰ ভাৰ-প্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰদ্ধাৰ গুৰুৱৰ শ্ৰীযুত ভবেশ নাৰায়ণ চৌধুৰী দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা থাকিল। তাৰোপৰি মোক আন আন কাৰ্য্যসুচীত তথা সকলো দিশতে সহায় কৰা শ্ৰদ্ধাৰ চাৰ শ্ৰীযুত পৰেশ শৰ্মা, শ্ৰীযুত ডিম্বেশ্বৰ বৰুৱা, শ্ৰীযুত খগেন নাথ, শ্ৰীযুত প্ৰণৱ কুমাৰ শৰ্মা, মঃ জামালুদ্দিন আহমেদ, শ্ৰীযুত মণিমুগ্ধ বৰঠাকুৰ আৰু শ্ৰীযুত বিচিত্ৰ কুমাৰ মেধি দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। আৰু সহায় কৰিছিল জুৱেল, দিলিপ, চাদেক, জগত, জয়ন্ত, ৰমেশ, অজয়, আফতাবুদ্দিন, ৰাজীৱ, ফাৰুক, জাকিৰ, দণ্ডী, টংকেশ্বৰ, সূৰ্য্য, গৌতম, পলাশদা, পবিত্ৰদা, কল্পনা বাইদেউ, জ্যোতিৰ্স্মিতা বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্য সদস্যাবৃন্দলৈ মোৰ আন্তৰিক মৰম ও কৃতজ্ঞতা থাকিল।

**ক্ষমা প্ৰাৰ্থনা ঃ** মানুহ মাত্ৰেই ভুল হয়। কাৰ্য্য-কালৰ ভিতৰত মোৰ অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু কৰ্মচাৰীয়ে যেন মোক ক্ষমা কৰে।

শেষত সমূহ ছাত্ৰ ছাত্ৰীলৈ অনুৰোধ যে তৰ্কই যি দৰে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিছে সেইদৰে আমাৰ শিক্ষা জগতলৈকো যেন গৌৰৱ কঢ়িয়াই আনে তাৰে কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ মুখনি মাৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়

জয় আই অসম

**শ্ৰীবসন্ত শৰ্মা**

সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ

ইং ১৯৯২-৯৩ চন।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—

লিখনিৰ আদিম বুলনিতে আই অসমীৰ মুখ উজ্জ্বলাবলৈ যিসকল মহান দেশপ্ৰেমিক ছাত্ৰ-বন্ধুৱে বুকুৰ কেচা তেজ বিলাই দি আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে, সেইসকল ছাত্ৰ বন্ধুলৈ মোৰ শত-সহস্ৰ প্ৰনাম আগবঢ়ালোঁ। যিহেতুকে সেই বীৰ শ্বহীদ সকল আজি আমাৰ মাজত নাই, মোৰ বোধেৰে সেই অতৃপ্ত আত্মাবোৰ আমাৰ মাজত পাম, যদিহে সেই মহান শ্বহীদৰ আধৰুৱা কামবোৰ আমি সমাধা কৰিব পাৰোঁ। ......—সেয়েহে ! শ্বহীদ প্ৰণামো তোমাক।

"ছাত্ৰানাং অধ্যয়নং তপঃ" এয়া ঋষি-মুনিৰ মহাবাক্য আৰু জানো প্ৰকৃতিৰ শ্ৰেষ্ঠ জীৱ লগতে পশুপক্ষীৰে ভৰা এই বিশ্বব্ৰহ্মাণ্ডৰ সকলো জীৱ আৰু জড়ে নিজ কৰ্মক্ষেত্ৰত ব্যস্ত। ব্যস্ততাভৰা জীৱনত সকলোকে সাধ্যানুসাৰে শৰীৰ আৰু মনৰ অৱসাদৰ আৱশ্যক। অৰ্থাৎ, জিৰাবৰ বাবে অলপ আশ্ৰয় স্থলৰ প্ৰয়োজন। কোনো শিক্ষানুষ্ঠানৰ ক্ষন্তেক অৱসাদৰ আশ্ৰয় স্থল হৈছে জিৰণি কোঠা। এই জিৰণি কোঠাতে আমি শিক্ষানুষ্ঠানত পঢ়ি উঠি ক্ষন্তেক জিৰণিৰ সুবিধাকণ পাওঁ। জিৰণি কোঠাত অৱসাদ দূৰ কৰিবলৈ আৰু শৰীৰ, মনৰ বিকাশৰ বাবে কিছুমান মনোৰঞ্জক আহিলাপাতিৰ অতিকৈ প্ৰয়োজন।

মই জিৰণি কোঠাৰ সম্পাদক হিচাবে মোৰ কাৰ্য্যকালত যি অভাৱ অভিযোগ, সেইখিনি উত্থাপন নকৰিলে শান্তি নাপাম। জ্ঞানৰ পোহৰ বিচাৰি যিটো দিনৰ পৰা মহাবিদ্যালয়ত ভৰি দিছোঁ, ছাত্ৰ জিৰণি কোঠাৰ দুৰাৱস্থা দেখি মোৰ লগতে ছাত্ৰ বন্ধুসকলেও যে অসুবিধা ভোগ কৰি আহিছে সেয়া নতশিৰে স্বীকাৰ কৰিবই লাগিব। জিৰণি কোঠাৰ দুৰৱস্থা দেখি মষিমূৰ কৰিব পাৰিম বুলি ছাত্ৰ বন্ধুসকলৰ শুভকামনাত মই এই বিভাগত নিৰ্বাচিত হলো। কোঠাটো দেখি মোৰ অনুভৱ হ'ল যে দৰং জিলাৰ ভিতৰতে লেখত লবলীয়া এই উচ্চ শিক্ষা অনুষ্ঠান খনত আজি পৰ্য্যন্ত এটা স্বাস্থ্যসন্মত জিৰণি কোঠা গঢ়ি নুঠিল। যি এটা আছে সেয়া হৈছে নিগনি, চুচা বাদুলিৰ আবাসস্থল আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ গুদাম ঘৰ। মই নিজ হাতে কিছু চাফ্ চিকুণ কৰি মানুহ সোমাব পৰা কৰিলোঁ।

মহাবিদ্যালয়ত নতুনৰ সমাগম হ'ল। ইয়াৰ পিছতেই মহাবিদ্যালয় সপ্তাহ। এই ছেগতেই কৰ্তৃপক্ষৰ সহযোগত জিৰণি কোঠাৰ বাবে দুই এপদ সামগ্ৰী কিনিবলৈ সুযোগ পালো। যিখিনি বাকী থাকিল কোঠাটো মেৰামতিৰ বাবে কৰ্তৃপক্ষক বিনম্ৰ অনুৰোধ কৰা স্বত্তেও কিন্তু এতিয়ালৈকে কাৰ্য্যত হোৱাহি নাই। চাওঁতে চাওঁতে মোৰ কাৰ্য্যকালো শেষ হৈ আহিল। শেষত মই বিনম্ৰভাৱে কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনাওঁ যেন মোৰ পিছতো তেওঁলোকে উক্ত কামবোৰ সমাধা কৰো যেন সমূহৰ বাবে।

**কৃতজ্ঞতা জ্ঞাপন :** মোৰ এই কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধেয় শিক্ষাগুৰু তথা ছাত্ৰ জিৰণি কোঠাৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত খগেন্দ্ৰ নাথ দেৱলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে আন কিছুমান দিশত সহায় সহযোগ আগবঢ়োৱা বন্ধু সৰ্বশ্ৰী তিলক, পিন্টু, মুনিন্দ্ৰ, জুৰি, নৰ, ভৰত, জিতু, ভাস্কৰ, হেমন্ত, মণি, নয়না, পবিত্ৰ চন্দন গোবিন্দ্ৰ তথা মহাবিদ্যালয়ৰ যি সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোৰ হকে অশেষ কষ্ট স্বীকাৰ কৰিছে সেই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

**সামৰণি :** মোৰ কাৰ্য্যকালত অজানিত ভুল ত্ৰুটীৰ বাবে ক্ষমা ভিক্ষা মাগিছোঁ। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এটা বিষয়ববীয়া হিচাপে কিমান দূৰ কৃতকাৰ্য্যতা লভিছো তাৰ বিচাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত এৰি মহাবিদ্যালয় ছাত্ৰ জিৰণি কোঠাৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ এই নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**শ্ৰীনৃপেন কুমাৰ শৰ্মা**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন—

১৯৯২-৯৩ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা হিচাপে মোক মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে গভীৰ আস্থাৰে সৰ্বোচ্চ ভোটত নিৰ্বাচিত কৰাৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰকৃতজ্ঞ। দৰং জিলাত অৱস্থিত এই সুপ্ৰসিদ্ধ মহাবিদ্যালয়খনৰ প্ৰত্যেকটো সমস্যা প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ কাৰণে দুৰ্ভাগ্যজনক। কিয়নো এক চেকেণ্ড অথবা এক মিনিটৰ কাৰণে কোনোবাই যি এটা বেয়া ফল ভোগ কৰিব লগাত পৰে তাৰ পিচমুহূৰ্ত্তে ভাল ফল পালেও মানসিক ভাৱে সুস্থ অৱস্থালৈ ঘূৰি অহাত কিন্তু তিনি চাৰিগুণ সময়তকৈয়ো বেছিৰহে প্ৰয়োজন হয়। গতিকে মহাবিদ্যালয়খনিৰ সুস্থ বাতাবৰণ সৃষ্টি কৰাত সকলো শুভাকাঙ্খীৰ এক গভীৰ অন্তদৃষ্টিৰ প্ৰয়োজন।

এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে যদিও বাহ্যিক দৃষ্টিত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ কাৰ্য্য সহজসাধ্য, আভ্যন্তৰীণ দৃষ্টিভঙ্গীত ই অতি কঠিন। মই কাৰ্য্যভাৰ লোৱাৰ পিছৰ পৰাই নানান অসুবিধাৰ সন্মুখীন হব লগীয়া হয় সেয়েহে মোৰ কাৰ্যৱলী ভবামতে নিয়াৰিকৈ সম্পন্ন কৰিবলৈ বহুতো বাধাৰ সন্মুখীন হওঁ।

মোৰ কাৰ্যকালৰ আৰম্ভণিতেই মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণি কোঠা বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ আয়োজন কৰিছিলো। এই প্ৰতিযোগিতা সমূহৰ ভিতৰত আছিল কেৰম, চাইনিজ চেকাৰ, টেবুল টেনিছ, বেড-মিণ্টন, ডবা। কেৰম চাইনিজ চেকাৰ, ডবা এই তিনি-বিধ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা অধিক। বিশেষকৈ ডবা প্ৰতিযোগিতাত দৰ্শক ছাত্ৰ-ছাত্ৰীৰ বেছি ভীৰ দেখা গৈছিল। কিন্তু বেডমিণ্টন আৰু টেবুল টেনিছৰ প্ৰতিযোগীৰ সংখ্যা সন্তোস জনক হোৱা নাছিল।

ছাত্ৰী জিৰণি কোঠাৰ অভাৱ অভিযোগৰ বিষয়টো আলোচনা কৰিবলৈ হলে বহুতো অভাৱ অভিযোগ আহি পৰে। ছাত্ৰী জিৰণি কোঠাটো সুবিধাজনক নহয়। বিশেষকৈ পানীৰ অভাৱ, ছাত্ৰীৰ সংখ্যা অনু-পাতে কোঠাটো সৰু, চাফচিকুনতাৰ অভাৱ আৰু প্ৰসাৰগাৰ শৌচাগাৰৰ দুৰ্গন্ধত ছাত্ৰীসকল নানান সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। সেয়েহে এই প্ৰতিবেদনখনৰ যোগেদি মই কৰ্তৃপক্ষক উক্ত অসুবিধা সমূহ দূৰ কৰি স্বাভাৱিক পৰিবেশ এটি সৃষ্টি কৰিবলৈ অনুৰোধ কৰিলোঁ।

এইখিনিতে স্বীকাৰ কৰিব লাগিব যে মাননীয় অধ্যক্ষ মহোদয়ক যিকোনো অভাৱ অভিযোগৰ কথা অৱগত কৰিলে মহোদয়ে সকলো সময়তে বিষয়টোৰ ওপৰত সম্পূৰ্ণ গুৰুত্ব দি সামৰ্থ অনুযায়ী সমস্যাতো যৎপৰোনাস্তি সমাধান কৰিবলৈ চেষ্টাৰ ক্ৰটী কৰা দেখা নাছিলো।

মোৰ কাৰ্য্যকাল ছোৱাত অজ্ঞাতে বহুতো ভুল হৈ যোৱাতো স্বাভাৱিক। সেয়েহে অজ্ঞাতে হৈ যোৱা ভুল সমূহৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকাল ছোৱাত সকলো দিশতে গুৰুত্ব দি ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰদ্ধাৰ লীনা শইকীয়া বাইদেউৱে মোক যি মৰম চেনেহৰে দায়িত্ব পালনত সহাঁৰি দিলে তাৰ বাবে তেখেতক মই শ্ৰদ্ধাৰে কৃতজ্ঞতা জনাইছো। প্ৰাক্তন খেল সম্পাদক প্ৰশান্ত কুমাৰ শৰ্মাৰ সহায় সহযোগিতাৰ কথা উল্লেখ নকৰিলে অকৃতজ্ঞ হৈ ৰম।

বিভিন্ন দিশত যিসকল চাৰ বাইদেউ তথা বন্ধু-বান্ধবীয়ে সহায় আগবঢ়ালে তেখেত সকলৰ লগতে ছাত্ৰ একতা সভাৰ সতীৰ্থ বৃন্দৰ ওচৰত মই চিৰকৃতজ্ঞ।

মঙলদৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে —

শ্ৰীবিজুলী ভট্টাচাৰ্য্য
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
১৯৯২-৯৩ চন।

## সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

স্বদেশৰ স্বাধীনতা ৰক্ষাৰ বাবে যি মহান ব্যক্তিয়ে নিজৰ জীৱন উৰ্চ্ছগা কৰি চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা বিদায় ললে সেই সকল শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণামেৰে—

আচামীৰ কাঠ গড়ালৰ পৰা কৈছো
মোক এটা সমিধান লাগে!
দেশত এতিয়া কিহৰ আখৰা
প্ৰগতিৰ, অধোগতিৰ

নে আত্মাহুতি যজ্ঞ সমাপনৰ প্ৰস্তুতি। দেশ এতিয়া নিমাও মাও। দশোদিশ হাহাকাৰ। স্তব্ধ দেশ, স্তব্ধ প্ৰগতি। কপি কপি বৈ যাব খোজে মোৰ কলম। কাৰণ কি? কলমৰ নীলা চিয়াহী ৰঙা হ'ল কেনেকৈ? এতিয়া দেশত দুৰ্যোগপূৰ্ণ অৱস্থা গতণন্ত্ৰৰ নামত স্বেচ্ছাচাৰীতা, মৌলিক অধিকাৰ খৰ্ব। নিৰ্বিচাৰে চলিছে হত্যা। বিশ্ববাসীক কঁপাই তুলিছে। জন্মভূমিৰ এনে সংকপূৰ্ণ অৱস্থাত মাত মতা সাংবাদিক, সাহিত্যিক বুদ্ধিজীৱি আৰু সাধাৰণ নাগৰিকৰ কৌশল পূণ্য ভাৱে ৰুদ্ধকৰ হৈছে প্ৰতিবাদী কণ্ঠ।

মই শিল্পী জনতাৰ শিল্পী,
ভাল পাওঁ জনতাক
কাম কৰো জনতাৰ,
স্তব্ধ নহয় কণ্ঠ
প্ৰতিবাদ কৰি যাম

মই যেতিয়া মই হৈ জীয়াই থাকিম। কল্পনা আৰু সাধনাই হৈছে সাহিত্য সৃষ্টিৰ মূল উৎস। ইয়াৰ জৰিয়তে লিখকে মনোগ্ৰাহী কৰি তোলে তেওঁৰ লিখনি। ভাষা, সাহিত্য তথা কলা সংস্কৃতিয়ে এখন সমাজকে সজীৱ কৰি তোলে। ভাষা সাহিত্য জাতীয় চেতনাৰ উন্মুক্ত প্ৰকাশ। এটা জাতিৰ জীয়া প্ৰতিচ্ছবি। গতিকে ভাষা সাহিত্য কলা সংস্কৃতি অবিহনে কোনো জাতি বা দেশ উন্নতিৰ জখলাত আৰোহন কৰিব নোৱাৰে।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয় সপ্তাহ পালন কৰি বিভিন্ন সাহিত্য প্ৰতিযোগিতা আয়োজন কৰা হয়। যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা সাহিত্য প্ৰতিযোগিতাত বিশেষ স্থান লাভ কৰা প্ৰতিযোগী সকলক ১০-১-৯৩ তাৰিখৰ মুকলি সভাত বঁটা প্ৰদান কৰা হয়।

প্ৰাচীৰ পত্ৰিকা ভাষা সাহিত্য চৰ্চাৰ কঠিয়াতলী স্বৰূপ। নবীন কবি সাহিত্যিকৰ ভিন্ন লিখনী প্ৰকাশৰ এক উৎকৃষ্ট মাধ্যম। ছাত্ৰ-ছাত্ৰীৰ মানসিক চিন্তা ধাৰণাৰ পৰিসৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকাখন। এইবাৰ মহাবিদ্যালয় সপ্তাহ, স্বদেশ, মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি, বিপ্লৱ, নবাগত সংখ্যা, নবাগত ৰেঙণি, সংখ্যাৰে মুঠ ৬ টা সংখ্যা প্ৰকাশ কৰা হয়। উক্ত সংখ্যা কেইটি উন্মোচন কৰে কবি, সাহিত্যিক, গীতিকাৰ, অধ্যাপক মাননীয় শ্ৰীইদ্ৰিছ আলি, অধ্যক্ষ মাননীয় শ্ৰীশিৱকান্ত শৰ্মা, তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীডিম্বেশ্বৰ বৰুৱা, প্ৰবীন কবি সাহিত্যিক মাননীয় শ্ৰীপ্ৰদীপ ৰায় বৰুৱা দেৱে। আনহাতে এইবাৰ প্ৰাচীৰ পত্ৰিকাখনত চানমাইকা লগাই বাকচটো দেখাত সামান্যভাৱে হলেও সুন্দৰ কৰা হৈছে। আকৌ প্ৰাচীৰ

পত্ৰিকাখনৰ বাবে আচুতীয়া কোঠা নথকাত ছাত্ৰ-ছাত্ৰীসকলে পঢ়াত যথেষ্ট অসুবিধা পোৱা পৰিপ্ৰেক্ষিতত ছাত্ৰ একতা সভাৰ ১৩ দফীয়া দাবীত সন্নিবিষ্ট কৰা হয় আৰু ইতিমধ্যে কৰ্তৃপক্ষই পৰ্য্যায়ক্ৰমে কাম আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিছে।


**নতুন কবিতা :** এইবাৰ মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহৰ কবিতা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ কবিতা, প্ৰাচীৰ পত্ৰিকাৰ নিৰ্বাচিত কবিতা আৰু বিভিন্ন কবিৰ কবিতাৰে সামান্য ভাৱে নতুন কবিতা নামৰ এখন কাব্য সংকলন প্ৰকাশ কৰা হৈছে। প্ৰকাশৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা অতিক্ৰম কৰি বাস্তৱত ৰূপ দিব পৰা গৈছে।

১৯৯২-৯৩ চনৰ বাবে মোক সাহিত্য বিভাগৰ সম্পাদক ৰূপে প্ৰতিদ্বন্দিতাত নিৰ্বাচিত কৰি সাহিত্য সেৱাৰ লগতে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ বাইদেউ, ককাই-দেউ, বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক তথা মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিছো। মোক তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীডিম্বেশ্বৰ বৰুৱা দেৱে প্ৰত্যেক মুহূৰ্ত্তত দিহা পৰামৰ্শ আগবঢ়াই নিয়াৰিকৈ কাৰ্য্য পৰিচালনা কৰাত সহায় কৰাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিলো। লগতে চিৰকৃতজ্ঞ ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ আৰু মোৰ কাৰ্য্যকালত সহায় সহযোগ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত।

ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উত্তৰোত্তৰ উন্নতিৰ কামনাৰে—

জয়তু মংগলদৈ মহাবিদ্যালয়
জয়তু মংগলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

নমস্কাৰন্তে—
**শ্ৰীঅবনী মোহন শৰ্মা**
সম্পাদক, সাহিত্য বিভাগ।



অধ্যক্ষৰ কাৰ্য্যালয়ত এটি ব্যস্ততাপূৰ্ণ মুহূৰ্তত অধ্যক্ষ, মাননীয় শ্ৰীযুত শিৱকান্ত শৰ্মা

# সম্পাদনা সমিতি



ঊষা বৰা, সভানেত্ৰী



ইদ্ৰিছ আলি, তত্বাৱধায়ক



ডঃ মহেন্দ্ৰ প্ৰসাদ বৰুৱা
অধ্যাপক সদস্য



মতিৰাম মেধি
অধ্যাপক সদস্য



ভিৰেশ্বৰ বৰুৱা
অধ্যাপক সদস্য



**আমিনুল ইচলাম**
**সম্পাদক**



দিব্যজ্যোতি চহৰীয়া, সদস্য



জিন্নাত আৰা বেগম, সদস্যা



ইক্ৰামুল হক, সদস্য



মঞ্জুৰাণী ডেকা, সদস্যা



কামালুদ্দিন আহমেদ, সদস্য



**ঘনকান্ত বৰুৱা (সদস্য)**
**মঙ্গলদৈ মহাবিদ্যালয়**



**নলিনী চহৰীয়া, সদস্য**



অবনি মোহন শৰ্মা, সদস্য



ৰজব আলি, সদস্য

# ১৯৯২-৯৩ বৰ্ষৰ মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা


শিৱ কান্ত শৰ্মা
অধ্যক্ষ / সভাপতি
"ছাত্ৰ একতা সভা"


দিব্যজ্যোতি চহৰীয়া
উপ-সভাপতি


নলিনী চহৰীয়া
সাধাৰণ সম্পাদক


নিৰ্মালী দেৱী শৰ্মা
সহঃসাধাৰণ সম্পাদিকা


আমিনুল ইচলাম
সম্পাদক, আলোচনী বিভাগ


প্ৰণৱ বৰুৱা
সম্পাদক, খেল বিভাগ


প্ৰণৱ কুমাৰ ডেকা
সম্পাদক, সাংস্কৃতিক বিভাগ


নৃপেন কুমাৰ শৰ্মা
সম্পাদক, ছাত্ৰ জিৰণী কোঠা


বিজুলী ভট্টাচাৰ্য্য
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা


কনক চহৰীয়া
সম্পাদক, সমাজ সেৱা বিভাগ


বসন্ত শৰ্মা
সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ


মনোৰঞ্জন ডেকা
সম্পাদক, ব্যায়ামশালা



অৰণী মোহন শৰ্মা
সম্পাদক, সাহিত্য বিভাগ


হেমন্ত শৰ্মা
সম্পাদক, চাৰুকলা বিভাগ


ৰাহুল ডেকা
সহঃ সম্পাদক, খেল বিভাগ


নিৰঞ্জন শৰ্মা
সহঃ সম্পাদক, সাংস্কৃতিক বিভাগ

# ১৯৯২-৯৩ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি



কমল দাস
শ্ৰেষ্ঠ টেবুল টেনিচ খেলুৱৈ



দিলকৰা বেগম
ছোৱালীৰ শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ



মৰতুজা আলি
বেডমিণ্টন চেম্পিয়



বিজু ডেকা
শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ
(ছোৱালী শাখা)



গজেন ডেকা
বছৰটোৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



দেৱজিত বৰুৱা
শ্ৰেষ্ঠ অভিনেতা



ধৰ্মেন্দ্ৰ শইকীয়া
ডবা খেলৰ চেম্পিয়ন



নিৰোপমা ডেকা
ছোৱালীৰ শ্ৰেষ্ঠা পাঞ্জা আৰু
ভাৰ-উত্তোলন প্ৰতিযোগী



আব্দুল কুদ্দুচ
ল'ৰাৰ পাঞ্জা চেম্পিয়ন

ইং ১৯৯৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় সংহতি শিবিৰত ৰাষ্ট্ৰীয় সেৰা আঁচনিৰ আমাৰ মহাবিদ্যালয়ৰ শিবিৰাৰ্থীসকল।





পাৰবীন চুলতানা

ইং ১৯৯২ চনত কাৰ্বি আংলঙত অনুষ্ঠিত হোৱা পৰ্বতাৰোহনৰ 'Rock Climbing and Tracking Camp'ত সদৌ অসম দলত নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ ছাত্ৰী পাৰবীন চুলতানাই অংশ গ্ৰহণ কৰে।



বছৰটোৰ শ্ৰেষ্ঠ দৌৰবীৰ
লোহিত চন্দ্ৰ ডেকা



গণেশ দত্ত

১৯৯২ আৰু ১৯৯৩ চনত মঙ্গলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত ক্ৰমে শ্ৰেষ্ঠ তাৰ্কিক আৰু ৩য় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰাৰ উপৰি ১৯৯৩ চনত নগাঁৱৰ আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে অনুষ্ঠিত কৰা সদৌ অসম আন্তঃজিলা মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত ২য় স্থান অধিকাৰ কৰে।



প্ৰবীন চন্দ্ৰ নাথ
বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মী



শশীন্দ্ৰ নাৰায়ণ কোঁৱৰ
শ্ৰেষ্ঠ সুকুমাৰ শিল্পী



ইন্দ্ৰেশ্বৰ শৰ্মা
শ্ৰেষ্ঠ ব্যায়ামবীৰ

# মহাবিদ্যালয়ৰ গৌৰৱ

এওঁলোকে ১৯৯২ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মেজৰ পৰীক্ষাত সুখ্যাতি কঢ়িয়াই আনে।



*বহি বাওঁফালৰ পৰা :*
হিতেশ কুমাৰ কটকী (১ম বিভাগ, **১৬ তম**); শিখা চৰকাৰ (১ম বিভাগ, ৯ম)।
*থিয় হৈ বাওঁফালৰ পৰা :*
আৰেজ আলি (১ম বিভাগ, ৫ম); কিৰণময়ী শৰ্মা (১ম বিভাগ, ১ম); ভূপেন বৰা (১ম বিভাগ, ৪ৰ্থ)।



মঞ্জুবাণী ডেকা
একেধাৰে শ্ৰেষ্ঠা অভিনেত্ৰী,
শ্ৰেষ্ঠা লোক-সঙ্গীত শিল্পী আৰু
বছৰটোৰ শ্ৰেষ্ঠা তাৰ্কিক

বছৰৰ শ্ৰেষ্ঠা কোৰাচ দল



বহি বাওঁফালৰ পৰা ক্ৰমে— জয়শ্ৰী শৰ্মা, ৰশ্মিৰেখা দেৱী।
থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে— চাবিনা ইয়াচমিন, নাজিফা জ্বামান আৰু পাপৰি বৰা।



মাহতাবুৰ ৰহমান
শ্ৰেষ্ঠ নাট পৰিচালক



১৯৯৩ চনত ত্ৰিপুৰাত (আগৰতলাত) অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় একতা শিবিৰত আমাৰ মহাবিদ্যালয়ৰ এন.চি.চি. দলৰ হৈ আব্দুল জেলিল আৰু নুৰ ইছলামে যোগদান কৰে।

ইং ১৯৯২ চনত দৰং জিলা ভিত্তিত অনুষ্ঠিত 'অসম সংহতি চাইকেল যাত্ৰা'ত অংশ গ্ৰহণ কৰি চিৰাজুল হকে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।



# HIGHER EDUCATION IN ASSAM

## —A Quantitative study of Gauhati University

**Dr. Nandita Sarma**
Prof & Head, Dept. of Education
Gauhati University

Higher education refers to education in post secondary institutions, Colleges and Universities. The entrants are about eighteen years of age, and therefore, they are capable of performing at the abstract level. Three aspects of higher education are of recent origin. They are specialization, formalism in structure and content and research.

Higher education as we have it today is the outcome of a long socio-historical process of evolution. It represents a combination of three functions, namely development and perfection of the individual, dissemination of knowledge and its creation, preservation and progress of society. To quote P. R. Dubhasi—" the goal of higher education can be defined as one of human resource development of producing qualified and educated personnel to hold higher positions in social and economic life of the country.

The post independent India has witnessed a tremendous progress in the field of higher education. Higher education has been acknowledged to be an instrument of human resource development. The Industrial Policy announced in 1948, Indian Constitution adopted in 1950, the Five Year Plans implemented since 1951, the Kothari Commission (1964) and the National Policy on Education (1986) have strongly underlined the vital role of higher education in promoting economic growth with social justice in the country. As a result of policy directions higher education has made rapid and remarkable strides in the last four decades. Today,

India has the unique distinction of possessing the largest system of higher education in the world next to the U.S.A. and undivided Russia. There are now about two hundred universities both statutory and deemed and about seven thousand colleges. About five millions of the student population is being groomed by two lakh fifty thousand teachers.

Assam as a constituent State of India is reflecting a similar scenerio in the field of higher education. The nucleus of higher education in Assam started with the setting up Cotton College in 1901 with forty students and a staff of four. Actually the first College in Assam was the M. C. College, Sylhet, which is now in Bangladesh. It was established in the year 1892. Till 1947, Assam had the following colleges as shown.

TABLE—I

| Sl.No. | College | Year | Place |
|---|---|---|---|
| 1. | Cotton College | 1901 | Guwahati |
| 2. | Govt. Law College | 1914 | Guwahati |
| 3. | Jagannath Barua College | 1930 | Jorhat |
| 4. | Gurucharan College | 1935 | Silchar |
| 5. | Handique Girls' College | 1939 | Guwahati |
| 6. | M. C. College | 1939 | Barpeta |
| 7. | B.B. College | 1943 | Guwahati |
| 8. | Nowgong College | 1944 | Nagaon |
| 9. | Nalbari College | 1945 | Nalbari |
| 10. | Darrang College | 1945 | Tezpur |
| 11. | D. H. S. K. College | 1945 | Dibrugarh |
| 12. | Karimganj College | 1946 | Karimganj |
| 13. | B. N. College | 1946 | Dhubri |
| 14. | Sibsagar College | 1947 | Sibsagar |
| 15. | Assam Medical College | 1947 | Dibrugarh |

In 1948 the Gauhati University was established as a teaching, residential and affiliating University. The Gauhati University represented the urges and expectations of the people of Assam in the field of higher education covering the entire jurisdiction of the North Eastern region. It evolved as the alma mater of all the Universities in the region. With the establishment of Dibrugarh University (1965), Assam Agricultural University (1965), the North Eastern Hill University (1973) and the Universities of Manipur (1980) and Arunachal Pradesh (1985) the original jurisdiction of Gauhati University has been considerably reduced. Still, the University maintains its predominant position as the largest institution of higher education in the region. At present its jurisdiction is over sixteen districts of Assam.

TABLE—II

| Year | Facul-ties | Academic Depart-ment | Affiliated Colleges | Permitted to start B.A. etc. | Permitted to start B. Ed |
|---|---|---|---|---|---|
| 1974-75 | 6 | 30 | 109 | 10 | – |
| 1987-88 | 6 | 30 | 117 | 3 | |
| 1991-92 | 6 | 37 | 128 | 22+(<br>(2 B Com<br>(3 LL. B | 5 |

Table II shows the strength of G. U. with Academic Departments and the constituent colleges belonging to six faculties.

TABLE—III (A)

| Enrolment of Student | 1980-81 | 1987-88 | 1990-91 | 1991-92 |
|---|---|---|---|---|
| In Affiliated College | 75693 | 58077 | 69144 | 71698 |
| University Departments | 2306 | 2680 | 2844 | 3191 |
| Law Colleges | 407 | 830 | 541 | 490 |
| TOTAL | 78406 | 61591 | 72529 | 75379 |

TABLE—III (B)

| Faculty | 1980-81 | 1987-88 | 1990-91 | 1991-92 |
|---|---|---|---|---|
| Arts | 53223 | 38461 | 47341 | 49582 |
| Science | 14902 | 11300 | 12787 | 13234 |
| Commerce | 5635 | 3881 | 4096 | 4052 |
| Medicine | 2498 | 3826 | 4970 | 4129 |
| Engineering | 1093 | 1823 | 1909 | 1900 |
| Law | 1055 | 1342 | 1485 | 1532 |
| B. Ed. | | 958 | 991 | 949 |
| Art Faculty | 78406 | 61591 | 72529 | 75379 |

Table III (A) shows the enrolment pattern in the University classes and other affiliated College (B) shows the enrolment faculty wise.

It is to be noted that due to certain reasons institutions of higher education have been established in an uneven manner. While Kamrup district has the highest number of colleges with thirty six, followed by Cachar fifteen, Nagaon thirteen, Barpeta twelve, Karbi-Anglong, Karimganj and Bongaigaon have two each and the North Cacher Hills district has only one. The two hills districts are generally backward in education.

TABLE—IV

| Colleges | 1980-81 | 1990-91 |
|---|---|---|
| Diphu Govt. College | 641 | 656 |
| Diphu Law College | 87 | 263 |
| Haflong Govt. College | 342 | 958 |

Incidently, of the four Govt. colleges for general education, in Assam two are in the two hills districts. On the other hand, there are seventeen Colleges affiliated to Gauhati University with more than fifteen hundred students in each. Of these seven are situated at Guwahati in the district of Kamrup.

TABLE—V

| S. N. | College | No. of student | District |
|---|---|---|---|
| 1. | A. D. P. College | 1546 | Nagaon |
| 2. | Arya Vidyapeeth College | 2223 | Kamrup |
| 3. | Bajali College | 1825 | Barpeta |
| 4. | B. Barua College | 1601 | Kamrup |
| 5. | B. N. College | 1785 | Dhubri |
| 6. | Bihwanath College | 1679 | Sonitpur |
| 7. | Cotton College | 1892 | Kamrup |
| 8. | Darrang College | 1736 | Sonitpur |
| 9. | Gauhati Commerce College | 1730 | Kamrup |
| 10. | Gossaingaon College | 1512 | Kokrajhar |
| 11. | Gurucharan College | 1616 | Silchar |
| 12. | Handique Girls' College | 1988 | Kamrup |
| 13. | Karimganj College | 1523 | Karimganj |
| 14. | Mangaldoi College | 2151 | Darrang |
| 15. | Nalbari College | 2374 | Nalbari |
| 16. | Pandu College | 1939 | Kamrup |
| 17. | Pragjyotish College | 1771 | Kamrup |

**Source : 44th Annual Report 1991-92 G.U.**

This quantitative expansion of higher education in the the result of the increase in demand of the people with high expectations. It indicates the faith on education and especially higher education as an

instrument of change. The increase is an indication of a healthy civic attitude on the part of the citizens of a democracy.

Access to higher education in India has no definite pattern or plan. Any one who qualify the secondary examination ( + 2 stage ) considered fit to be admitted to institutions of higher education. It is subject to social pressure. The Liberal Govt. subsidy to higher education has contributed to this trend. The setting up of a college or University has become a status symbol for the concerned town/district and the authorities have always yeilded to the pressures. The demand for higher education continues to grow and is being substantially met in disregard of the aspirants aptitude or merit. Demographic explosion and unplanned growth of collegiate institutions catering to Arts, Science and Commerce courses have heavily diluted the quality.

Continuous expansion has wide financial implications also. The scarce financial resources are spread thinly over larger number and wider areas. It is a known fact that Guahati University is in dire financial constrains and is forced to reduce the budget especially on books, journals and laboratory equipments. The University has been urging the State Govt. to increase the statutory Annual Grant to Rs. 10 crores. The unfavourable financial condition of the University, continuously for several years, is having harmful effects on quality. The question is now on survival and not development. The similar condition prevails in most of the colleges where the minimum required resources, both human and material, for an institution of higher education, is absent.

To measure the quality of education in a scientific manner no such measuring tool can be constructed unless and until the policy makers spell out clearly the qualitative aspects. So, it is not an easy task to make a qualitative estimate of higher education under Gauhati University. The frequent remark from various quarters that quality has deteriorated cannot be fully justified.

However, the beneficial links between education, employment and economic development has to be established. The Committee of experts appointed by the Planning Commission is of the opinion that it is necessary that educational programmes are related to manpower profiles, existing and needed.

Yet, the traditional examination system that is existing in all the Universities of the country is being used in Gauhati University with all its merits and demerits to gauge the achievement level of the

students. The standards of training and examining vary substantially and it is difficult to arrive at commonly acceptable norms of achievements.

**TABLE—VI**

| Year | Name of Exam. | Number of Students: Appeared | Passed | Ist class | IInd class | | IIDiv | Distinction |
|---|---|---|---|---|---|---|---|---|
| 1981 | B.A. (Hon & pass) | 12917 | 5359 | 16 | 1233 | | | 84 |
| " | B.Sc ( " ) | 4455 | 2283 | 57 | 508 | | | 146 |
| " | B.Com ( " ) | 1572 | 913 | 37 | 96 | | | 67 |
| 1987 | B.A. Major & General | 3561 | 2825 | 22 | 927 | | | S.P. 1876 |
| 1987 | B.Sc ( " ) | 1032 | 829 | 63 | 656 | | | 110 |
| 1987 | B. Com ( „ ) | 413 | 338 | 14 | 281 | | | 43 |
| | | | | Major | Major | S.P. | Gen | S.P. |
| 1991 | B.A. Major & General | 16580 | 9718 | 37 | 2950 | 494 | 1522 | 4260 |
| 1991 | B.Sc ( " ) | 3273 | 1966 | 121 | 678 | 68 | 647 | 451 |
| 1991 | B. Com ( " ) | 1446 | 1049 | 14 | 441 | 154 | 109 | 331 |

S.P.—Simple pass

Gen—General

( Data collected from Annual Reports of G.U. )

The Table showing the results of the Degree Examinations held under Gauhati University, show the apparent wastage and the quality of those graduates.

Again, the incidence of the employment among the educated have increased. Education has to prepare students for gainful employment. The growth of the University cannot be measured in terms of the number of students enrolled and colleges established. The objectives of higher education excellence, quality and relevance to be achieved to tackle the challenges of the society. The main thrust is on manpower

development for every sector of national activity. This emphasises the demand for higher education from the point of social, cultural and humanistic aspects and not from the employment market.

The Gauhati University has arrived at a stage of considerable quantitative expansion. What is required now is restructuring of courses and content of higher education. There is still a bias towards elitism, and liberal arts and other general education. In most of the rural based colleges higher education may be imparted to touch certain crucial sectors of development such as rural health and rural technology. New courses like computer and Electronics are to be introduced in the colleges thereby increasing the potentialities to create self employment. The feasibility of starting new departments like applied Botany, Computer Science, USIC in the resourceful colleges as feeders to the respective Departments in the University may be examined.

The academic atmosphere has to be maintained at all costs at the University which is to percolate to the affiliated colleges. Let us hope that the sacrifice made by the agragarian society of the state by allocating a chunk of its resources be paid by knowledge, skill and excellence and bring about socio-economic upliftment of the people of Assam. **

( This paper was presented in the Seminar organised by G.U.T.A in Feb/ 1993 )

REFERENCES

1. Management of Higher Education
Amrit Lal Vohra, Sita Ram Sharma — Annual Publications, New Delhi

2. University News—Vols XXX Nos. 18 and 42; Vols XXXI Nos. 1 and 6

Data collected from Gauhati University, Annual Reports of 1980-81, 1987-88 and 1991-92

# Power from the Elements

**Faizuddin Ahmed**
T. D. C. 3rd Year (Science)
Mangaldai College

The fascinating course of human development, from the stone age to the space age, has been made easy by development of different sources of energy. Perhaps after food, energy is the most important component for economic development in a Country and in improving the quality of life of the people. However India's per capita consumption of commercial energy (viz. Coal, Petroleum and Electricity) is only one eighth of the global average. However two very significant facts about energy consumption pattern in India are that, firstly, nearly 50% of the Coal requirement for energy particularly in the entire rural area, and in significant sections of the urban area, is meet by wood, agricultural waste and animal dungs and secondly, of the four main energy-consuming sectors, namely industry, transport, household and agriculture, the maximum energy consumption is by the industry followed by transport, household and agriculture. With the economic development of India, need for energy is growing by leaps and bounds. The development of energy source is highly capital-intensive. But Capital is not the only problem. Depleting resources and environmental degradation have forced us to find alternative sources of energy. The non-conventional sectors, such as solar, wind, tidal Ocean water etc. are proving to be the most pollution-free sources of energy production and only these are capable of meeting or supplementing our diverse needs.

The government has formulated an exhaustive energy policy in this regard which includes (1) Optimisation of utilisation of existing capacity in the Country, (2) development and exploitation of renewable sources of energy to meet energy requirements of rural communities, (3) intensification of research and development activities in new and renewable energy sources ; and (4) organisation of training for personnel engaged at various levels in the energy sector. In September, 1982, the Department of Non-Conventional Energy sources came into being which takes care of development and promotion of non-conventional/alternate new and renewable sources of energy such as solar, wind and Bio-energy etc. In a very short span of time the scope of renewable energy has expanded and it is viewed as not only providing energy in a decentralised manner but also have a direct relevance to afforestation,

improvement in the environment, energy conservation, employment generation, upgrading health and hygiene, social and women's welfare, providing water for agriculture and drinking and bio-fertilizer production.

The earth receives an astonishing 75, 000 frillion kwh of energy from the sun everyday, of which only 0·1 percent is sufficient to solve all the energy problem of man. But, then, the main problem is of harnessing it. There are two ways to it. One is using solar power to generate heat, the other is to convert this power into electrical energy, Solar Photovoltaic (SPV) is critical for the latter, Efforts made in this direction in India during the last two decades has made India a leader of sorts in this field and we are already world's largest player in SPV demonstration programmes. About 30,000 Photovoltaic street lights have been fixed so far. SPV is also being used for small loads like railway signalling, waterpumping and communications.

Wind Energy is clean and noiseless. India has about 50,000 MW potential in wind power. At present about 45 MW aggregate wind power capacity has been established in the country including 6·5 M.W in the private sector. Lamba, a village in Gujarat, has got the largest wind farm in Asia and accounts for nearly quarter of India's wind power capacity. This important wind farm has been named pawanshakti.

Indigenous gasification technology Packages for biomas gasification is a partial combustion-based process that converts biomas, such as wood, agriresdues and coconut shells, distillery effuents, into combustible gas mixture called producer gas. A study shows that the total potential capacity for power through biomas could be anywhere between 1,14,000 M.w: and 3, 65000 M.w.

The other promising source of renewable energy are Ocean energy, magneto hydro dynamics, geothermal energy, electrochemical energy and these are at very nascent stage in India.

Obviously, renewable energy technogies cannot be dismissed any longer as utopion, Only by a judicious mix of conventional as well as non-conventional energy sources we can solve our problems. New and renewable energy sources have a long way to go and with the greater development in the Roud D, the cost of this source can only go down. It took coal thermal power half a century to reach the present state of development. Our experience of the renewable sources of energy is only a decade old. ☆

(Collection)

# Editors and Prof. In-Charge of Mangaldai College Magazine During 1958-93.

| Session | Editor | Prof. in-charge |
|---|---|---|
| 1958-59 | Shri Bodheswar Deka | Shri P. Bora |
| 1960-61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961-62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962-63 | Shri Maheswar Kalita | Shri D. Neog |
| 1963-64 | shri Tuwa Ram Deka | Shri D. Neog |
| 1964-65 | Md. Fazlul Karim | Shri D. Neog |
| 1965-66 | Shri Bashab Ch. Sahariah | Shri D. Neog |
| 1966-67 | Shri Hem Kanta Deka | shri J. C. Sarma |
| 1968-69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969-70 | Shri Prabhat Kr. Choudhury | Shri J. C. Sarma |
| 1970-71 | Shri Dinabandhu Sarma | Shri J. C. Sarma |
| 1971-72 | Md. Mahiuddin Jiaul Haque | Shri B. Kakati |
| 1972-73 | Shri Premananda Nath | Shri B. Kakati |
| 1973-74 | Shri Bhabendra Ch. Deka | Shri B. Kakati |
| 1974-75 | Shri Juran Ch. Kalita | Shri B. Kakati |
| 1975-76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976-77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977-78 | Shri Pramananda Razbongshi | Miss Naharun Nesha |
| 1978-79 | Shri Sailendra Kr. Sarma Baruah | Shri M. P. Baruah |
| 1979-81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981-82 | Shri Gajendra Baruah | Shri Bharat Sarmah |
| 1982-83 | Shri Biswajeet Goswami | Shri Bharat Sarmah |
| 1983-84 | Shri Dulal Baruah | Shri Bharat Sarmah |
| 1985-86 | Shri Siba Prasad Barua | Shri Matiram Medhi |
| 1986-87 | Shri Minaram Hazarika | Shri Matiram Medhi |
| 1987-88 | Shri Bhabesh Baruah | Shri Matiram Medhi |
| 1988-89 | Shri Muktananda Sarma | Md. Idrish Ali |
| 1989-90 | Mumtaz Khanom | Shri Buddhin Ch Hazarika |
| 1990-91 | — | — |
| 1991-92 | Babita kumari Majudeka | Md. Idrish Ali |
| 1992-93 | Aminul Islam | Md. Idrish Ali |